# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

## তাৰিখঃ ১৭/০৩/২০২২ বৃহস্পতিবাৰ

**ইংৰাজী ১৭-০৩-২০২২ তাৰিখে ৰাতিপুৱা ৯.৩০ বজাত মাননীয় অধ্যক্ষ শ্ৰীবিশ্বজিৎ দৈমাৰী মহোদয়ৰ অধ্যক্ষতাত পূৰ্বনিৰ্দ্ধাৰিত সময় মতে সদনৰ কাম-কাজ আৰম্ভ হয়।**

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ৪১, ৰূপেশ গোৱালা। মাননীয় মন্ত্ৰী।

**ডাঃ ৰনোজ পেগু, (মন্ত্ৰী) ঃ** উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**মাননীয় অধ্যক্ষ ঃ** Supplementary.

**শ্ৰীৰূপেশ গোৱালা, (ডুমডুমা) ঃ** অধ্যক্ষ মহোদয়, বিশ্ববিদ্যালয়ৰ লগতে বিভিন্ন চিকিৎসা মহাবিদ্যালয়ৰ বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানত চাহ জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে আসন সংৰক্ষণ কৰা হৈছে। কিন্তু বিভিন্ন সময়ত অভিযোগ উঠিছে যে, এই আসন সমূহত অনা চাহজনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰী সকলে ভুৱা প্ৰমাণ পত্ৰ দি নাম ভৰ্ত্তি কৰিছে, গতিকে এই ক্ষেত্ৰত চৰকাৰৰ হাতত কিবা তথ্য আছে নেকি, যদি আছে তেনে লোক সকলক চিনাক্ত কৰি কিবা ব্যৱস্থা গ্ৰহণ কৰা হৈছে নেকি?

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**ডাঃ ৰনোজ পেগু, (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, আমাৰ অসমৰ চাহ জনজাতি সকল অন্যান্য পিছপৰা শ্ৰেণীৰ অন্তৰ্ভূক্ত। তেওঁলোকে যি সংৰক্ষণৰ সা-সুবিধা পাই সেইখিনি অন্যান্য পিছপৰা শ্ৰেণী হিচাপে পায়। কিন্তু চাহ জনগোষ্ঠী তেওঁলোকৰ বিশেষ পশ্চাৎপদতাৰ প্ৰতি লক্ষ্য ৰাখি বিশেষ ভাৱে তেওঁলোকক ডিব্ৰুগড় বিশ্ববিদ্যালয়ে আৰু অসম চৰকাৰৰ স্বাস্থ্য বিভাগে যিটো শিক্ষা বিভাগৰ অধীনত নহয়, স্বাস্থ্য বিভাগেও মেডিকেল কলেজত তেওঁলোকৰ কাৰণে আসন সংৰক্ষণ কৰিছে। এই আসন সংৰক্ষণৰ সুবিধা বহু সময়ত তেওঁলোকে অনা চাহ জনজাতি বা চাহজনগোষ্ঠীৰ লোকেও সুবিধা পায় বুলি অভিযোগ উত্থাপন হয়। কিন্তু শিক্ষা বিভাগৰ ক্ষেত্ৰত আমি নিৰ্দিষ্ট তেনে কোনো অভিযোগ বিশ্ববিদ্যালয় বা অ'বি চি কোটাৰ ক্ষেত্ৰত পোৱা নাই। মেডিকেলৰ ক্ষেত্ৰত মাজে মাজে অভিযোগ উত্থাপিত হয়, সেইটো উত্তৰ দিয়াৰ কাৰণে স্বাস্থ্য বিভাগেই হ'ল Competent authority. কিন্তু ইতিমধ্যে গোটেই বিষয়টোৰ প্ৰতি লক্ষ্য ৰাখি অসম চৰকাৰে কেইটামান সিদ্ধান্ত ল'বলৈ গৈ আছে আৰু যিকেইটা বিবেচনাধীন হৈ আছে যে ইতিমধ্যে অসম চৰকাৰে এখন কেবিনেট কমিটি গঠন কৰিছে যে অন্যান্য পিছপৰা শ্ৰেণীৰ বাবে সংৰক্ষিত যি ২৭ শতাংশ কোটা আছে তাৰ পৰা Sub-categorization কৰি বিভিন্ন জনগোষ্ঠী সমূহৰ কাৰণে নিৰ্দ্দিষ্ট কোটা কৰিব পৰা যায় নেকি এই বিষয়টো পৰ্য্যালোচনা কৰি থকা হৈছে। দ্বিতীয়তে, চাহ জনগোষ্ঠীৰ কিছুমান সম্প্ৰদায় মূলত বৰাক উপত্যকাৰ অন্যান্য পিছপৰা শ্ৰেণীৰ তালিকাভুক্ত নহয় বুলি অভিযোগ উঠে। তেওঁলোক অ'বি চি ৰ তালিকা ভুক্ত হোৱাৰ কাৰণে দাবী উত্থাপন কৰি আহিছে। এই ক্ষেত্ৰতো চৰকাৰে এটা সিদ্ধান্ত গ্ৰহণ কৰিছে যে অতি শীঘ্ৰে State OBC Commission খন গঠন হ'ব আৰু এই ক্ষেত্ৰত State OBC Commission খনে সিদ্ধান্ত গ্ৰহণ কৰিব। গতিকে মাননীয় সদস্য গৰাকীক মই অনুৰোধ জনাম যে মেডিকেল কলেজ সম্পৰ্কীয় বিষয়খিনি তেখেতে স্বাস্থ্য বিভাগৰ পৰা সংগ্ৰহ কৰি ল'ব।

**মাননীয় অধ্যক্ষ ঃ** Second supplementary আছে, নাই। ধন্যবাদ।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী) ঃ** অধ্যক্ষ মহোদয়, গুৰুত্বপূৰ্ণ কথা।

**মাননীয় অধ্যক্ষ ঃ** হ'লেও, চাহ জনগোষ্ঠীৰ বিষয়ে আছে যদি কওঁক।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** যিহেতু শিক্ষক সকলক বি এড ৰ ক্ষেত্ৰত বাধ্যতামূলক কৰিছে, বি এড ল'বই লাগিব আৰু আজিকালি ছাত্ৰ-ছাত্ৰী সকলে বহুতে বি এড কৰিবলৈ বিচাৰে, কিন্তু বি এড পঢ়িবলৈ কলেজৰ সংখ্যা কম বা বি এড ৰ যি আসনৰ সংখ্যা ছাত্ৰ-ছাত্ৰীৰ বাবে নামভৰ্ত্তীৰ বাবে যথেষ্ট কম। গতিকে এই ক্ষেত্ৰত শিক্ষা বিভাগে বি এড কলেজ নতুনকৈ স্থাপন কৰিব নেকি আপোনাৰ জৰিয়তে মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**ডাঃ ৰনোজ পেগু, (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, ইতিমধ্যে ১০ খন বি এড কলেজ অসম চৰকাৰৰ দ্বাৰা নিৰ্মীয়মান অৱস্থাত আছে। ইয়াৰোপৰিও Open and distance learning ৰ সুবিধাৰ জৰিয়তে বি এড লোৱাৰ কাৰণে আমাৰ পৰ্যাপ্ত সুবিধা আছে। ইতিমধ্যে এন চি টি য়ে এখন বিস্তৃত তালিকা প্ৰকাশ কৰিছে, ভাৰত বৰ্ষৰ কোন কোন শিক্ষানুষ্ঠানত এই ODL মাধ্যামত বি এড ল'ব পৰা যায়। তৃতীয় কথাটো হ'ল বি এড ৰ ইতিমধ্যে integrated B.ed Courseৰ কথা আহিছে, এতেকে আমি এন চি টিৰ নিৰ্দ্দেশনালৈ অপেক্ষা কৰিছোঁ। এন চি টিৰ নিৰ্দ্দেশনা পোৱাৰ লগে লগে যি সমূহ কলেজে অনুমতি বিচাৰিছে integrated B.ed Course খোলাৰ বাবে আমি অনুমতি প্ৰদান কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। পৰৱৰ্ত্তী প্ৰশ্ন নং ৪২, সুজাম উদ্দিন লস্কৰ। মাননীয় মন্ত্ৰী।

**ডাঃ ৰনোজ পেগু, (মন্ত্ৰী) ঃ** উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**মাননীয় অধ্যক্ষ ঃ** Supplementary.

**শ্ৰীসুজাম উদ্দিন লস্কৰ, (কাটলিচেড়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ এটা Development block আছে ৯ খন গাঁও পঞ্চায়তৰ ভিতৰত মাত্ৰ দুখন হাইস্কুল। তাতে 1,50,000 population হ'ব। দুখন হাইস্কুলেয়ে কেনেকৈ সেই চাউতালাকাণ্ডি Development এৰিয়াটো চলিব, তাতে আমাৰ জন্নচোৰা, টিলাৰবাট, জাৰৈঘাট, কাড়িচোৰা গাওঁ পঞ্চায়ত। এই ২০ কি. মিটাৰৰ ভিতৰত দুখন গাওঁ পঞ্চায়ত, তাতে এখন হাইস্কুল হ'লে খুব ভাল হয়। সেইটো পিছপৰা এৰিয়া, মই এইটো আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰীক অনুৰোধ কৰি আছো, যেনেতেনে ৬ কি. মিটাৰৰ ভিতৰত এটা হ'বলৈ গাইডলাইন আছে, কিন্তু আমাৰ ১৫, ২০ কি. মিটাৰৰ ভিতৰত নাই। তাতে এখন হাইস্কুল হ'ব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**ডাঃ ৰনোজ পেগু, (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, বিষয়টো তেখেতে আমাক দৃষ্টিগোচৰ কৰিছে আমি নিশ্চিত ভাৱে ব্যৱস্থা গ্ৰহণ কৰিম। কিন্তু ইতিমধ্যে উচ্চতৰ মাধ্যমিকৰ ক্ষেত্ৰত এইটো সিদ্ধান্ত গ্ৰহণ কৰা হৈছে যে যিবিলাক ঠাইত উচ্চতৰ মাধ্যমিক স্কুল নাই, তাত যিখিনি Existing High School আছে, সেইখিনিক উন্নীতকৰণৰ কাৰণে সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। এতেকে হাইস্কুলৰ ক্ষেত্ৰতো এটা প্ৰস্তাৱ বিবেচনাধীন হৈ আছে যি বিলাক স্থানত ছাত্ৰ-ছাত্ৰীৰ অনুপাতে হাইস্কুল নাই তাত যি Existing M E School আছে, সেই Existing M E School ক আমি হাইস্কুললৈ উন্নীত কৰি সেই সমস্যা দূৰ কৰিব পাৰো নেকি তাৰ ব্যৱস্থা এটা প্ৰস্তাৱ বিবেচনাধীন হৈ আছে আৰু মই ভাৱো যে এইটোৱে বিবেচনা হ'ব, তেখেতে যিটো প্ৰশ্ন উত্থাপন কৰিছে যিটো অঞ্চলৰ কথা

কৈছে কাটলিচেৰাৰ সমস্যা দূৰ হ'ব।

**মাননীয় অধ্যক্ষ ঃ** Second Supplementary.

**শ্ৰীসুজাম উদ্দিন লস্কৰ (কাটলিচেৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ Tele-education ICT ৰ under ত Smart class ৰ সুবিধা কিছু নোহোৱা হৈছিল, সেইবিলাকৰ মাহিলী আছিল ৪৫০০। বহুমাহ হ'ল তেওঁলোকে দৰমহাটো পোৱা নাই। আমাৰ বাকী যিবিলাক ৰাজ্য আছে ৱেষ্টবেঙ্গল, কৰ্ণাটক, উত্তৰপ্ৰদেশ এইবিলাকত যি ১৭৫০০ দিয়া হয়। কিন্তু আমাৰ তাতে ৪৫০০ যিহেতু পোৱা নাই বন্ধ হৈ আছে, সেইটো পাব নেকি ? আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**ডাঃ ৰনোজ পেগু, (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, আমাৰ বিদ্যালয় সমূহত সমগ্ৰ শিক্ষাৰ অধীনত আমাৰ কেইবাটাও আঁচনি চলি আছে। সমগ্ৰ শিক্ষাৰ অধীনত এটা মূল প্ৰজেক্ট আছে তাৰ কিছুমান নিৰ্দিষ্ট কাম-কাজ আছে। কিন্তু তাৰ উপৰিও ওপৰঞ্চিভাৱে নিৰ্দিষ্ট কিছুমান আঁচনি সমগ্ৰ শিক্ষাৰ অধীনত চলি আছে। সেই আঁচনি বিলাকৰ ভিতৰত এটা আঁচনি হ'ল ICT বা Computer lab প্ৰতিষ্ঠা কৰা। এনেধৰণৰ Computer lab আমাৰ যি elementary education আছে, প্ৰাথমিক আৰু মাধ্যমিক দুয়োটাক ধৰি আমাৰ ৬০৩২ খন স্কুলত প্ৰযোজ্য হৈ আছে। তেখেতে যিটো উত্থাপন কৰিছে tele-education, tele-education অৰ্থাৎ দূৰৰ পৰা সেই বিদ্যালয় সমূহত শ্ৰেণী পৰিচালনা কৰা ইয়াৰ সংখ্যা ৩৫০ খন স্কুলত আছে। ওপৰঞ্চিভাৱে আৰু ৩৫০ খন স্কুলত কৰাৰ কাৰণে সমগ্ৰ শিক্ষাই সিদ্ধান্ত গ্ৰহণ কৰিছে। তদুপৰি ৩৬৪২ খন বিদ্যালয়ত smart classroomৰ ব্যৱস্থা হৈছে। এই আই চি টি, smart classroom, tele-education ৰ উপৰিও আৰু এটা component আছে, সেইটো হ'ল National Skill Qualification Framework ৰ অধীনত এটা vocational subject হিচাপে বহু বিদ্যালয়ত কম্পিউটাৰটো শিকোৱা যায়। এই গোটেই খিনি হ'ল সমগ্ৰ শিক্ষাৰ আঁচনি। এইখিনি আঁচনি হোৱাৰ কাৰণে ইয়াত কেন্দ্ৰীয় চৰকাৰৰ পৰা যিটো প্ৰজেক্ট নিৰ্দ্ধাৰিত হৈ আছে, আমি সেই ধৰণে ৰূপায়ণ কৰো। এইটো ৰূপায়ণ কৰিবলৈ যাওঁতে আমি তৃতীয় পক্ষক নিয়োজিত কৰোঁ। গতিকে এই যিসকল শিক্ষক বা instructor থাকে, সেই সকল সমগ্ৰ শিক্ষাৰ তেওঁলোক direct কৰ্মচাৰী নহয় বা তেওঁলোকৰ দ্বাৰা নিয়োজিত ঠিকাভিত্তিক শিক্ষকো নহয়, বৰঞ্চ তৃতীয় পক্ষৰ দ্বাৰা নিয়োজিত ব্যক্তি হয়। যি ধৰণে ধাৰ্য্য কৰা থাকে তেওঁলোকৰ দৰমহা, মাননি বা বেতন সেইটো সেইধৰণে তেওঁলোকক দিয়া হয়। প্ৰতি মাহে মাহে তেওঁলোকে পাব লাগে, বহু মাহ ধৰি পোৱা নাই বুলি কৈছে গতিকে বিষয়টো তদন্ত কৰি বিহীত ব্যৱস্থা গ্ৰহণ কৰিম তৃতীয় পক্ষৰ লগত।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। শ্ৰীমতী নন্দিতা দাস ।

**শ্ৰীমতী নন্দিতা দাস, (বকো)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি দেখিছো প্ৰায়বোৰ স্কুল, যিবিলাক বহুত পুৰণি হৈছে ত্ৰিশ ৰ পৰা পঞ্চাশ বছৰ অতিক্ৰম কৰিছে, সেই স্কুল বিলাক অতি জৰাজীৰ্ণ। কামৰূপ জিলাত প্ৰায় ডেৰ শ মান স্কুল আছে য'ত ৰেট্ৰ' ফিটিংৰ প্ৰয়োজন আছে । কিছু এছ এছ এৰ দ্বাৰা কৰা হৈছে আৰু কিছু পঞ্চায়তৰ দ্বাৰা কৰা হৈছে। এই এলেকাবোৰত যেতিয়া শিলাবৃষ্টি, ভূমিকম্প হয়, গোটেই টিং বিলাক নষ্ট হৈ যায়, তেতিয়া আমি এম এল এ ফাণ্ড দিও সেইবিলাক ৰিপেয়াৰিং কৰিব নোৱাৰো, যিহেতু তাত দহ লাখতকৈ বেছি টকাৰ প্ৰয়োজন হৈ যায়। সেই কাৰণে অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে যি সমূহ স্কুল বহুত পুৰণি

হৈ গৈছে সেইবোৰ স্কুল এটা মিচন হিচাপে লৈ মেৰামতি কৰিব নেকি ? দ্বিতীয়তে, লাম্পি অঞ্চলত কোনো হাইস্কুল নাই, মন্ত্ৰী মহোদয়ক আগতেও অনুৰোধ কৰিছিলো । সেই অঞ্চলৰ ল'ৰা ছোৱালীয়ে মেঘালয়ত পঢ়িবলৈ যায়। লাম্পি অঞ্চলত এখন হাইস্কুল মন্ত্ৰী মহোদয়ে আমাক দিব নেকি ?

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, পোনপটীয়া প্ৰশ্নটোৰ লগত জড়িত নহয় । কিন্তু প্ৰত্যেক অঞ্চলত য'ত এনেধৰণৰ শিক্ষানুষ্ঠানৰ বিশেষ সমস্যা আছে, এইটো বহুত নহয় কেইটামান অঞ্চলত আছে তাত কোনো নতুন বিদ্যালয় স্থাপনৰ প্ৰশ্নটো অহা নাই আৰু নতুন বিদ্যালয় স্থাপন নকৰাকৈ যিখিনি আমাৰ বিদ্যালয় আছে সেই বিদ্যালয়ৰ উন্নীতকৰণৰ জৰিয়তে আপোনাৰ লাংপি অঞ্চলৰ সমস্যা বা তেনেকুৱা সীমান্তৱৰ্তী অঞ্চলৰ সমস্যা সমাধান কৰাৰ বাবে আমি পদক্ষেপ লম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী নিজামুদ্দিন চৌধুৰী (আলগাপুৰ)ঃ** অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে মোৰ সমষ্টিত চন্দিপুৰ কলনিত দহ কিলোমিটাৰ দূৰত্বত কোনো হাইস্কুল নাই। কিবা ব্যৱস্থা কৰি দিব নেকি ?

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ । মন্ত্ৰী ডাঙৰীয়া ।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, উত্তৰটো একেটাই। এটা অঞ্চলৰ পৰা এফালে চালে দহ কিলোমিটাৰলৈ নাই, কিন্তু যদি মই এটা ব্লকৰ ফালে চাওঁ তেতিয়াহ'লে ওচৰতে এখন স্কুল আছে। গতিকে আমাৰ ব্লক সমূহৰ বাউণ্ডাৰী, সেই ব্লকটোত নাই কিন্তু সেই ব্লকৰ বাউণ্ডাৰীৰ কাষত থকা অন্য এটা ব্লক তাত কিন্তু আছে। সেইখন দুই কিলোমিটাৰৰ ভিতৰত। গতিকে দূৰত্বৰ কথাটো যেতিয়া কোৱা যায় এই কথাটো ক্ৰিটিকেল । কিন্তু প্ৰয়োজনীয় দূৰত্বৰ ভিতৰত বিদ্যালয় আছে, তথাপিও কৈছো নিৰ্দিষ্ট ভাবে কোন ব্লকত বিদ্যালয় নাই বা বিদ্যালয়ৰ অভাৱ আছে সেইটো মোক জনালে মই পৰীক্ষা কৰি চাম আৰু ব্লক ভিত্তিক চিন্তাটো নকৰি সামগ্ৰীক ভাবে চিন্তাটো কৰিব লাগিব আৰু তাৰ লগত মই এইটোও জনাইছো যে উন্নীতকৰণৰ জৰিয়তে আমি আমাৰ তাত থকা শিক্ষকৰ পৰা তাত দি এই সমস্যা সমাধান কৰাৰ কাৰণে এটা পলিচিৰ সিদ্ধান্ত ইতিমধ্যে লৈছো ।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী ভৰত নৰহ । পৰৱৰ্তী প্ৰশ্ন শ্ৰী নজৰুল হক ।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী) ঃ** উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে ।

**শ্ৰী নজৰুল হ'ক, (ধুবুৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম সৰ্বশিক্ষা মিচনৰ অধীনত ২০০৬ চনৰ পৰা ১৭৫ জন জিলা মান ৰক্ষণ (ডি কিউ এম) নিয়োজিত হৈ আছে। তেখেত সকলক অসম চৰকাৰ তথা শিক্ষা বিভাগত নিয়মীয়াকৰণ কৰাৰ কিবা ব্যৱস্থা কৰিছে নেকি ? যিহেতুকে তেখেত সকলে ন্যূনতম মাননিত কাম কৰি আছে। মানৱীয়তা দৃষ্টিভংগীৰে বিবেচনা কৰি তেওঁলোকক নিয়মীয়াকৰণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে ।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয় ।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰাইট টু এডুকেশ্যন এক্ট ৰ অধীনত শিক্ষা বিনামূলীয়া সাৰ্বজনীন কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হৈছিল। এই পদক্ষেপৰ মূল উদ্দেশ্য হ'ল বিদ্যালয়ৰ শিক্ষাৰ পৰা বঞ্চিত ছাত্ৰ-ছাত্ৰী সকলক বিদ্যালয়মুখী কৰা। চলি থকা বিদ্যালয় সমূহত নামভৰ্তি নকৰা ছাত্ৰ-ছাত্ৰী সকলে যাতে গুণগত শিক্ষা লাভ কৰিব পাৰে সেই উদ্দেশ্যে এই ডি কিউ এম এই পদটোত সৰ্বশিক্ষাই অনুমোদন জনাইছিল। ইয়াৰ অবজেক্টিভটো সাময়িক আছিল। অৰ্থাৎ বিদ্যালয় শিক্ষাৰ পৰা বঞ্চিত ছাত্ৰ-ছাত্ৰী সকলক বিদ্যালয়লৈ অনা আৰু তেওঁলোকক বিদ্যালয়

শিক্ষাৰ দ্বাৰা ষ্ট্ৰীম লাইন কৰা। আমি ষ্ট্ৰীম লাইন কৰাৰ পিছত দায়িত্বটো শেষ হয়। গতিকে এই খিনি ডি কিউ এম সম্পুৰ্ণ ঠিকাভিত্তিক নিযুক্তি আৰু তেওঁলোক সমগ্ৰ প্ৰজেক্টটোৰ কৰ্মচাৰী নহয়। তেওঁলোক স্কীমেটিক। গতিকে স্কীম যেতিয়ালৈকে চলিব তেতিয়ালৈকে তেওঁলোকৰ চাকৰি থাকিব। সেইবাবে তেখেতে সকলক ছয় ৰ পৰা এঘাৰ মাহ পৰ্যন্ত পৰ্য্যায়ক্ৰমে নিযুক্তি প্ৰদান কৰা হৈছিল। গতিকে তেওঁলোক সৰ্বশিক্ষাৰ এছ আৰ বা এফ আৰৰ অন্তৰ্ভুক্ত নহয়। যদিও এই ডি কিউ এম সকলক সৰ্বশিক্ষাৰ অন্যান্য কৰ্মচাৰীৰ দৰে এছ আৰ বা এফ আৰ কৰি নিয়মীয়াকৰণ কৰাৰ বাবে দাবী কৰি আহিছে, বৰ্তমান এই বিষয়টো পৰীক্ষা কৰি থকা হৈছে আৰু চৰকাৰে নিশ্চয় বিবেচনা কৰিব। ধন্যবাদ।

মাননীয় অধ্যক্ষ ঃ দ্বিতীয় চাপ্লিমেন্টৰী ।

**শ্ৰী নজৰুল হক, (ধুবুৰী)** ঃ মন্ত্ৰী মহোদয়ক উত্তৰৰ বাবে ধন্যবাদ জনাইছো । প্ৰায় ২০০৬ চনৰ পৰা এই ডি কিউ এম সকল নিয়োজিত হৈ আহিছে । ইয়াত যি এছ আৰ বা এফ আৰ ৰ কথা কৈছে সেইটো ভাল কথা আৰু এফ আৰ হ'ল ফাইনেঞ্চিয়েল ৰুল । চৰকাৰে এই এছ আৰ বা এফ আৰৰ দ্বাৰা এই ডি কিউ এম সকলৰ চাকৰি নিয়মীয়াকৰণ হয়, তাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী মহোদয় ।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী)ঃ** উত্তৰটো মই ইতিমধ্যে জনাইছো। মই পুনৰ দোহাৰিম যে এই সকলক নিয়োগ কৰোঁতে ঠিকা ভিত্তিক সম্পূৰ্ণ অস্থায়ীৰূপে নিয়োগ কৰা হৈছে । এই বিষয়টো চাব লাগিব ।

**মাননীয় অধ্যক্ষ** ঃ কমলাক্ষ দে পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** অধ্যক্ষ মহোদয় মই আপোনাৰ যোগেদি মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে অসম সৰ্বশিক্ষা মিচনৰ অধীনত নিয়োজিত ডি কিউ এম পদ খিনি বৰ্তমানলৈ এছ আৰ বা এফ আৰৰ অধীনত অহা নাই। আৰ অ' পি ৰ অধীনত যিখিনি কৰ্মচাৰী আহিছিল তেওঁলোকে ১-০৭-২০২০ আৰু ২০২১ চনৰ পৰা এঘাৰ শতাংশ আৰু তেৰ শতাংশ যি ডি এ আছিল সেইটো পোৱা নাই। সেয়েহে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে যি সকল কৰ্মচাৰী আৰ অ' পি ৰ অধীনত আহিছে তেওঁলোকক পাবলগীয়া ধন খিনি পোৱাৰ ব্যৱস্থা কৰিব লাগে আৰু আৰ এছ টি এছ কৰ্মচাৰী খিনিৰ ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে সেই সম্পৰ্কে মন্ত্ৰী মহোদয়ৰ পৰা স্পষ্ট ভাবে জানিব বিচাৰিছো ।

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী মহোদয় ।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী) ঃ** আৰ এছ টি এছ ৰ অধীনত বিদ্যালয় বহিৰ্ভূত ছাত্ৰ-ছাত্ৰী সকলৰ বাবে দুটা ব্যৱস্থা কৰা হৈছিল। এটা Residential and non-residential নগৰাঞ্চল বিলাক, মূলত non-residential ব্যৱস্থা কৰা হৈছে । ইয়াত যি সকল কৰ্মচাৰী আৰু পৰিচৰ্য্যাকাৰী আছে, যি সকল ভলন্টিয়াৰ আছে তেওঁলোকৰ চাৰ্ভিচটো সম্পূৰ্ণ ঠিকাভিত্তিক আঁচনিৰ অন্তৰ্গত। গতিকে প্ৰতি বছৰে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে এই চাকৰি বিলাক ৰিনিউ কৰি থাকে। এই চাকৰিবিলাক নিৰবধি চাকৰি নহয়। স্কীম বিলাকে অনুমোদন লাভ কৰাৰ লগে লগে কৰ্মচাৰী সকলৰ চাকৰিকাল বৃদ্ধি হয় এই চাকৰি বিলাক এনেধৰণে চলি আছে আৰু এনে ধৰণে চলি থাকিব। বাকী সকল কৰ্মচাৰীৰ ডি এ প্ৰদান প্ৰসংগটো চৰকাৰৰ বিবেচনাধীন হৈ আছে ।

**শ্ৰী আব্দুৰ ৰহিম আহমেদ, (বৰপেটা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সৰ্বশিক্ষা অভিযানৰ লগত জড়িত আমাৰ যিসকল কম্পিউটাৰ ইঞ্জিনিয়াৰ District programmer, Block MIS

Co-ordinator এওঁলোকে আজি গোটেই শিক্ষা বিভাগটোৰ লগত কেৱল সৰ্বশিক্ষাই নহয়, যিমান data entry পৰা কাম কাজ আছে, গোটেইখিনি বহু কষ্টৰে চলাই আছে। সময়ে সময়ে চৰকাৰে তেওঁলোকৰ পদ বিলাক নিয়মীয়াকৰণৰ কৰাৰ বাবে আশ্বাস দি আহিছে। গতিকে মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক সুধিব বিচাৰিছো যে, District programmer, Block MIS Co-ordinator পদ সমূহ চৰকাৰে নিয়মীয়াকৰণৰ কথা কিবা চিন্তা কৰিছে নেকি ?

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সমগ্ৰ শিক্ষা অভিযান মানে হ'ল Mission. Mission বুলি শব্দটো যেতিয়াই থাকে তাৰ এটা নিৰ্দিষ্ট লক্ষ্য আছে। সেইটো অনিৰ্দিষ্ট কাললৈ চলি থকা অসম চৰকাৰৰ নিয়মীয়া চাকৰি নহয় বা Mission টোৰ এটা নিৰ্দিষ্ট সীমাবদ্ধতা আছে। গতিকে যিমান বিলাক Mission আছে, সেইবোৰ এদিন নহয় এদিন শেষ হ'ব, এইটো নিৰ্ধাৰিত কথা। অভিযান শেষ নোহোৱা অভিযানটো কেনেকুৱা অভিযান হ'ব। এইটো অভিযানে নহয়। লক্ষ্যপ্ৰাপ্তি কোনো দিনে নহ'ব। লক্ষ্য প্ৰাপ্তি হ'ব লাগিব সেইটো হে সফল Mission. গতিকে এইটো সৰ্বশিক্ষা Mission. গতিকে লক্ষ্য প্ৰাপ্তি হ'ব লাগিব। যিদিনাখন লক্ষ্য প্ৰাপ্তি হ'ব সেইদিনাখন Mission টোৰ অন্ত পৰিব। আমি সফলতাৰে ক'ব পাৰিম যে আমি যি লক্ষ্য স্থিৰ কৰিছিলো তাত আমি উপনীত হ'লো। এতিয়া তাৰ মাজত যি সকল কৰ্মচাৰী আজি তেওঁলোক আছে প্ৰজেক্টৰ তেওঁলোকৰ দায়িত্ব চৰকাৰে লৈ আছে আৰু চৰকাৰে কৈছে যে, আমি ৬০ বছৰ পৰ্য্যন্ত আপোনালোকক প্ৰায় নিয়মীত ভাবে চাকৰি নিশ্চিত কৰিছো। কিন্তু যিখিনি আঁচনিৰ অধীনত আছে, তেওঁলোকৰ ক্ষেত্ৰত নহয়। যি বিলাক নিৰ্দিষ্ট অধীনত আকৌ আঁচনি আৰু উপ-আঁচনিৰ অধীনত আছে তেওঁলোকৰ ক্ষেত্ৰত এইটো প্ৰযোজ্য নহয়। চৰকাৰখনে দায়বদ্ধতাৰে কাম কৰিছে, কাৰোবাৰ সেৱা এবাৰ লোৱাৰ পিছত তেখেতক পেলাই দিয়া বা তেখেতক উলিয়াই দিয়া তেনেকুৱা এটা নীতিত চৰকাৰখন নাই। কিন্তু চৰকাৰখন সংস্থাপিত কৰিব পৰা অৱস্থাৰ মাজত থাকিব লাগিব। যেতিয়া চৰকাৰখন সংস্থাপিত কৰিব পৰা অৱস্থাৰ মাজত আছে, বিত্তীয় ব্যৱস্থাপনা আমাক অনুমোদন কৰিছে, তেতিয়াই চৰকাৰখনে এই কৰ্মচাৰী সকলৰ পক্ষত ভাল ভাল সিদ্ধান্ত গ্ৰহণ কৰি আছে আৰু ভৱিষ্যতৰ কাৰণেও মই সকলোকে সুনিশ্চিতি দিব বিচাৰিছো যে অনাহকত অপ্ৰয়োজনীয় ভাবে কাৰোবাৰ সেৱা লৈ তেখেতক নস্যাৎ কৰি নিদিয়ে, এইটো চৰকাৰৰ নীতি নহয়। বৰঞ্চ তেখেতৰ সেৱাৰ উচিত মান্যতা প্ৰদান কৰাটো হে চৰকাৰখনৰ নীতি। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** প্ৰশ্ন নম্বৰ ৪৪। শ্ৰী দিগন্ত কলিতা।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মাননীয় মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী দিগন্ত কলিতা, (কমলপুৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, কমলপুৰ সমষ্টিৰ এটা সমস্যা সম্পৰ্কে আজি মাননীয় মন্ত্ৰী মহোদয়ক মই প্ৰশ্ন এটা কৰিছিলো। মোৰ প্ৰশ্নটো বিভাগীয় মন্ত্ৰীৰ ওপৰত বিশেষকৈ নাই। নিৰ্বাচনৰ পিছত জুন মাহ মানত মাননীয় চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়া আমাৰ সমষ্টিলৈ গৈছিল। সেই সময়ত ক'ভিডৰ সমস্যা আছিল লগত তেখেত সকলৰ প্ৰধান সচিব উদ্যোগ বিভাগ, ড° দ্বিবেদী ডাঙৰীয়াও আছিল। আমি বহি থাকোতে হঠাৎ তেখেতক মই প্ৰশ্ন সুধিছিলো যে আমাৰ বহু দিনৰ পৰা SAIL ৰ প্ৰায় ৭৫ বিঘা মাটি 'দ গাওঁত' পৰি আছে, সেইখিনি ১৯৯১-১৯৯২ চনতে দিয়া হৈছিল আৰু উদ্যোগটোও হৈছিল। কিন্তু দুৰ্ভাগ্যবশত সেই উদ্যোগটো ফলপ্ৰসূ

নহ'ল। এই ৭৫ বিঘা মাটি বাইহাটা চাৰিআলিৰ পৰা ১০ কিঃমিঃ ওচৰতে বুলি মই যেতিয়া তেখেতক কৈছিলো, তেতিয়া দ্বিবেদী ডাঙৰীয়াই মোক কৈছিল যে SAIL য়ে এই মাটিখিনি অসম চৰকাৰক হস্তান্তৰ কৰাৰ পৰিবেশ হৈছে। অতি সোনকালে SAIL থকা যি বিলাক scrap আছে আৰু যি বিলাক মূল্যবান scrap আছে, সেই বিলাক লৈ যোৱাৰ ব্যৱস্থা কৰিব লাগে। মই কৈছো লৈ যাওঁক। তেতিয়া তেখেতে ক'লে যে, আমাৰ স্থানীয় জনসাধাৰণে সেইখিনি নিব নিদিয়ে। মই কৈছো, মই নিজে থাকিম আৰু এদিন মই নিজে উপস্থিত হ'লো, বহুত হুলস্থূল হ'ল, কিন্তু মানুহখিনিয়ে পিছত মানি ল'লে। মই ক'লো যে, এনেকুৱা এটা পৰ্য্যায়ত থাকিলে কাৰো নহ'বগে। তাৰ পিছত তেখেত সকলে মানি ল'লে আৰু হঠাৎ এদিন SAIL ৰ লগত আমি যোগাযোগ কৰিলো। তাত Mr. Brahma বুলি এজন অফিচাৰ আছিল তেওঁকো ক'লো আমি এদিন বা দুদিনৰ ভিতৰত যাম। মই ৰৈ আছো, তেওঁলোকে আহিল আৰু সেইদিনা লৈ গ'ল। তাৰ পিছত জুলাই মাহৰ পৰা আজিলৈকে তেখেত সকলৰ খবৰ নাই SAIL ৰ আজি প্ৰায় ডিচেম্বৰ মাহ পাৰ হৈ গ'ল। মোৰ প্ৰশ্নটো বিভাগৰ ওপৰত নাই, মোৰ কথাটো হ'ল যে, কেতিয়া এইখিনি লৈ যাব। চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়াই মোক অন্য এটা উদ্যোগ কৰি দিম বুলি কৈছে। মই মন্ত্ৰী ডাঙৰীয়াৰ পৰা ক'ব লগীয়া নাই, খালী SAIL ক মই তাৰ পিছত ৩ পৰা ৪ বাৰ যোগাযোগ কৰিছো কোনো ধৰণৰ গুৰুত্ব দিয়া নাই। এইখিনি সোনকালে লৈ আমাক ঠাইখিনি খালী কৰি দিব লাগে। ধন্যবাদ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰী দিগন্ত কলিতা ডাঙৰীয়াই মোৰ লগত যোগাযোগ কৰি আছে আৰু বিভাগৰ লগতে বিষয়া সকলৰ লগত যোগাযোগ কৰি আছে। গতিকে আমি ইতিমধ্যে SAIL ক চিঠি লিখিলো। তেওঁলোকৰ যিখিনি মেচিন আছে লৈ যাব লাগে। যিহেতু তেওঁলোকে ইউনিটো কাৰ্য্যক্ষম নকৰিলে। কলিতা ডাঙৰীয়াৰ উপস্থিতিত তেওঁলোকৰ scrap যিখিনি আছে, সেইখিনি লৈ গৈছে আৰু কিছু বাকী আছে। সেইখিনিও লৈ যাব। আমি SAIL ক চিঠি লিখিছো আপোনালোকে মাটিখিনি ঘূৰাই দিব লাগে এইখিনি অসম চৰকাৰে আপোনালোকক দিছিল। মাটিখিনি ঘূৰাই দিলে আমি এটা অন্য উদ্যোগৰ কাৰণে প্ৰস্তাৱ কৰিছো আৰু তেনেকুৱা ধৰণৰেই উদ্যোগ হ'ব আৰু তাতে সন্মতিও দিছে। মই ডুবাই export লৈ যাওঁতে আমাৰ কেন্দ্ৰীয় steel মন্ত্ৰীকো লগ পাইছিলো, তেখেতক মই ব্যক্তিগত ভাবে কথাটো ক'লো যে আপোনালোকে galvanize industry টোও নকৰিলে আৰু মাটিখিনিও আমাক হস্তান্তৰ নকৰে গতিকে এইটো ঠিক কথা হোৱা নাই। তেখেতে কৈছে আমি আমাৰ বিভাগক কথাখিনি কম। তেখেতে কৈছে যে আমাক মাটিখিনি অতি সোনকালে হস্তান্তৰ কৰিব। সেই মাটি খিনি আমি উদ্যোগ বিভাগে অন্য উদ্যোগক আৱন্টন কৰিব পাৰিম। সেই মাটিখিনিৰ কাৰণে কেইবাটাও উদ্যোগে আমাৰ লগত যোগাযোগ কৰি আছে, গতিকে মই ভাবো দিগন্ত কলিতা ডাঙৰীয়াৰ যিটো কথা সেইটোত মই একমত। মই নিজে steel মন্ত্ৰীৰ লগত আকৌ এবাৰ আলোচনা কৰিম।

**শ্ৰী দিগন্ত কলিতা, (কমলপুৰ)**ঃ মাননীয় অধ্যক্ষ মহোদয়, এটা নিৰ্দিষ্ট সময়সীমা বান্ধি দিলে ভাল হয়।

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী ডাঙৰীয়াই আলোচনা কৰিম বুলি কৈছে। এতিয়া মাননীয় সদস্য শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পশ্চিম গুৱাহাটী)**ঃ মাননীয় অধ্যক্ষ মহোদয়, 'দ গাওঁত' যিটো galvanize industry কৰাৰ সিদ্ধান্ত লৈছিল আৰু কামো আৰম্ভ হৈছিল, এতিয়া SAIL য়ে

যিটো galvanize unit কৰিছিল, এইটো SAIL য়ে নকৰাৰ কাৰণটো কি? এই SAIL য়ে যিটো উদ্যোগ লৈছিল, সেই উদ্যোগটো কিছু কাম কৰাৰ পিছত এইটো বন্ধ হোৱাৰ কাৰণ কি? কাৰণ এনেকুৱা ধৰণৰ এটা উদ্যোগ অসমত যথেষ্ট ভাবে প্ৰয়োজন আছিল, গতিকে সেই উদ্যোগটো নোহাৱাৰ কাৰণ নিশ্চয় থাকিব লাগিব। গতিকে কাৰণটো প্ৰথমে আমি জানিব বিচাৰিছোযে কি কাৰণত সেই steel industry টোৰ galvanize unit টো নহ'ল। গতিকে এতিয়া যদি সেইটো নহয়, তেতিয়া হ'লে আজি প্ৰায় ৩০ বছৰ হৈ গ'ল। SAIL ৰ হাতত মাটিখিনি আছে গতিকে মাটিখিনি হস্তান্তৰ কৰোতে আজি ইমান বছৰ লাগিল কিয়।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কথাটো হ'ল আমাৰ ১৯৯৭ ত তদানীন্তন দেবগৌড়া প্ৰধান মন্ত্ৰী হৈ থকা অৱস্থাত বীৰেণ বৈশ্য ডাঙৰীয়া steel মন্ত্ৰী আছিল। তেতিয়া 'দ গাওঁত' এইটো উদ্যোগ hot de-galvaning unit SAIL ৰ দ্বাৰা কৰা এটা ব্যৱস্থা কৰিছিল। আধাৰ শিলা স্থাপন হ'ল কিছুমান মেচিন আনি কামটো কৰিলে। তদানীন্তন দেবগৌড়া প্ৰধান মন্ত্ৰী চৰকাৰ শেষ হ'ল আৰু নতুন চৰকাৰ হ'ল, নতুন মন্ত্ৰী আহিল। নতুন মন্ত্ৰী আহি এই বিষয়টো কিয় নহ'ল, চৰকাৰে কি বিবেচনা কৰিলে, কেন্দ্ৰীয় চৰকাৰে কি বিবেচনা কৰিলে, যিহেতু SAIL কেন্দ্ৰীয় চৰকাৰৰ অধীনত। পৰৱৰ্ত্তী দিনত ১৫ বছৰ আমি চৰকাৰত নায়েই। গতিকে **১৫** বছৰ এই কথাটোত কোনো গুৰুত্ব দিয়া নহ'ল আৰু গুৰুত্ব দিয়া নোহোৱাৰ পিছত **২০১৬** চনত যেতিয়া আমি চৰকাৰলৈ আহিলো তেতিয়া আমি এই কথাখিনি Steel Authority ৰ লগত টেক আপ কৰিছিলো আৰু টেকআপ কৰাৰ পিছত তেওঁলোকে ক'লে যে এইটো এতিয়া ভাইয়েবল নহয় গতিকে আমি এতিয়া সেইটো নকৰো। তেতিয়া আমি ক'লো যে যদি ভাইয়েবল নহয় তেনেহ'লে মাটিখিনি আমাক ঘূৰাই দি তেওঁলোকে বস্তুখিনি লৈ যাওঁক। মাননীয় সদস্য শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই যিটো কথা কৈছে যে ইমান দেৰি কিয় হ'ল? ইয়াৰ আগতে শ্ৰী সত্যব্ৰত কলিতা ডাঙৰীয়া বিধায়ক হৈ থাকোতেও এই প্ৰশ্নটো উত্থাপন কৰিছিল। তেওঁলোকক বস্তুখিনি যেতিয়া লৈ যাবলৈ দিয়া হ'ল, তাৰ স্থানীয় মানুহে বস্তুখিনি লৈ যাবলৈ নিদিয়ে। তাত স্থানীয় ৰাইজ আৰু SAIL ৰ মাজত এটা সংঘাত হৈ থাকিল। সেইকাৰণে বিষয়টো delay হৈ থাকিল। তাৰ পিছত মাননীয় সদস্য শ্ৰী দিগন্ত কলিতা ডাঙৰীয়া বিধায়ক হৈ অহাৰ পিছত ক'লে যে ঠিক আছে মানুহখিনিয়ে যদি নিব নিদিয়ে মোৰ সমষ্টি মই টেকআপ কৰিম। গতিকে তেখেতে নিজে টেকআপ কৰি মানুহখিনিক গৈ বুজালে যে বস্তুখিনি লৈ যাবলৈ দিব লাগে আৰু same industry এটা ইয়াত নিৰ্মাণ কৰিম। industry টো হ'লে ইয়াত কমেও ৫০০-৬০০ ল'ৰাৰ চাকৰি হ'ব। তেখেতে নিজে উপস্থিত থাকি সেই বস্তু কিছুমান লৈ যাবলৈ দিলে। কিছুমান এতিয়ালৈকে নিয়া নাই। কিন্তু মাটিখিনিত আমি এতিয়া অন্য উদ্যোগ কৰাৰ কাৰণে ইতিমধ্যে চিন্তা-চৰ্চ্চা কৰিছো। এই কথাটো দিগন্ত কলিতা ডাঙৰীয়াই জানে। মাটিখিনি SAIL য়ে আমাক দি দিয়াৰ লগে লগে ইয়াৰ ওপৰত আমি ব্যৱস্থা লম। আপোনাৰ তাত বহুকেইটা উদ্যোগৰ এপ্ৰোচ কৰিছে। সেইকাৰণে মই ডিটেইলচ্‌ত যাব খোজা নাই। গতিকে এতিয়া আমি মাটিখিনি তেওঁলোকৰ পৰা বিচাৰিছো আৰু এই সম্পৰ্কত মই নিজে আৰু এবাৰ ব্যৱস্থা লৈ মাটিখিনি লোৱাৰ ব্যৱস্থা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য আবুল কালাম।

**আবুল কালাম ৰশিদ আলম, (গোৱালপাৰা পূৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, পাৰ্টিচ এণ্ড পেপাৰ মিল ইয়াত শ-শ বিঘা মাটি আছে।

**माननीय अध्यक्ष ঃ** এই বিষয়ে আপুনি যেতিয়া লাঞ্চ ব্ৰেক হ'ব তাত কথা পাতি ল'ব। এতিয়া Õ‡ ±ôÂ UËåÿÃÃ, ›¶ŸòÑ ৪৫।

**ডাঃ ৰণোজ পেগু, (শিক্ষা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰীআশ্ৰাফুল হুছেইন, (চেঙা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে খুব আন্তৰিকতা সহকাৰে উত্তৰবোৰ দিছে। মই ভাল পাইছো। কিন্তু আমাৰ প্ৰথমটো প্ৰশ্ন আছিল চেঙা সমষ্টিৰ **১** কিলোমিটাৰৰ ভিতৰত নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক কোন কোন ঠাইত নাই তাৰ তথ্য আমি বিচাৰিছিলো। মাননীয় অধ্যক্ষ মহোদয়, ইয়াত চেঙা ব্লকৰ অধীনত এখন গাওঁ বা এটা হেবিটেশ্যনৰ নাম উল্লেখ কৰিছে নিম্ন প্ৰাথমিক নাই বুলি। উচ্চ প্ৰাথমিক বিদ্যালয় নাই বুলি চাৰিটা হেবিটেশ্যনৰ কথা উল্লেখ কৰিছে। কিন্তু প্ৰকৃতাৰ্থত মাননীয় অধ্যক্ষ মহোদয়, চেঙা সমষ্টিৰ চেঙা আৰু বৰপেটা এই দুটা ব্লকৰ অধীনত ছয় খন হেবিটেশ্যনত এক কিলোমিটাৰ বা তাতকৈ বেছি এলেকাৰ ব্যাসাৰ্ধত প্ৰাথমিক বিদ্যালয় নাই আৰু আমাৰ ক্ষেত্ৰত ব্যক্তিগতভাৱে সমষ্টিৰ বিধায়ক হিচাপে আমি যিমান খিনি জানো **১৫** খন ঠাইত উচ্চ প্ৰাথমিক বিদ্যালয় নাই। মই তালিকাখন মন্ত্ৰী মহোদয়ক দি দিম। গতিকে এই যে ইমান এলেকাত বিদ্যালয় নাই তাৰ প্ৰভাৱ কেনেকৈ পৰিছে সেই কথাটো অলপ বুজাই দিব বিচাৰিছো। এই যিখিনি এলেকাৰ কথা মই কৈছো এইটো **৩০১** ত আছিল। এই পৰিস্থিতিৰ কথাটো নক'লে সদনে বুজি নাপাব। ক্লাচ ওৱানত এই এলেকা সমূহত **২৫১৯** জন ছাত্ৰ-ছাত্ৰী enrollment হয় আৰু ক্লাচ টেনত ওলায় **৪৫৩** অৰ্থাৎ **১৭** শতাংশ। গতিকে মাননীয় অধ্যক্ষ মহোদয়, মোৰ এই বৃহত্তৰ চাৰি-পাঁচখন পঞ্চায়তত ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰে যিকেইখন গাওঁ আছে, এই কেইখন গাওঁৰ ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে বিদ্যালয় প্ৰতিষ্ঠা বা বিদ্যালয় স্থানান্তৰ বা অন্য কোনো বিকল্প ব্যৱস্থা লৈ যাতে **১০০** শতাংশ শিক্ষাৰ ব্যৱস্থা কৰিব পাৰে, তাৰ বাবে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনলো।

**ডাঃ ৰণোজ পেগু (শিক্ষা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰী আশ্ৰাফুল হুছেইন ডাঙৰীয়াই ক, খ, গ, ঘ, ঙ, চ, ছ বুলি এটা প্ৰশ্নতে আচলতে ছয়-সাতটা প্ৰশ্ন সন্নিবিষ্ট কৰিছে আৰু উত্তৰ সমূহো তেওঁ সেইমতে পাইছে। কিন্তু যিটো নৰ্মচ ঠিক কৰা হৈছিল যে এক কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰত এখন বিদ্যালয় অনুষ্ঠিত হ'ব লাগে, এই এক কিলোমিটাৰৰ যিটো পেৰা মিটাৰ আছে, এই পেৰা মিটাৰটো প্ৰকৃততে অন্য বিষয় বিলাকৰ পৰা ইয়াত বিচ্ছিন্ন ভাৱে বুজিলে নহ'ব। ইয়াক বুজিব লাগিব অন্যান্য কেইটামান আনুসংগিক বিষয় যে হেবিটেশ্যনটোত ত পপুলেশ্যন কিমান আছে?

দ্বিতীয়তে , এই নিদিষ্ট এল পি স্কুলত পঢ়িব লগা এইজ গ্ৰুপৰ ভিতৰত ছাত্ৰ-ছাত্ৰী কিমান আছে?

তৃতীয়তে, তাত বিদ্যালয় এখন প্ৰতিষ্ঠা কৰিব পৰা চুইটেবিলিটি আছে নে নাই? লগতে suitable মাটি for construction of a school building এই গোটেইখিনি আছে নে নাই? সামগ্ৰিক ভাৱে এই গোটেই কথাখিনি বিচাৰ বিবেচনা কৰিব লাগিব আৰু এই গোটেই কথাখিনি বিচাৰ-বিবেচনা কৰাৰ বাবে তেখেতে তালিকাখন আমাক দিছে। আমি ইতিমধ্যে জনাইছো যে আমি এই বিষয়টো পৰীক্ষা কৰি চাম। তাত যদি বছৰৰ **১২** টা মাহৰ বেছিভাগ সময় বিদ্যালয় . এখন নিৰ্মাণ কৰি চলাব পৰা অৱস্থা আছে নে নাই সেইখিনি কথাও আমি পৰীক্ষা কৰি লম। তাত আমি জলসম্পদ বিভাগ আৰু পি. ডব্লিউ. ডি বিভাগৰ পৰাও প্ৰতিবেদন লম আৰু তাৰ পিছত হে আমি এটা সিদ্ধান্ত গ্ৰহণ কৰিম। যিসকল ছাত্ৰ-ছাত্ৰীৰ বিষয়ে তেখেতে যি অলটাৰনেটিভৰ কথা

কৈছে, যে বিদ্যালয় বহিঃর্ভূত অর্থাৎ যিসকল ছাত্র-ছাত্রী বিদ্যালয়ৰ পৰা বঞ্চিত হৈছে বা বিদ্যালয়ত নাম ভৰ্ত্তি কৰিব পৰা নাই তেওঁলোকৰ কাৰণে সমগ্ৰ শিক্ষাই বিকল্প ব্যৱস্থা কৰি ৰাখিছে আৰু সেই বিকল্প ব্যৱস্থাটোৱে হ'ল, তেখেতে যিটো উল্লেখ কৰিছে অন্য এটা sub question **ৰ অধীনত যে** RSTC (Residential Special Training Centre) আৰু Special Residential Training সমূহৰ জৰিয়তে এই out of school children ছাত্ৰ-ছাত্ৰী সকলক চৰকাৰখনে শিক্ষা দিয়ে আৰু তাত Education Volunteer নিয়োগ কৰে। ক'ৰবাত ভাৰাঘৰ লৈ হ'লেও আমি এই ছাত্ৰ-ছাত্ৰী সকলক ৰাখি তেওঁলোকক শিক্ষাদান কৰি আছো আৰু প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ কাৰণে প্ৰতিদিনে ৪০ টকাকৈ চৰকাৰখনে সমগ্ৰ শিক্ষাৰ অধীনত খৰছ কৰে। এনে RSTC চেঙা সমষ্টিটো আছে। মই সেইদিনা কৰিমগঞ্জ জিলালৈ যাওঁতে ৰাটাবাৰীত ৰাতি ১০ বজাত হঠাৎ মোৰ গাড়ীখন কিছু সংখ্যক শিশুৱে ৰাখিলে। লগত কিছু অভিভাৱকো আছিল। গাড়ীখন ৰখাই মই তেওঁলোকৰ তাত যাওঁতে সেইটো ৰাটাবাৰী সমষ্টিৰ RSTC আছিল আৰু RSTC ত গৈ তাত কণ কণ শিশুৱে সুন্দৰভাৱে শিক্ষা গ্ৰহণ কৰা মই নিজ চকুৰে দেখি আহিছো। None-Residential RSTC ও আছে। None-Residential Special Training Centre ও আছে। গতিকে Right to Education যিটো mandate আছে যে বিনামূলীয়া আৰু সাৰ্ব্বজনীন শিক্ষা প্ৰদান কৰা। বিনামূলীয়া আৰু সাৰ্ব্বজনীন শিক্ষা প্ৰদান কৰাৰ কাৰণে আমি ব্যৱস্থা গ্ৰহণ কৰিছো আৰু বিশেষকৈ মাইনৰিটি এলেকাত SC,ST, OBC student য'ত বেছি আছে, তাত ছোৱালী ছাত্ৰী শিক্ষাৰ পৰা বহু ধৰণেৰে বঞ্চিত। গতিকে বঞ্চিত হোৱা বা মাৰ্জিনেলাইজ হোৱা যিখিনি ছোৱালী ছাত্ৰী আছে, তেওঁলোকৰ কাৰণে কস্তুৰবা গান্ধী বালিকা বিদ্যালয় বিভিন্ন educationally backward block বিলাকত প্ৰতিষ্ঠা কৰা হৈছে আৰু কস্তুৰবা গান্ধী বালিকা বিদ্যালয় চেঙা সমষ্টিতো চলি আছে। ইয়াৰ বিভিন্ন কাৰণ যি স্থায়ী বিল্ডিং আছিল, সেইটোৰ কথা সন্মানীয় সদস্য গৰাকীয়ে তেখেতৰ প্ৰশ্নত উল্লেখ কৰিছে আৰু তাৰ উত্তৰো পাইছে। বৰ্তমান বিল্ডিঙৰ নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিছে। কিন্তু এই কস্তুৰবা গান্ধী বালিকা বিদ্যালয়ৰ জৰিয়তে out of school ৰ ছাত্ৰীসকলকো বিশেষভাৱে শিক্ষা দান কৰা হৈছে। প্ৰায় ১০০ জনী ছাত্ৰী থাকিব পৰা ছাত্ৰী নিবাস এতিয়া তেখেতৰ সমষ্টিত নিৰ্মাণ সম্পূৰ্ণ হৈছে। সেই ছাত্ৰী নিবাসটোৱে অঞ্চলটোৰ বিভিন্ন সমস্যা, তেওঁলোকৰ ছাত্ৰী সকলক ছাত্ৰী নিবাসত ৰাখি শিক্ষা দান কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াব।

মই মূল কথালৈ আহো যে যদি নিৰ্দিষ্ট ভাৱে কোনো অঞ্চলত habitation আছে, polulation আছে, suitable land আছে শিক্ষানুষ্ঠান প্ৰতিষ্ঠা কৰাৰ বাবে, নিশ্চিত ভাৱে Right to Education Act. ৰ অধীনত আমি এনেকুৱা ধৰণৰ বিদ্যালয় প্ৰতিষ্ঠা কৰিম। কিন্তু ইয়াৰ কাৰণে সকলো কেইটা condition fulfill হ'ব লাগিব, তেতিয়াহে এই ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰিম। তাত যদি LP school আছে, সেইখন ME School লৈ উন্নীতকৰণ কৰিব পাৰো। High school ৰ ক্ষেত্ৰত য'ত আমাৰ ME School আছে, তাত আমি High School উন্নীতকৰণ কৰি সমস্যা দূৰ কৰিব পাৰো। য'ত আমাৰ High School আছে Higher Secondary নাই, সেই high school খন Higher Secondary লৈ উন্নীত কৰিব পাৰিম। এই গোটেই কথাখিনি চিন্তা কৰোতে আপোনালোকে এটা কথা চিন্তা কৰিব, আমি সমষ্টি কেন্দ্ৰীক, block কেন্দ্ৰীক চিন্তাটো কৰা অনুচিত, এই কাৰণে যদি আমাৰ এটা block ৰ কাষতে যদি সুবিধাটো আছে, আনটো block ত সুবিধাখিনি নাই, প্ৰত্যেক block তে হ'ব লাগিব, এনেকুৱা

কোনো ধৰণৰ কথা নাই। মোৰ কাষৰ সমষ্টিটোত থকা শিক্ষানুষ্ঠানটোৱে মোৰ সমষ্টিটোৰ যদি সেৱা আগবঢ়াই আছে, তেনেহলে মোৰ সমষ্টিৰ ছাত্ৰ-ছাত্ৰীসকলে কাষৰ সমষ্টিত যদি শিক্ষাদান পাই আছে, আচুতীয়াকৈ মোৰ সমষ্টিত এখন কলেজ নাই বা কলেজ লাগিব, হাইস্কুল লাগিব, হায়াৰ চেকেণ্ডাৰী লাগিব, এনেধৰণৰ আমি চিন্তা কৰা উচিত নহয়, দেশ একেখনে। দূৰত্বতো যেতিয়া আমি চাম যে ওচৰৰ বাকী block হওঁক বা সমষ্টিয়ে হওঁক, সেইখিনিকো সামৰি আমি দূৰত্বৰ কথাটো বিবেচনা কৰিম।

চৰ অঞ্চল বা পাহাৰীয়া অঞ্চল বিলাক suitability হয়ে নে নহয়, সেইটো চাব লাগিব। আজি চৰ অঞ্চলত এখন বিদ্যালয় বনালো, সেই অঞ্চলটো বানপানী বা গৰাখহনীয়াৰ দ্বাৰা আক্ৰান্ত হ'ল, সেই সমস্যাটো সমাধান নহয়। গতিকে আমি এনেকুৱা অঞ্চল বিবেচনা কৰিব লাগিব যি অঞ্চল বানপানী আৰু গৰাখহনীয়াৰ পৰা মুক্ত। আজি চৰকাৰখনে investment এটা কৰিব, investment ৰ durability থাকিব লাগিব। এই বছৰ investment কৰিলো, অহা বছৰ গৰাখহনীয়া বা বানপানীৰ দ্বাৰা আক্ৰান্ত হ'ল। সেইটো ভুল সিদ্ধান্ত হ'ল। এতেকে কৈছো যে বিদ্যালয় এখন প্ৰতিষ্ঠা কৰাৰ কাৰণে বিশেষকৈ চৰ অঞ্চল বা পাহাৰীয়া অঞ্চলত land ৰ suitability টো আমি পৰীক্ষা কৰি ল'ব লাগিব। আৰু land ৰ suitability টো পৰীক্ষা নকৰাকৈ আমাৰ assest টো durability টো কিমান দিনলৈ বৰ্তী থাকিব পৰা হ'ব, সেইটো আমি বিবেচনা নকৰাকৈ আমি এটা সিদ্ধান্ত লোৱাৰ ক্ষেত্ৰত অসুবিধা হ'ব। তথাপিতো মই মাননীয় সদস্য গৰাকীক জনাব বিচাৰিছো তেখেতে গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰিছে Right to Education Act ৰ অধীনত আমি এইখিনি বিবেচনা কৰিম বুলি মই তেখেতক জনাইছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰীঅশ্ৰাফুল হুছেইন, (চেঙা) ঃ** মন্ত্ৰী মহোদয়ে উত্তৰ দিছে, ঠিকে আছে। মই কেৱল বিচাৰিম যে আমাৰ ওচৰত যি তালিকা আছে তাৰ উচ্চ পৰ্য্যায়ৰ এক ক্ষেত্ৰ ভিত্তিক অধ্যয়ন কৰা হওঁক আৰু suitability land , communication সকলো কথাটো নিমিলিব ।

মোৰ দ্বিতীয় supplementary হ'ল যে চেঙা সমষ্টিত দক্ষিনে প্ৰায় চাৰি পাচঁখন গাঁও পঞ্চায়তত ৫০ হাজাৰতকৈ বেছি জনসংখ্যা আছে। তাত এখনো হাইস্কুলৰ ওপৰত বিদ্যালয় নাই। ইয়াৰ কাৰণে মন্ত্ৰী মহোদয়ে কি ক'ব।

**শ্ৰীৰ'ণোজ পেগু, শিক্ষা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, কথাটো স্পষ্ট হোৱাৰ কাৰণে কৈছো যে আমাৰ PTR ratio কেনেকুৱা। যোৱা কালিও সদনত জনাইছোঁ যে secondary পৰ্য্যায়ত PRT ratio এতিয়া 22:1 । এতিয়া PTR ৰ মতে চাবলৈ গ'লে আমাক নতুনকৈ বিদ্যালয় নালাগে। গতিকে নতুনকৈ বিদ্যালয় খোলা প্ৰশ্নটো অহা উচিত নহয়। কিন্তু নিৰ্দিষ্ট এটা অঞ্চল বা অনুষ্ঠানত সমস্যা থাকিব পাৰে। সকলোৱে কটন কলেজত বা গুৱাহাটীত পঢ়িবলৈ আহিব বিচাৰে। গুৱাহাটী মহাবিদ্যালয়, বিদ্যালয় বিলাকত নাম ভৰ্ত্তি বহুত ডাঙৰ হেঁচা। কিন্তু ইয়াৰ পৰা যদি আমি ওলাই জাগীৰোড বা মৰিগাঁওলৈ যাওঁ তাত কিন্তু সেই হেঁচাটো নাই। বহু মহাবিদ্যালয় আছে, যিমান বিলাক আসন আছে, সেই আসন বিলাকৰ দাবীটো বহু বেছি। কিন্তু আমাৰ হাতত তথ্য আছে। অসমৰ বহু মহাবিদ্যালয় বা হাইস্কুল আছে য'ত আসন সমূহ এতিয়াও খালী হৈ আছে। আজি ২.৫০ লাখ ছাত্ৰী-ছাত্ৰীৰ ২.৩৭ লাখ জন ছাত্ৰী-ছাত্ৰীয়ে হায়াৰ চেকেণ্ডাৰী পাছ কৰিলে, কিন্তু আসনৰ সংখ্যা কিমান বুলি ক'লে, আসনৰ সংখ্যা মুঠ ৫ লাখ। কিন্তু সেই আসন সমূহ rationalize হৈ থকা নাই। গতিকে এই হায়াৰ চেকেণ্ডাৰী স্কুলৰ সমস্যাটো কৈছে।

ইতিমধ্যে চৰকাৰে হায়াৰ চেকেণ্ডাৰী স্কুল upgrade কৰাৰ কাৰণে সিদ্ধান্ত গ্ৰহণ কৰিছে। আৰু সদস্য গৰাকীৰ সমষ্টিত যদি কৰিবলগীয়া আছে, আমি সকলো দিশ বিচাৰ বিবেচনা কৰি হাইস্কুলক হায়াৰ চেকেণ্ডাৰী স্কুললৈ উন্নীত কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিম। তেখেতৰ বোৰ্ডাৰত মহাবিদ্যালয় কেইবাখনো আছে। সেই block টো নাই, কিন্তু তেখেতৰ সীমামূৰীয়া অঞ্চলত কেইবাখনো মহাবিদ্যালয় আছে, য'ত চেঙা সমষ্টিৰ ছাত্ৰ-ছাত্ৰীয়ে তাত গৈ পঢ়া -শুনা কৰিব পাৰে আৰু সাংঘাটিক ধৰণৰ কোনো সংকট পোৱা নাই।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ।

ইয়াৰ পিছৰ প্ৰশ্ন নং. ৪৬, মাননীয় সদস্য শ্ৰী ৰবিৰাম নাৰ্জাৰী।

**শ্ৰীৰ'ণোজ পেগু, শিক্ষা মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰীৰবিৰাম নাৰ্জাৰী, (পশ্চিম কোকৰাঝাৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, যিটো উত্তৰ বিচাৰি মই আজি প্ৰশ্নটো আনিছিলো, কিন্তু উত্তৰত মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা পোৱা হ'ল, সেই উত্তৰটো চাই মই অত্যন্ত নিৰাশাবাদী আৰু আজি মনত এটা দুখ লাগিছে। একেটা প্ৰশ্নই মই এই পবিত্ৰ সদনত তিনিবাৰ উত্থাপন কৰিছো। কিন্তু একেটা উত্তৰ পাই আছো। ফকিৰাগ্ৰাম কলেজত huge enrollment আছে। বিশাল এৰিয়া কভাৰ কৰি তাত এখন কলেজ আছে। ছাত্ৰ-ছাত্ৰী, অভিভাৱক সকলৰ দাবী যে সেই কলেজখনত Science stream introduction হ'ব লাগে। যোৱা বাৰ বিধান সভাত এই প্ৰশ্নটো যেতিয়া সুধিছিলোঁ, তেতিয়া মাননীয় মন্ত্ৰী ডাঙৰীয়াই মোক কৈছিল যে আপুনি নিৰাশাবাদী হ'ব নালাগে, আপোনাৰ কলেজত Science stream introduction কৰা হ'ব। এই হিচাপে মই আশা বাদী হৈ থাকিলো আৰু আশাবাদী হৈ এই প্ৰশ্নটো সদনত আনিলো। কিন্তু ইয়াতে আকৌ নিৰাশাবাদী উত্তৰতো পাই মই অত্যন্ত হতাশ হৈছোঁ, মোৰ লগে লগে ছাত্ৰ-ছাত্ৰী, অভিভাৱক সকলেও নিশ্চয় হতাশাত ভূগিব বুলি মোৰ এটা ধাৰণা হৈছে। গতিকে মই প্ৰশ্নটো আকৌ কৰিব খুজিছোঁ যে ফকিৰাগ্ৰাম কলেজত Science stream খুলিবৰ কাৰণে চৰকাৰে কিয় সিদ্ধান্ত ল'ব নোৱাৰে। গতিকে মই আকৌ প্ৰশ্ন কৰিব খুজিছো যে ফকিৰাগ্ৰাম কলেজত বিজ্ঞান শাখা খুলিবৰ কাৰণে চৰকাৰে কিয় সিদ্ধান্ত ল'ব নোৱাৰে? কিয় দিব নোখোজে, ইয়াৰ কাৰণ কি আছে, ফকিৰাগ্ৰাম কলেজখনৰ ছাত্ৰ-ছাত্ৰী সকলে কি ভুলটো কৰিছে, কি অপৰাধটো কৰিছে, এইটোৰ উত্তৰ মই মন্ত্ৰী মহোদয়ৰ পৰা বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ-** মন্ত্ৰী ডাঙৰীয়া,

**ডাঃ ৰনোজ পেগু, (শিক্ষা মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, চলি থকা মহাবিদ্যালয় এখনত য'ত Arts বা Commerce আছে তাত ওপৰঞ্চি ভাবে বিজ্ঞান শাখাটো মুকলি কৰিব লাগে। বহু মহাবিদ্যালয়ৰ পৰা এনেকুৱা দাবী আহি আছে আৰু ইতিমধ্যে পূৰ্বৰ চৰকাৰৰ দিনতে ৫০ খন মহাবিদ্যালয়ৰ এখন তালিকা অনুমোদন দি থৈ যোৱা হৈছে। এতিয়া বিজ্ঞান শাখাটো খোলাৰ কাৰণে আমি যদি পদ্ধতিগত ভাৱে আগবাঢ়িব লাগে, প্ৰথম শ্ৰেণীকোঠা আৰু পৰীক্ষাগাৰৰ কোঠা সেইখিনি প্ৰথম নিৰ্মাণ কৰি ল'ব লাগে, বা আছে নে নাই পৰীক্ষা কৰি ল'ব লাগিব। সেইখিনি কৰাৰ পাছত যিখিনি প্ৰয়োজনীয় পোষ্ট, সেই প্ৰয়োজনীয় পোষ্টখিনি ক্ৰিয়েট কৰিব লাগিব। প্ৰয়োজনীয় পোষ্টখিনি ক্ৰিয়েট কৰাৰ পাছত বিধিসন্মত ভাবে সেই পোষ্টখিনিৰ বিপৰীতে recruitment দিব লাগিব। এনেধৰণে আমি পৰ্য্যায়ক্ৰমে আগবাঢ়িম। দ্বিতীয় কথাটো হ'ল চৰকাৰখনৰ নিজস্ব যি বিত্তীয় সমল আছে, সেই বিত্তীয় সমলৰ সদ ব্যৱহাৰৰ কথা আছে, আৰু ইতিমধ্যে পূৰ্বে যিখিনি ঘোষণা কৰা হৈছিল, ২০২২ চনত ১৬ খন মহাবিদ্যালয়ত বিজ্ঞান শাখাৰ প্ৰৱৰ্তন হৈ গ'ল। এখনত

আমি পোষ্ট ক্ৰিয়েশ্যন কৰিলো, কামৰূপ কলেজ, তাত পোষ্ট ক্ৰিয়েশ্যন হৈছে এতিয়া recruitment প্ৰক্ৰিয়া চলি আছে। recruitment প্ৰক্ৰিয়াটো সম্পূৰ্ণ হৈ গ'লে, তাতো আৰম্ভ হ'ব। ইয়াৰ পাছত আমি আৰু ৮ খন মহাবিদ্যালয়ত কিছুদিন আগত কেবিনেটে বিজ্ঞান শাখা প্ৰৱৰ্তনৰ কাৰণে সিদ্ধান্ত গ্ৰহণ কৰিছো। এতিয়া সিদ্ধান্তটো গ্ৰহণ কৰাৰ লগে লগে তাত বিজ্ঞান শিক্ষাটো আৰম্ভ কৰা সম্ভৱ নহয়। এই ৮ খন মহাবিদ্যালয়ত যিখিনি প্ৰয়োজনীয় পোষ্ট আছে, সেই প্ৰয়োজনীয় পোষ্ট খিনি ক্ৰিয়েশ্যন হ'ব আৰু একেটা সময়তে তাৰ যি প্ৰয়োজনীয় আন্তঃগাঁথনি, শ্ৰেণীকোঠা আৰু পৰীক্ষাগাৰৰ কোঠা, সেইখিনি নিৰ্মাণ কৰিম বা আগতে যি শ্ৰেণীকোঠা আছে, তাক পৰিবৰ্ৰ্তন কৰিব লাগে, renovation কৰিব লাগে সেইখিনি কৰিম। সেই মহাবিদ্যালয় কেইখন হৈছে মৰিড'ল কলেজ, ভৱানীপুৰ আঞ্চলিক কলেজ, শালবাৰী কলেজ, তেজপুৰ কলেজ, বাসুগাওঁ কলেজ, বি.বি. কিষান কলেজ, টিংখং কলেজ আৰু কাছাৰৰ এম.চি. দাস কলেজ। এই কলেজখিনিত বিজ্ঞান শিক্ষাৰ প্ৰৱৰ্তনৰ কাৰণে এতিয়া পোষ্ট ক্ৰিয়েশ্যনৰ প্ৰচেষ্টা চলাই আছো। ফকিৰাগ্ৰাম মহাবিদ্যালয়খনটো প্ৰয়োজন, আপুনি এই বিষয়টো কেইবা বাৰো উত্থাপন কৰিছে। এতিয়া মই কম যে ইয়াৰ পাছত আমাৰ পাইপ লাইনত যিখিনি মহাবিদ্যালয় আছে, সেই গোটেই বিলাক মহাবিদ্যালয়ত আমি পৰ্য্যায়ক্ৰমে আৰম্ভ কৰি যাম। মই যোৱাকালি এটা কথা কৈছিলো যে Multidisciplinary শিক্ষা আমি প্ৰদান কৰিবই লাগিব। Multidisciplinary শিক্ষা যেতিয়া প্ৰদান কৰিব লাগিব আমাৰ ডিগ্ৰীৰ শিক্ষাটোক আমি কলা, বিজ্ঞান, বাণিজ্য বুলি compartmentalise কৰি ৰাখিব নোৱাৰো আৰু যেতিয়া কৰি ৰাখিব নোৱাৰো গতিকে Arts college, Science College, Commerce college বুলি আমাৰ কলেজবিলাক বিভক্ত হৈ থাকিব নোৱাৰে। প্ৰত্যেকখন কলেজত বিভিন্ন শাখাৰ বিষয়সমূহ থাকিব লাগিব। যাতে প্ৰকৃত অৰ্থত এটা Multidisciplinary শিক্ষা আমি দিব পাৰো। গতিকে এতিয়া আৰু মই ভাবো যে আমাৰ বিজ্ঞান শাখাটো নাই, কলা শাখাটো নাই, এই কথাটোক লৈ আমি কোনো চিন্তিত হোৱাৰ প্ৰয়োজন নাই।It is a matter of time, It is a matter of resource যদি আমাৰ resource খিনি ঠিক হয়, সময়খিনি ঠিক হয় আমি সোনকালে সকলোতে এইখিনি প্ৰৱৰ্তন কৰিম আৰু নিশ্চিতভাবে ফকিৰাগ্ৰাম কলেজটো এই শিক্ষা ব্যৱস্থা হ'ব। ইয়াৰ লগত আৰু এটা কথা কৈ দিব বিচাৰো, কালি মই এই কথাটোত উল্লেখ কৰিছিলো, বহু ক্ষেত্ৰত এই Multidisciplinary শিক্ষা ৰ কাৰণে ওচৰা ওচৰিকৈ থকা দুখন বা তিনিখন কলেজত আমি একেলগে ক্লাষ্টাৰ বনাই Multidisciplinary শিক্ষা প্ৰদান কৰিম ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ- Second supplementary.

**শ্ৰীৰবিৰাম নাৰ্জাৰী, (কোকৰাঝাৰ পশ্চিম)** ঃ- মোৰ আৰু supplementary আছে। আমাৰ মন্ত্ৰী মহোদয়ে উত্তৰত খুব সুন্দৰকৈ কিছুমান কলেজৰ য'ত নেকি নতুনকৈ বিজ্ঞান শাখা আৰম্ভ কৰা হ'ব, তাৰে তালিকা গাই দিছে। মই ইয়াত অনুৰোধ কৰিব খুজিছো, অধ্যক্ষ মহোদয়ৰ জৰিয়তে for the interest of the Student community তেওঁলোকক এইখিনি সুবিধা দিয়া যাওঁক। এখন কলেজ সংযোজন কৰাত চৰকাৰৰ কোনো ক্ষতি নহয় বুলি মই ভাবো। ইয়াত সংযোজন আৰু ফকিৰাগ্ৰাম কলেজত sufficient infrastructure ইতিমধ্যে আছে, ইয়াৰ কাৰণে মই হাউচক গেৰান্টি দিছো আৰু যিটো আমাৰ new education policy ৰ কথা কৈছে যে Multidisciplinary educational institution বিলাকৰ যিটো কথা কোৱা হ'ল সঠিকৈ সেইটো implementation কৰিবৰ কাৰণে another 10-15 years ৰ

প্ৰয়োজন হ'ব। ইয়াতযি দাবী হিচাপে student community, guardian community ৰ পৰা আহিছে, তালৈকে অপেক্ষা কৰাটো মই ভাবো ঠিক নহ'ব। গতিকে before the implementation of the New Education Policy I strongly urge upon the Government to introduce the Science stream in the Fokiragram College right now এইটোকে মই অনুৰোধ কৰিব খুজিছো।

**মাননীয় অধ্যক্ষ** ঃ- মন্ত্ৰী ডাঙৰীয়া

**ডাঃ ৰনোজ পেগু, (শিক্ষা মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই পবিত্ৰ সদনত এটা কথা স্পষ্টভাবে জনাব বিচাৰো, খুব sincerely আৰু বহুত খৰতকীয়াকৈ আমি ভাৰতবৰ্ষৰ ভিতৰতে আগৰণুৱা হৈ New Education Policy implement কৰিছো আৰু যিটো শংকা প্ৰকাশ কৰিছে যে হায়াৰ এডুকেশ্যনতNew Education Policy অৰ্থাৎ যিটো Multidisciplinary course এই course টো implement কৰোঁতে ১০-১৫ বছৰ লাগিব বুলি মাননীয় বিধায়ক গৰাকীয়ে শংকা প্ৰকাশ কৰিছে, এই শংকা দূৰ কৰি ক'ব বিচাৰো যে আমাৰ চৰকাৰৰ , আমাৰ বিভাগে এই ধৰণে কাম কৰিছে যে Multidisciplinary course এখন ইউনিভাৰচিটিট হ'লেও ২০২২ চনতে আমি আৰম্ভ কৰিম। ইয়াৰ কাৰণে আমাৰ যিমানখিনি হোম ৱৰ্ক হ'ব লাগে সেই হোম ৱৰ্কখিনি সম্পূৰ্ণ হৈছে। আমাৰ যি course curriculam আমি প্ৰকাশ কৰিব লাগে, আমি খুব কম সময়ৰ ভিতৰত এই course curriculam প্ৰকাশ কৰিম। আৰু আমাৰ লক্ষ্য আছে যে ২০২২ এই শিক্ষা বৰ্ষতেMultidisciplinary শিক্ষা এখন বিশ্ববিদ্যালয়ত হ'লেও আমি আৰম্ভ কৰিম। তাৰ প্ৰস্তুতি সম্পূৰ্ণ হৈছে। মই মাননীয় সদস্যগৰাকীক ধন্যবাদ জনাইছো, যে ফকিৰাগ্ৰাম মহাবিদ্যালয়খনত আন্তঃগাঁথনি প্ৰয়োজনীয় বিজ্ঞান শিক্ষাৰ কাৰণে আছে বুলি কৈছে আৰু যিখিনি নাটনি হয়, সেইখিনি বিধায়কজনে দায়িত্ব লৈছো বুলি কৈছে, আৰু এই কথা কোৱাৰ কাৰণে আৰু এই দায়িত্ব লোৱাৰ কাৰণে মই তেখেতক ধন্যবাদ জনাইছো আৰু আজি মই পুনৰ আশাবাদীও হৈছো, যিহেতু তেখেতে আন্তঃগাঁথনি প্ৰদান কৰাৰ কাৰণে দায়িত্ব লৈছে। এতিয়া কেৱল পোষ্ট ক্ৰিয়েশ্যন কৰিব লাগিব। আৰু খুব সোনকালে ফকিৰাগ্ৰাম মহাবিদ্যালয়ত বিজ্ঞান শাখা Multidisciplinary শিক্ষা লৈ উন্নীত হ'ব ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ- জাকিৰ হুচেইন সিকদাৰ,

**শ্ৰী জাকিৰ হুচেইন সিকদাৰ, (সৰুক্ষেত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, যি সমূহ মডেল স্কুলত হায়াৰ ছেকেণ্ডাৰীৰ কাৰণে affiliation দিছে তাত বিজ্ঞান শিক্ষক কেতিয়া নিযুক্তি দিব? আপোনাৰ জৰিয়তে মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ- মন্ত্ৰী ডাঙৰীয়া।

**ডাঃ ৰনোজ পেগু, (শিক্ষা মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয় শিক্ষক নিযুক্তিৰ প্ৰক্ৰিয়াটো চলি আছে মহাবিদ্যালয় সমূহত ২ হাজাৰ শিক্ষক নিযুক্তিৰ প্ৰক্ৰিয়া আৰম্ভ হৈ গ'ল। এতিয়া আমাৰ যি সমূহ গভৰ্ণমেন্ট বডি আছে, এই বডি সমূহকে আমি এখন অফিচ মেম'ৰেণ্ডামৰ জৰিয়তে ইউ জি চি ৰ যি গাইড লাইন, গাইড লাইনৰ জৰিয়তে নিযুক্তি প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ ইতিমধ্যে আমি নিৰ্দেশ দিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী নুৰুল হুদা, (ৰূপহী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৰূপহী বিধান সভা এটা বৃহৎ অঞ্চল। তাত দুখন মহাবিদ্যালয় আছে, বিজ্ঞান শাখা নাই। ২০২০-২০২১ বৰ্ষত যেতিয়া চৰকাৰে ৫০ খন

মহাবিদ্যালয়ত বিজ্ঞান শাখা দিম বুলি কৈছে, তেতিয়া আমাৰ কলেজ কৰ্তৃপক্ষই আবেদন কৰিলে আৰু মই বিধান সভাত উত্থাপন কৰাৰ পাছত মন্ত্ৰী মহোদয়েও আশ্বাস দিছিল যে পৰৱৰ্ত্তী সময়ত আমি ৰূপহী মহাবিদ্যালয় এখন ল'ম। কিন্তু আজি উত্তৰত দেখা পালো পৰৱৰ্ত্তী ১৭ খন মহাবিদ্যালয় লৈছে ২০২০-২১ বৰ্ষত।

**মাননীয় অধ্যক্ষঃ** Question hour is over.

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পশ্চিম গুৱাহাটী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, point of order.

**মাননীয় অধ্যক্ষঃ** কওঁক। কোনটো বিষয়।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পশ্চিম গুৱাহাটী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ বিৰোধী দলৰ দলপতি শ্ৰী দেৱব্ৰত শইকীয়াৰ এটা সুন্দৰ প্ৰশ্ন আহিছিল। সেইটো নাহিল। গতিকে Advantage Assam ৰ ওপৰত তাৰ কাৰণে আপোনাৰ জৰিয়তে মই এটা অনুৰোধ জনাব বিচাৰিছো। ইয়াৰ ওপৰত মাননীয় মন্ত্ৰীয়ে Statement এটা দিয়াৰ ব্যৱস্থা ল'ব নেকি?

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী (পৰিবহন মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো কৈছে আমাৰ মাননীয় বিৰোধী দলৰ দলপতিৰ এটা প্ৰশ্ন আহিছিল, কিন্তু প্ৰশ্নটো নাহিল। Advantage Assam ৰ ওপৰত মই এটা বিবৃতি দিম।

**মাননীয় অধ্যক্ষ ঃ** আপুনি Statement ত দি দিব।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী (পৰিবহন মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয় মই এটা কৈ থম যে Public and Private Sector ত 89.082.04 crores. কেৱল Advantage Assam ত আমাৰ Invest হৈছে, এইক্ষেত্ৰত মই বিবৃতি এটা দিম।

**মাননীয় অধ্যক্ষঃ** কাৰ্য্য উপদেষ্টা সমিতিৰ প্ৰতিবেদন মই আগতে সদনত জনাব খুজিছো। অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ নং ২৩০ ৰ অধীনত অসম বিধান স ভাৰ কাৰ্য্য উপদেষ্টা সমিতিৰ যোৱা ইংৰাজী ১৬ মাৰ্চ, ২০২২ তাৰিখে বিধান সভাৰ কাৰ্য্যসূচী অন্ত পৰাৰ লগে লগে এখন বৈঠক অনুষ্ঠিত কৰা হয়। বৈঠকত ২০২২-২৩ বৰ্ষৰ বাজেটৰ ওপৰত সাধাৰণ আলোচনা, কৰ্তন প্ৰস্তাৱৰ ওপৰত আলোচনাৰ বাবে ব্যয় কৰিবলগীয়া সময় সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰাৰ উপৰিও কৰ্তন প্ৰস্তাৱৰ অগ্ৰাধিকাৰ ভিত্তিত মঞ্জুৰী সমূহ নিৰ্ধাৰণ কৰা হয়। সেই অনুসৰি ইংৰাজী ১৭ মাৰ্চ, ২০২২ তাৰিখে প্ৰশ্নসমূহৰ বাহিৰে আন কোনো কাৰ্য্যসূচী গ্ৰহণ কৰা নহ'ব আৰু প্ৰশ্নোত্তৰ কালৰ পৰৱৰ্ত্তী ৩.৩০ ঘণ্টা সময় কেৱল বাজেটৰ ওপৰত সাধাৰণ আলোচনা কৰিবৰ বাবে ঠাৰৰ কৰা হয়। আনহাতে ২১ মাৰ্চ, ২০২২ তাৰিখে সদন দুবেলা অনুষ্ঠিত হ'ব আৰু উক্ত দিনাও সৰ্বমুঠ ৩.৩০ ঘণ্টা সাধাৰণ আলোচনাৰ বাবে ব্যয় কৰা হ'ব। তাৰোপৰি ইং ১৭ মাৰ্চ, ২০২২ তাৰিখৰ বাবে নিৰ্দ্ধাৰিত হৈ থকা নিয়ম ৫৪ , নিয়ম ৩০১ কে ধৰি বিভিন্ন কাৰ্য্যসূচী সমূহ পৰৱৰ্ত্তী এটা দিনত অন্তৰ্ভূক্ত কৰা হ'ব। লগতে সমিতিয়ে বাজেটৰ ওপৰত সাধাৰণ আলোচনা কালত বিভিন্ন বিধায়িনী দল, গোট ইত্যাদিয়ে লাভ কৰিবলগীয়া সময়ৰ তালিকাখনো অনুমোদন জনায়। সেই অনুসৰি সকলো পক্ষই লাভ কৰিবলগীয়া সময়ৰ তালিকাখন হ'ল-

ভাৰতীয় জনতা পাৰ্টি-২০৮ মিনিট

ভাৰতীয় জাতীয় কংগ্ৰেছ-৯০ মিনিট

অসম গণ পৰিষদ-৩০ মিনিট

সৰ্বভাৰতীয় সংযুক্ত গণতান্ত্ৰিক মৰ্চা-৫০ মিনিট

ইউ. পি. পি. এল-২৪ মিনিট

বড়োলেণ্ড পিপলচ্ ফ্ৰণ্ট -১০ মিনিট
চি. পি. আই (এম) -০৪ মিনিট
নিৰ্দলীয়- ০৪ মিনিট।

এই তালিকাখন অহা ইংৰাজী ২৮ মাৰ্চ, ২৯ মাৰ্চ, ২০২২ তাৰিখে হ'বলগীয়া কৰ্তন প্ৰস্তাৱৰ আলোচনাৰ ক্ষেত্ৰতো প্ৰযোজ্য হ'ব। একে সময় থাকিব কৰ্তন প্ৰস্তাৱতো। সমিতিয়ে সৰ্বসন্মতি ক্ৰমে নিম্নলিখিত মঞ্জুৰী কেইটা অগ্ৰাধিকাৰ ভিত্তিত আলোচনা কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। মঞ্জুৰী নং ৩০ পানী যোগান আৰু অনাময়। মঞ্জুৰী নং ৪৮ কৃষি। এই দুয়োটাৰ ওপৰত কৰ্তন প্ৰস্তাৱ হ'ব। ইয়াৰ উপৰিও অহা ইং ৩১ মাৰ্চ, ২০২২ তাৰিখে ৰাজ্যসভাৰ নিৰ্বাচনৰ ভোট গ্ৰহণৰ দিন ধাৰ্য্য হোৱাৰ পৰিপ্ৰেক্ষিতত সমিতিয়ে অধিৱেশনৰ দিনপঞ্জীখনৰ সামান্য সাল-সলনি ঘটাই সদনৰ উক্ত দিনৰ কাৰ্য্যসূচী অনুষ্ঠিত নকৰিবলৈ সৰ্বসন্মতভাৱে সিদ্ধান্ত গ্ৰহণ কৰে। ৩১ মাৰ্চ, ২০২২ তাৰিখৰ ৰাজ্যসভাৰ নিৰ্বাচন আছে, সেইটোৰ কাৰণে ৩১ তাৰিখে আমাৰ অধিবেশনখন স্থগিত ৰখাৰ বাবে সিদ্ধান্ত লোৱা হৈছে। সমিতিয়ে ইংৰাজী ৩০ মাৰ্চ, ২০২২ তাৰিখৰ কৰ্মদিনটোত সকলো বিধেয়ক পাৰিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে আৰু এইক্ষেত্ৰত প্ৰয়োজন হ'লে বিৰতিহীনভাৱে সদনৰ কাৰ্য্যসূচী বৰ্ধিত কৰা হ'ব বুলি সৰ্বসন্মত সিদ্ধান্ত গ্ৰহণ কৰে। এনেক্ষেত্ৰত অসুবিধাৰ সৃষ্টি হ'লে ০১ এপ্ৰিল, ২০২২ তাৰিখে বিধেয়ক সমূহ পাৰিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। আশাকৰো এইক্ষেত্ৰত ইয়াৰ প্ৰতি মাননীয় সদনৰ অনুমোদন আছে।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰীৰকিবুল হুছেইন ডাঙৰীয়া।

**শ্ৰীৰকিবুল হুছেইন, (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই যিটো কথা আজি সদনত সকলোকে দৃষ্টি আকৰ্ষণ কৰিব খুজিছো। আজি লোক সভাতো সেই কথাটো আলোচনা হৈছে আৰু বিভিন্ন ৰাজ্যতো আলোচনা হৈছে। শাসক-বিৰোধী সকলোৱে সেইক্ষেত্ৰত ঐক্যমত প্ৰকাশ কৰিছে। ৰাচিয়া আৰু ইউক্ৰেইনত যি যুদ্ধ হৈছে, সেই যুদ্ধত ভাৰতবৰ্ষৰ ছাত্ৰ-ছাত্ৰীসকলে তাত বিভিন্ন ধৰণৰ লাঞ্চনা ভুগিবলগীয়া হৈছিল। গুৱাহাটীৰ নিলিমাই ক'লে বৰফ উতলাই পানী খাব লগা হৈছে, তিনিদিনে ভাত দেখা নাই তাৰ ফলত ছাত্ৰ-ছাত্ৰীসকল অসুস্থ হৈ পৰিছে। তাৰ পৰৱৰ্তী সময়ত আমাৰ ভাৰতবৰ্ষৰ ছাত্ৰ-ছাত্ৰীসকলক ঘূৰাই অনা বুলি জানিব পাৰিছো আৰু প্ৰত্যেকখন ৰাজ্যতে প্ৰায় এতিয়া বাজেট অধিৱেশন হৈ আছে। শাসক বিৰোধী সকলো ঐক্যমত হৈছে যে, নিজ নিজ ৰাজ্যৰ যিসকল ছাত্ৰ-ছাত্ৰী ঘূৰি আহিছে, তেওঁলোকৰ অভিভাৱক সকলে বহুত টকা-পইচা খৰচ কৰি তাঁলৈ নিছিল এতিয়া আধাতে তেওঁলোকে গুচি আহিবলগীয়া হৈছে। সেয়েহে তেওঁলোকক সকাহ দিয়াৰ কাৰণে মই চৰকাৰক অনুৰোধ কৰিম, যদি আছে দিব, নহ'লেও এখন তালিকা অসমৰ সকলো ঘূৰি আহিল নে নাই আৰু যদি আহিল সেই সকলৰ এতিয়া শিক্ষাবৰ্ষ আধৰুৱা হৈ গ'ল, সেইখিনিৰ ক্ষেত্ৰত চৰকাৰে কিবা ব্যৱস্থা ল'ব নেকি। কাৰণ আজি উত্তৰ নিদিলেও সেইখিনিৰ ক্ষেত্ৰত যদি কিবা ব্যৱস্থা লয়, কাৰণ বাপেক-মাকসকলৰ বহুত টকা-পইচা খৰচ হৈছে, সেইক্ষেত্ৰত অলপ সকাহ দিবৰ কাৰণে বেলেগ বেলেগ ৰাজ্যই পদক্ষেপ লৈছে নে মই সদনত আপোনাৰ জৰিয়তে অনুৰোধ কৰিছো।

**শ্ৰীপীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, অসমলৈ গোটেইখিনি ঘূৰি অহা আমাৰ হাতত এইমুহূৰ্তত তথ্য আছে। কাৰণ এতিয়া কোনো আহিব লাগে বুলি আমাক কোনেও জনোৱা নাই আৰু দ্বিতীয় কথা মই কালি কৰবাত পঢ়ি আছিলো, মই confirm নহয় যে, ইউক্ৰেইনত অনলাইন ক্লাছ আৰম্ভ হৈছে। গতিকে নিশ্চিতভাৱে ছাত্ৰ-ছাত্ৰী সকলৰ শিক্ষাবৰ্ষ যাতে

নষ্ট নহয়, এইক্ষেত্ৰত ইউক্ৰেইনে কি কৰে সেই বিষয়ে এইক্ষেত্ৰত চিন্তা-চৰ্চা কৰিব লাগিব কিন্তু মাননীয় সদস্য গৰাকীয়ে যি কেইটা কথা কৈছে, সেই কেইটা মাননীয় মুখ্যমন্ত্ৰীয়ে আলোচনা কৰিব।

**মাননীয় অধ্যক্ষ ঃ** Details ত এটা Statement দি দিলেই হৈ যাব। ধন্যবাদ। এতিয়া আমি বাজেটৰ আলোচনালৈ আহো। প্ৰথমতে মই শ্ৰী ভৰত নৰহক অনুৰোধ জনালো।

**শ্ৰী ভৰত নৰহ, (নাওবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয়া বিত্তমন্ত্ৰী শ্ৰীমতী অজন্তা নেওঁগ বাইদেউৱে যোৱাকালি ২০২২-২৩ চনৰ বাজেট ভাষণ পাঠ কৰিলে। বাইদেউৱে জ্যোতিপ্ৰসাদ আগৰৱলাৰ কবিতাৰে বাজেটখন যেতিয়া আৰম্ভ কৰিলে আৰু যেতিয়া নতুন নতুন কিছুমান আঁচনি ঘোষণা কৰা শুনিলো, মই মাজতে অলপ আবেগিক হৈ গ'লো আৰু মই মাজতে পাহৰি গ'লো সদনৰ ভিতৰত আছো। আপুনি যেতিয়া বাজেট ভাষণ পাঠ কৰি আছিল, মোৰ এনেকুৱা লাগিল মই যেন চৰাইৰ নিচিনা আকাশলৈ উৰি গৈছো আৰু ডেউকা মেলি মই আকাশতে নাচিছো আৰু আকাশতে মই গীত গাইছো। তাৰমানে মোৰ এনেকুৱা লাগিল যেন আমি শ্ৰেষ্ঠ ৫ খন ৰাজ্যৰ এক নম্বৰ ৰাজ্যলৈ গতি কৰি আছো। যেতিয়া মাননীয় অধ্যক্ষ মহোদয়ে বাজেট ভাষণৰ পিছত house adjourned till tommorrow 9.30 a.m. এইবুলি কওঁতেহে মই বাস্তৱলৈ ঘূৰি আহিছো। তাৰপিচত সদন শেষ হ'ল। লবীত গৈ গোটেই বাজেট ভাষণটো আকৌ এবাৰ লিৰিকি বিদাৰি চালো। এনেকুৱা লাগিল যে, ২০২১- ২২ ৰ বাজেটখন নে ২০২২-২৩ ৰ বাজেট খন। পাৰ্থক্য ইয়াত বিচাৰি পোৱা নাছিলো। যেন একেই শব্দ, একেই বাক্য, একে আঁচনি। কবিতা অলপ বেলেগ। অলপ শব্দ গাঁথনি, বাক্য গাঁথনি অলপ পৰিছে, অলপ ৰং লগাইছে। কথাখিনি প্ৰায় একেই। মাত্ৰ তাৰ মাজত কিছুমান আপোনালোকে বহুতে মন কৰিছে নে নাই নাজানো, দুই এটা শব্দ ইয়াত লগাইছে। ১ লাখ চাকৰি নিযুক্তি প্ৰদান কৰিম আৰু মাননীয় মুখ্যমন্ত্ৰীয়ে আগদিনা কৈছে, নিজৰ নাম লৈ কৈছে মই যেতিয়া প্ৰতিশ্ৰুতি দিলো মই ১ লাখ চাকৰি দিমেই। কিন্তু ইয়াত বাইদেউৱে বক্তব্যত ৰাখিছে যে, এক লাখ চাকৰিৰ কাৰণে যি আমি প্ৰতিশ্ৰুতি দিছিলো, সেই প্ৰতিশ্ৰুতিত মই অটল হৈ আছো বুলি কৈছে। ঠিক তেনেকৈ বাইদেউৱে আৰু এটা কথা স্বীকাৰ কৰিছে যে, আগৰ বাজেটত অষ্টাদশী মুকুতাৰ মালা পূৰ্ণতা যদি পোৱা নাই তাৰ কাৰণে খেদ প্ৰকাশ কৰিছে। তাৰমানে 100% implement নহ'বও পাৰে সেইটো তেওঁ admit কৰিছে গোটেই কথাখিনিত। যিহেতু ১ লাখ ১৯ হাজাৰ কোটিৰ টকাৰ বাজেট, যিটো ইয়াত দেখুৱাইছে। যোৱাবাৰো মই কৈছো যে যিখন বাজেট দাখিল কৰিছে তাত অসমৰ কিছুমান মৌলিক সমস্যা আছে। এই মৌলিক সমস্যাবোৰ যদি সমাধান নকৰে, touch নকৰে, তেতিয়াহ'লে অসম অৰ্থনৈতিকভাৱে আগবাঢ়িব নোৱাৰে। যি বাজেটখনে এই মৌলিক সমস্যাবোৰ touch কৰা নাই। যেনে যিটো কৃষি অৰ্থনীতি টনকিয়াল কৰিব লাগে বা শ্ৰমজীৱি মানুহৰ যিটো কৰ্মসংস্থা সেই কথাখিনি ইয়াত নাই।

মাননীয় উপাধ্যক্ষ মহোদয়, নিবনুৱা সমস্যা কেনেকৈ সমাধান কৰিব? Per Capita Income কেনেকৈ বঢ়াব? Gross State Domestic Product কেনেকৈ বাঢ়িব? এতিয়া Gross State Domestic Product 11% হৈছে আৰু চৰকাৰে এতিয়া 13% আশা কৰিছে। কিন্তু পাঞ্জাৱ, কেৰেলাৰ নিচিনা ৰাজ্যৰ কাৰণে 11%, 13% বহুত হ'ব পাৰে। কিন্তু তেওঁলোকৰ Developed State. কিন্তু আমি Under Developed State. আমাৰ কাৰণে 11%, 13% State Gross Domestic Product টো বেছি নহয়। আমাক লাগে

Double. 13% ৰ ঠাইত আমাক 26% লাগে, 11% ৰ ঠাইত আমাক 22% লাগে। যোৱাবাৰ মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়াই এক লাখ সাত হাজাৰ কোটি টকাৰ বাজেট দাখিল কৰিছিল আৰু পিছত Supplementary Demand কৰি দহ হাজাৰ কোটি টকা ল'লে। হয়তো যোৱাবাৰ এক লাখ সোতৰ হাজাৰ কোটি টকা হৈছে। এইবাৰ এক লাখ উনৈশ কোটি টকা। যোৱাবাৰ যিখন বাজেট দাখিল কৰিলে সেই বাজেটত কিমান শতাংশ কাৰ্য্যকৰী হৈছে, সেইটো আমি জানিব পৰা নাই। কাৰণ অহা নাই আৰু এতিয়াও ৩১ মাৰ্চ শেষ হ'বলৈ বাকী আছে। কিন্তু ২০২০-২১ বৰ্ষ মতে ২০২১-২২ ত আমি 80% হ'ব বুলি ধৰিব পাৰো আৰু নতুন বাজেটতো ইমানেই আশা কৰিব পাৰি। কিন্তু 80% ৰ ভিতৰত দৰমহা, পেঞ্চন, Interest Repayment আৰু মাইক্ৰফাইনেঞ্চ এই আটাইখিনি ধৰিলে 55% হ'ব। 80% ৰ পৰা যদি 55% বিয়োগ কৰিলে আমাৰ হাতত 25% থাকিব। অৰ্থাৎ কেৱল 25% ডেভেলপমেণ্টৰ কাৰণে থাকিব। এই 25% এনেকুৱা কিছুমান স্কীম আছে যাৰ ৰিটাৰ্ণ নাহে, যিসূহ স্কীমে Employment Generate নকৰে, . Revenue Generate নকৰে। 25% ৰ পৰা এনেকুৱা স্কীমৰ বাবে 12% বাদ দিলে আমাৰ হাতত ডেভেলপমেণ্টৰ কাৰণে 13% থাকিব। সেইকাৰণে যোৱাবাৰৰ বাজেট যদি মৌলিক সমস্যাবিলাকক স্পৰ্শ নকৰে, বিশেষকৈ Agriculture,Industry, Tourism আৰু Rural Development এই চাৰিটা বিভাগক যদি বাজেটত অগ্ৰাধিকাৰ নিদিয়ে, তেনেকৈ যদি স্কীম লোৱা নহয় তেনেহ'লে আমি অসমখনক আগুৱাই লৈ যাব নোৱাৰিম। সেইকাৰণে মই যোৱাবাৰেই বাইদেউক কৈছিলো হয়তো বাজেট প্ৰস্তুত কৰোতে আপোনালোকে কিছুমান দিশ মন কৰে নে নকৰে নাজানো। কিন্তু এইটো কেৱল মোৰ লক্ষ্যই নহয়, আপোনালোকৰো লক্ষ্য আৰু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াইয়ো কৈছিল যে অসমখনক পাঁচখন শ্ৰেষ্ঠ ৰাজ্যৰ ভিতৰত এখন কৰিবলৈ চেষ্টা কৰিব। মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই ঘোষণা কৰিছিল যে ২০২২ চনৰ ৩১ ডিচেম্বৰত কৃষকৰ আয় তেওঁ দুগুণ কৰিব আৰু মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই ১৫ আগষ্টত লালকিল্লাত পতাকা উত্তোলন কৰোতে ঘোষণা কৰিছিল যে ২০২৪ চনৰ ৩১ ডিচেম্বৰৰ ভিতৰত ঘৰে ঘৰে বিশুদ্ধ খোৱা পানীৰ যোগান দিব (জলজীৱন মিশ্যন) আৰু ২০৩০ চনৰ ৩১ ডিচেম্বৰৰ ভিতৰত ৰাষ্ট্ৰসংঘ আৰু নিটি আয়োগৰ মতে অসমৰ দৰিদ্ৰতা নিৰ্মূল কৰিব লাগে আৰু ইয়াৰ লগতে আৰু ১৬ টা লক্ষ্য আছে। যাৰ বিষয়ে মই নকও কাৰণ বহু সময় লাগিব। কিন্তু দৰিদ্ৰতা নিৰ্মূল কৰাতো এক নম্বৰত আছে। বাজেটত এই লক্ষ্যসমূহ কেনেকৈ পৰিপূৰ্ণ কৰিব সেই কথা কিন্তু বাজেটত উল্লেখ নাই। কৃষকৰ উপাৰ্জন দুগুণ কৰিবলৈ আপোনালোকৰ হাতত মাত্ৰ আৰু দহ মাহমান আছে আৰু ২০২৪ চনৰ ডিচেম্বৰলৈ বেছি দিন নাই। কিন্তু এই বাজেটখনেই এই লক্ষ্যবোৰ পূৰণ কৰিব পাৰিব নে নাই, মোৰ সন্দেহ আছে আৰু বিশেষকৈ Per Capital Income, Employment Generation, G D P Increase এই বিষয়ে ইয়াত একো উল্লেখ কৰা নাই। সেইকাৰণে যোৱাবাৰ যেতিয়া বাইদেৱে হয়তো জুলাই-আগষ্ট মাহত বাজেট দাখিল কৰিছিল আৰু বাজেট দাখিল কৰাৰ পিছত নিটি আয়োগে ১৪ নৱেম্বৰ ২০২১ ত ৰিপোৰ্ট দিলে Multi Dimensional Poverty Index আৰু নিটি আয়োগে যিটো মেজাৰমেণ্ট লয়, This measurement used the Globally accepted and Rabash methology Develope by the Oxford Poverty and Human Development Initiative and the United Nation Developing Programme. নিটি আয়োগে ৰিপোৰ্ট চাবমিট কৰাৰ লগে লগে ভাৰতবৰ্ষৰ শ্ৰেষ্ঠ পাঁচখন ৰাজ্যৰ নাম তেওঁলোকে ঘোষণা কৰিছিল। কেৰেলাৰ দৰিদ্ৰতাৰ

হাৰ- ০.৭১ শতাংশ, গোৱাৰ-দৰিদ্ৰতাৰ হাৰ ৩.৭৬ শতাংশ, চিকিমৰ দৰিদ্ৰতাৰ হাৰ ৩.৮২ শতাংশ, তামিলনাডুৰ দৰিদ্ৰতাৰ হাৰ-৪.৮২ শতাংশ, পাঞ্জাৱৰ দৰিদ্ৰতাৰ হাৰ-৫.৫৯ শতাংশ। তেওঁলোকে আটাইতকৈ বেছি দৰিদ্ৰতাৰ হাৰ থকা পাঁচখন ৰাজ্যৰ কথা কৈছে। বিহাৰৰ দৰিদ্ৰতাৰ হাৰ- ৫১.৯ শতাংশ, ঝাৰখণ্ডৰ দৰিদ্ৰতাৰ হাৰ ৪২.১৬ শতাংশ, উত্তৰপ্ৰদেশৰ দৰিদ্ৰতাৰ হাৰ ৩৭.৯ শতাংশ, মধ্যপ্ৰদেশৰ দৰিদ্ৰতাৰ হাৰ-৩৭.৭৯ শতাংশ, মেঘালয় আৰু অসমৰ দৰিদ্ৰতাৰ হাৰ-৩২.৬২ শতাংশ। যুটীয়াভাৱে আমি পঞ্চম স্থানত আছো। এই বজেটত আঁচনিবোৰ নতুনকৈ ঘোষণা কৰা আছে। কিন্তু যোৱা বছৰ যিবোৰ আঁচনি গ্ৰহণ কৰা হৈছিল তাৰ কোনো আলোচনা ইয়াত কৰা হোৱা নাই। বি জে পি চৰকাৰে নতুন স্কীম আঁচনি ঘোষণা কৰাত পাৰ্গত। কিন্তু স্কীমসমূহ কাৰ্য্যকৰী হৈছে নে নাই সেইটো ডাঙৰ প্ৰশ্ন। মই মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়ানীক এটা উদাহৰণ দিব বিচাৰিছো। Multi Sectoral Development Project. (MSDP) যাক বৰ্তমান ‘প্ৰধানমন্ত্ৰী জন বিকাশ কাৰ্য্যক্ৰম’ বুলি কোৱা হয়। সেইটোত নব্বৈ শতাংশ কেন্দ্ৰীয় চৰকাৰৰ পইচা আছিল আৰু দহ শতাংশ ৰাজ্য চৰকাৰৰ পৰা দিয়া হয়। ইয়াত কোনো টকাৰ অসুবিধা নাছিল আৰু এইটো সংখ্যালঘুৰ বাবে আছিল। সংখ্যালঘু মানে মুছলিম লোককে নুবুজায়। খ্ৰীষ্টান আৰু অন্যান্য লোককো বুজায়। কিন্তু অসমত কেৱল ৩৪.১ শতাংশ হ'ল। শিক্ষা বিভাগত কেৱল ১৬.৬ শতাংশ হ'ল আৰু ৮৩.৪ শতাংশ কাম নহ'ল। শিক্ষা বিভাগৰ মুঠতে অতিৰিক্ত শ্ৰেণী কোঠা বনোৱা, বিল্ডিং বনোৱাৰ বাবে ১৩,৮,৮৬ টা প্ৰকল্প আছিল MSDP ৰ অধীনত। কিন্তু কাৰ্য্যকৰী হ'ল ২,৯৯০ টা । স্বাস্থ্য বিভাগৰ অধীনত MSDP ৰ ৬১০ টা স্কীম আছিল। তাৰে ১৩৬ টা কাৰ্য্যকৰী হ'ল আৰু কাৰ্য্যকৰী হোৱাৰ শতাংশ মাত্ৰ ২২ শতাংশ আৰু ৭৮ শতাংশ ৰূপায়ন নহ'ল। দেশৰ সংখ্যালঘুসকলৰ আৰ্থ-সামাজিক উন্নয়ন, স্বাস্থ্য, শিক্ষা আদি কেতবোৰ বিশেষ উদ্দেশ্য ৰূপায়িত কৰা পি এম জে ভি কে আঁচনিৰ ৯০ শতাংশ ধন কেন্দ্ৰীয় চৰকাৰে দিয়ে আৰু দহ শতাংশ ৰাজ্য চৰকাৰৰ পৰা দিয়া হয়। কিন্তু এইবোৰ ৰূপায়ন নহ'ল। এইবোৰ বি জে পি চৰকাৰৰ ব্যৰ্থতা নহয় জানো। আপুনি বাজেটত Externally Aided Project ৰ কথা উল্লেখ কৰিছে। তাৰে ন টা On Going আছে আৰু বাৰটা Pipe line ত আছে। যোৱাবাৰো আপুনি Externally Aided Project ৰ কথা কৈছিল। কিন্তু কিমান কাম হৈছে সেইটো উল্লেখ কৰা নাই। পানী যোগান আঁচনিৰ গুৱাহাটীৰ জাইকাৰ কথা উল্লেখ কৰা আছে। কিন্তু এইটো কৰিবলৈ কিমান বছৰ লাগিব? Externally Aided Project টো লোনৰ পইচা আৰু এইবোৰ কৰোঁতে কিমান বছৰ লাগিব। নিৰ্ধাৰিত লক্ষ্যত আপোনালোকে এইবিলাক কাৰ্য্যকৰী কৰিব পাৰিছে নে নাই ইয়াত উল্লেখ নাই। আপোনালোকে আঁচনিসমূহ ঘোষণা কৰিছে, কিন্তু কাৰ্য্যকৰী কৰোতে সফল হোৱা নাই বা সফল হোৱাৰ বাবে চেষ্টা কৰা নাই। ইয়াত ইকোন'মিক চাৰ্ভে অফ আসাম দাখিল কৰিছে। তাত আপুনি Credit Deposit Ratio টো নিজেই চাব। অসমত তেত্ৰিশ খন জিলা আছে। ৰিজাৰ্ভ বেংকৰ গাইড লাইন মতে ষাঠি শতাংশ আপুনি আমাক ক্ৰেডিট দিব লাগে। এইখিনি কেইখন জিলাই পাইছে? ষাঠি শতাংশ ক'ভাৰ কৰা জিলা মাত্ৰ তেৰ খন। বাৰ খন জিলা আছে যি চল্লিশ ৰ পৰা ষাঠি শতাংশৰ ভিতৰত আছে আৰু আঠ খন জিলা চল্লিশ শতাংশৰ তলত আছে। মানে বিশ খন জিলা Credit Deposit Ratio টোৰ বেয়া ফলাফল। তাৰ মানে ২০খন জিলাত Credit Deposit Ratio ৰ performance is poor. তাত ই সফল হোৱা নাই। অসমত যিবোৰ Scheduled Commercial Bank আছে, সেইবোৰ চৰকাৰে compel কৰিব লাগে। অন্য ৰাজ্যবোৰত ৰাইজে যিমান credit deposit কৰে, তাতকৈ বেছি লোন তেওঁলোকে পায়

বা তেওঁলোকক দিয়ে। যাৰ বাবে সেই ঠাইৰ উন্নয়ন হৈছে। কিন্তু, আমাৰ ইয়াত মানুহে যিমানখিনি deposit কৰিছে, তাতকৈ কম ক্ৰেডিট পাইছে। আপোনালোকক মই ২০খন জিলাৰ performance যে অতি বেয়া সেইয়া দেখালোৱেই। উপাধ্যক্ষ মহোদয়, বাইদেউয়ে বাজেট ভাষণত, মাননীয় মুখ্যমন্ত্ৰীক পৰিশ্ৰমী, কাৰ্য্যদক্ষ বুলি বহুতো প্ৰশংসা কৰিছে আৰু সেইয়া স্বাভাৱিক। সেইটো আমিও স্বীকাৰ কৰোঁ। তেওঁ বহুত কষ্ট কৰে। অসমৰ ৰাজনীতি তথা প্ৰশাসনত আটাইতকৈ দীৰ্ঘ দিনৰ বাবে ক্ষমতাত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে আছে। সেয়েহে, তেওঁ প্ৰশাসনৰ গোটেই আঁতি-গুৰি জানে। তেওঁ ২১ বছৰ ধৰি ক্ষমতাত আছে। তেওঁ State machinery ৰ লগত জড়িত হৈ আছে। ২০০২ চনত প্ৰয়াত তৰুণ গগৈ চৰকাৰৰ প্ৰথম reshuffle হওঁতে বৰ্তমানৰ মাননীয় মুখ্যমন্ত্ৰীয়েই বিত্ত বিভাগ আৰু P&D ৰ ৰাজ্যিক মন্ত্ৰী আছিল আৰু আমাৰ সন্মানীয় সদস্য ৰকিবুল হুছেইন ডাঙৰীয়া সেই সময়ত গৃহ বিভাগৰ ৰাজ্যিক মন্ত্ৰী আছিল। দুয়োজনে সেই সময়ত একেলগে কাৰ্য্যভাৰ গ্ৰহণ কৰিছিল। তাৰ পিছত, ২০০৬ চনত কংগ্ৰেছ চৰকাৰ পুনৰ শাসনলৈ অহাত বৰ্তমানৰ মাননীয় মুখ্যমন্ত্ৰীয়ে কেবিনেট মন্ত্ৰী হৈ শিক্ষা আৰু স্বাস্থ্য বিভাগৰ দায়িত্ব গ্ৰহণ কৰে। ঠিক তেনেদৰে, ২০১১, ২০১৬ আৰু ২০২১ তো তেওঁ শাসনলৈ আহে আৰু বিত্ত, স্বাস্থ্য, শিক্ষা, এই তিনিওটা বিভাগৰ কেবিনেট মন্ত্ৰীৰ দায়িত্ব লয়। গতিকে, এখন ৰাজ্যৰ উন্নতিৰ বাবে যিকেইটা বিভাগ নিৰ্ভৰশীল সেই আটাইকেইটা বিভাগ তেওঁ চলাই পাইছে। কিন্তু, ইমানখিনি অভিজ্ঞতা থকাৰ পিছতো যিটো ৰিজাল্ট আৰু performance তেওঁ পাব লাগে সেইটো পোৱা নাই। হয়তো পৰিস্থিতিয়ে তেওঁক লগ দিয়া নাই বা তেখেতে পাবলৈ সক্ষম হোৱা নাই। কিয়নো, Sustainable Development Goal ৰ ক্ষেত্ৰত নীতি আয়োগৰ তথ্য অনুসৰি আমি তলৰ পৰা তিনি নম্বৰত আছিলো। সেইটো আমি সকলোৰে গম পাইছো। আপোনালোকে সদায় আপোনালোকৰ কাৰ্য্যকাল ৯ মাহ বুলি ভাৰি নাথাকিব। এই চৰকাৰৰ মুঠ কাৰ্য্যকাল ৫ বছৰ ৯ মাহ হৈছে। মাননীয় মুখ্যমন্ত্ৰীয়ে ৫ খন আৰু বাইদেউয়ে ২ খনকৈ বাজেট দাখিল কৰিছে... interruptions...Poverty Index কংগ্ৰেছে বনোৱা নাই, নীতি আয়োগে বনাইছে। SDG ৰ Index নীতি আয়োগে বনাইছে। মই যিটো লক্ষ্য কৰি আছো, আমাৰ মাননীয় মুখ্যমন্ত্ৰীৰ আৰম্ভণিটো ভাল, কিন্তু finishing টো বেয়া। উদাহৰণস্বৰূপে, নীতি আয়োগে যেতিয়া SDG ঘোষণা কৰি ১৭ টা লক্ষ্য ধৰি দিছিল, তেতিয়া যি তিনি-চাৰিখিন ৰাজ্যই প্ৰথম পদক্ষেপ লৈছিল তাৰ ভিতৰত আমাৰ অসমো আছিল। Assam was one of the first State Governments to come out with their vision document titled- "Assam Agenda, 2030- Strategies and Action for Achieving SDG". It was the first North East State and one of the first few Indian States to adopt SDG at the sub-national level. The State Vision, 2030 was released in February, 2016. The Transformation and Development Department has been assigned as the nodal Department. A centre for SDG was also established in 2016 under the Assam Administrative Staff College as knowledge hub. অৰ্থাৎ উত্তৰ-পূৰ্বাঞ্চল আৰু ভাৰতৰ তিনি-চাৰিখন ৰাজ্যৰ ভিতৰত আমি প্ৰথম আছিলো, কিন্তু নীতি আয়োগে যেতিয়া ৰিজাল্ট দিলে আমি তলৰ পৰা ৩ নম্বৰত আছো। মই বাইদেউক আৰু এটা উদাহৰণ দিব বিচাৰিছো। অলপতে, প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে National Education Policy, 2020 ঘোষণা কৰিলে। এই বিষয়ে ঘোষণা

কৰাৰ সময়তো আমাৰ অসম প্ৰথম। এই Education Policy টো কেনেকৈ ৰূপায়ণ কৰিব পৰা যায় তাৰ বাবে আমাৰ মাননীয় মুখ্যমন্ত্ৰীয়ে লগে লগে ৯ টা working group গঠন কৰিলে য'ত বিভিন্ন কলেজৰ প্ৰিন্সিপালসকলক Chairman হিচাপে দিলে। গতিকে আৰম্ভণিটো ভাল। কিন্তু, আজি কৰ্ণাটক প্ৰথমখন ৰাজ্য যিয়ে এই পলিচিটো ৰূপায়ণ কৰিছে। আনহাতে, উত্তৰ প্ৰদেশ, মধ্য প্ৰদেশতো আৰম্ভ হৈ গ'ল। অসমৰ ক্ষেত্ৰত আমাৰ শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে চেষ্টা কৰিছে, সেইটো মই স্বীকাৰ কৰিছো। আনকি, এই Education Policyটো উত্তৰ-পূৰ্বাঞ্চলত কেনেকৈ ৰূপায়ণ কৰিব পৰা যায় তাৰ বাবে ৰাজ্যপালসকলৰ লগত প্ৰধান মন্ত্ৰীয়ে এখন Conference পাতিছিল। তাত অসমৰ ৰাজ্যপালেও কিছু কথা কৈছিল। কিন্তু কি হ'ল? আকৌ পাহৰিলে। গতিকে, আৰম্ভণিটো ভাল, কিন্তু finishing টো বেয়া। বাইদেউ আপুনি বাজেটখন বনাওঁতে মন কৰিব যে GDP ৰ ক্ষেত্ৰত ভাৰতৰ ভিতৰত আমাৰ ৰাজ্যখনৰ position হৈছে -17th, Per capita rank is 22nd, BPL rate is 31.98, School Education ৰ Quality Index ত আমি 26th , Innovation Index - 31st, Ease of Doing Business- 20th, Healthy State Progressive India ত আমাৰ position হৈছে -24th, Foreign Direct Investment ত 22nd, Human Development Index ত 31st, Unemployment rate is 80.1, স্বচ্ছ ভাৰত অভিযানত ২০ খন শ্ৰেষ্ঠ চহৰৰ ভিতৰত অসমৰ এখনো চহৰ নাই। ৰাজ্যপালৰ ভাষণত Infant Mortality rate টো অলপ আগবঢ়া বুলি চৰকাৰে স্বীকাৰ কৰিছে। কিন্তু, Maternity Death ৰ ক্ষেত্ৰত আমি ভাৰতৰ ভিতৰত প্ৰথম। Infant Mortality rate ত এতিয়া ৩ লৈ নামিছো কিন্তু আগতে ইয়াতো আমি প্ৰথম আছিলো। এতিয়া যদিও লোকপিয়ল হোৱা নাই, কিন্তু National Statistics Office (NSO) ৰ সমীক্ষা মতে আমাৰ Literacy rate টো অলপ বাঢ়িছে। NSO মতে আমাৰ Literacy rate হ'ল-৮৫. ৯০। কিন্তু, নিয়ম মতে, লোকপিয়ল কৰিহে Literacy rate টো নিৰ্ধাৰণ কৰে। গতিকে, এই বাজেটখনে এই কথাবোৰ সাঙুৰি লোৱা নাই। আপোনালোকৰতো double engine Government. দিল্লীত প্ৰধান মন্ত্ৰী আপোনালোকৰ। প্ৰধান মন্ত্ৰীও বহুত কাৰ্য্যক্ষম আৰু কঠোৰ পৰিশ্ৰমী, আমাৰ মুখ্যমন্ত্ৰীয়েও কঠোৰ পৰিশ্ৰম কৰে। তথাপি ক'ৰবাত নহয় ক'ৰবাত কিবা এটা খেলি-মেলি হৈছে। সেই কাৰণে মই কৈছো, ৰজাই যুদ্ধত নেতৃত্ব দিব লাগে, কিন্তু ৰজাই নিজে যুদ্ধ কৰিব নালাগে সেই কাৰণে মই কৈছো যে ৰজাই যুদ্ধৰ নেতৃত্ব দিব লাগে কিন্তু নিজে যুদ্ধ কৰিব নালাগে। ৰজাই সেনাপতিসকলক যুদ্ধলৈ পঠিয়াব লাগে আৰু যুদ্ধলৈ যাওঁতে তেওঁলোকক যিখিনি অস্ত্ৰ-শস্ত্ৰ আৰু খাদ্য সম্ভাৰ লাগে সেইখিনি দি পঠিয়াব লাগে। ৰজাই যুদ্ধৰ গতি বিধি কিন্তু লক্ষ্য কৰি থাকিব লাগে। যদি ৰজাই নিজে যুদ্ধলৈ নামি যায় তেতিয়াহ'লে সেনাপতিসকল সৈনিকলৈ convert হৈ যায়। এতিয়া যিসকল কেবিনেট মন্ত্ৰী আছে তেওঁলোকক ক্ষমতা দিব লাগে আৰু সাংবিধানিক সকলো মৰ্য্যদা দিব লাগে। কিন্তু আজি আমাৰ অসমত এটা কথাই ওলাই আছে যে মুখ্যমন্ত্ৰীয়ে সকলো কৰে আৰু বেলেগ কোনো নাই। মুখ্যমন্ত্ৰীয়ে যদি সকলো হয়, তেতিয়া কেবিনেট মন্ত্ৰী সকল তেওঁৰ সচিবলৈ convert হৈ যায়।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী) ঃ** উপাধ্যক্ষ মহোদয়, তেখেতে যিটো কেবিনেট মন্ত্ৰীৰ কথা কৈছে, সেইটো unparliamentary expression শব্দ। আমাৰ লগত আলোচনা কৰি মুখ্যমন্ত্ৰী মহোদয়ে কাম কৰে, গতিকে সন্মানীয় বিধায়ক গৰাকীৰ সেইখিনি বক্তব্য expunge কৰিব লাগে।

**শ্ৰী মতী অজন্তা নেওগ, (মন্ত্ৰী) ঃ** ইমান এজন জ্যেষ্ঠ বিধায়ক হৈ তেখেতে পাঠ্যপুথিৰ বাহিৰৰ কথা কৈ আছে।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, সংসদত অটল বিহাৰী বাজপেয়ী ডাঙৰীয়াই ইন্দিৰা গান্ধী ডাঙৰীয়ানীক কেবিনেট মন্ত্ৰী সভাৰ বিষয়ে ১৯৭২ চনত কৈছিল। সেইটো যদি delete হোৱা নাই, তেতিয়াহ'লে এইটো delete কৰিব নালাগে। ৰেকৰ্ডটো চেক কৰি ল'ব।

**শ্ৰী ভৰত নৰহ, (নাওবৈচা) ঃ** চাৰ, মই এইটো উঠাই লৈছো। আপুনি expunge কৰি দিয়ক। এইকাৰণে মহাভাৰতৰ যুদ্ধত শ্ৰী কৃষ্ণই যুদ্ধ কৰা নাছিল। তেখেতে অৰ্জুনৰ ৰথহে চলাইছিল যদিও গোটেই যুদ্ধৰ পৰিকল্পনাটো তেখেতৰে আছিল। ভগৱান বিষ্ণু বা স্বৰ্গৰ ৰজা ইন্দ্ৰৰ ইমান অসীম ক্ষমতা থকাৰ পাছতো বেলেগ বেলেগ বিভাগ খুলি দেৱতা সকলক ক্ষমতা দিছিলে। ভগৱান শ্ৰী কৃষ্ণ অকলে কৰিব নোৱাৰে। মহাপুৰুষ শংকৰদেৱ হিন্দু আছিল, কিন্তু তেখেতে কেতিয়াও মুছলমানক ঘৃণা কৰা নাছিল। বৰঞ্চ নামঘৰৰ লাইখুটা মুছলমানৰ হাতেৰে পুতাইছিল। আজান ফকিৰ মুছলমান আছিল কিন্তু তেওঁ কেতিয়াও হিন্দুক ঘৃণা কৰা নাছিল। সেইকাৰণে আজান ফকিৰে জিকিৰত গাইছে "হিন্দু কি মুছলমান একে আল্লাৰ পৰমান। " এই দুই জনা মহাপুৰুষক লৈ আমি অসমীয়া হিচাপে গৰ্বিত। যেতিয়া প্ৰভু শ্ৰী ৰামে ৰামায়ণৰ যুদ্ধত ৰাবণৰ বুকুত শৰ মাৰি শৰবিদ্ধ কৰিলে তেতিয়া তেওঁ ভাতৃ লক্ষ্মণক ৰাৱণৰ ওচৰলৈ গৈ তেওঁৰ পৰা কিছু জ্ঞান ল'বলৈ ক'লে। ৰামে ভাতৃক ক'লে যে তেখেত বহুত জ্ঞানী মানুহ। কৰ্মদোষত আজি তেওঁৰ এই অৱস্থা হৈছে। যেতিয়া ৰাৱণৰ ওচৰত গৈ লক্ষ্মণ থিয় হ'ল, প্ৰথমে ৰাৱণে কোনো জ্ঞান দিবলৈ মান্তি হোৱা নাছিল। কিন্তু শেষত ৰাৱণে লক্ষ্মণক কিছু উপদেশ দি গ'ল যে "কেতিয়াও অহঙ্কাৰ নকৰিবা, অহঙ্কাৰে পতন আনে। শত্ৰুক কেতিয়াও দুৰ্বল বুলি নাভাৰিবা। লোভ নকৰিবা, লোভেই পাপ, পাপেই মৃত্যু আৰু শুভ কামত দেৰি নকৰিবা।" ৰাৱণে স্বৰ্গলৈ ৰাস্তা বনাব পাৰিলেহেঁতেন, কিন্তু বনাম বনাম বুলি ৰৈ থাকোতে তেখেতৰ বনোৱা নহ'ল। আপোনালোকৰ performance ৰ জোখ-মাখ লোৱাৰ অধিকাৰ আমাৰ নাই। আমি সমালোচনাহে কৰিব পাৰো। কিন্তু আপোনালোকৰ ওপৰতো মানুহ আছে, আপোনালোকৰ performance ৰ জোখ-মাখ ল'বলৈ। নাগপুৰত RSS আছে, দিল্লীত বি জে পি চৰকাৰ আছে। তেওঁলোকে আপোনালোকৰ performance বিচাৰ কৰিব। যেনেকৈ নীতি আয়োগে performance চেক কৰে তেনেকৈ National Crime Record Bureau ই law and order crime চেক কৰে। National Crime Record Bureau ই কৈছে যে অসমত মহিলাৰ ওপৰত crime বাঢ়িছে। Domestic violence,kidnapping, molestation,ঘৰুৱা হিংসা, হত্যা, ধৰ্ষণ, আত্মহত্যা এইবিলাক বাঢ়িছে। যোৱাকালি মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে যে তেওঁ বহুত মানুহ arrest কৰিছে কিন্তু অকল arrest কৰিলেই problem টো শেষ নহয়। ২০২০ চনত ১,৩৩,৬৪১ জন মানুহক অসমত arrest কৰা হৈছিল। 61,666 charge sheet were filed and only 949 got convicted.Conviction rate কিমান? ২০২০ চনৰ অসমত Conviction rate ১.৫৩ শতাংশ আৰু National average ত ১৪.৩৫ শতাংশ। আজি কেশৱ মহন্ত ডাঙৰীয়া আছে, National Family Health Survey data ৫ নং যিটো 2019 চনত ওলাইছিল তাৰ আছে যে 30% of women in assam reported spousal violence . ২০১৪-১৫ চনত যেতিয়া National Family Health Survey data ৪ নং ত উলিয়াইছিল

তাত women spousal violence আছিল মাত্র ২৪.৫ শতাংশ। সেইটো বাঢ়ি গৈছে আৰু young women sexual violence National Family Health Survey data ৪ নং ত আছিল ৫.৮ শতাংশ আৰু এতিয়া National Family Health Survey data ৫ নং ত এইটো ৮ শতাংশ হৈছে। The rate of crime against women is higher than national average in 2019. It is more than thrice. এই কথাখিনি মই এইকাৰণে আনিলো যে অসমৰ economic development ৰ কাৰণে বা tourism ৰ কাৰণে আমাক law and order লাগিব বা শান্তি আৰু নিৰাপত্তা লাগিব। মই শেষত এইটোৱে ক'ব বিচাৰিছো যে কৃষি বিভাগ,উদ্যোগ বিভাগ, গ্ৰাম্য উন্নয়ণ বিভাগ আৰু পৰ্য্যটন বিভাগক যিটো গুৰুত্ব দিব লাগিছিল বা যেনেকৈ পইচা allocation দিব লাগে তেনেকৈ দিয়া নাই। এইটো অসমৰ মৌলিক সমস্যা। এইটো নিদিলে অসমৰ উন্নতি নহয়। আমাৰ কাজিৰঙা আছে, মানাহ আছে । আমাৰ মা কামাখ্যা মন্দিৰ আছে, চৰাইদেউ- চ্যুকাফা আছে আৰু কি আছে ? এতিয়া কাজিৰঙা আৰু মানাহত যিবিলাক টুৰিষ্ট আহে তেওঁলোকক ইক' টুৰিষ্ট বুলি কয়। আজি আমাৰ মা কাম্যাখ্য দৰ্শন কৰিবলৈ যিসকল আহে তেওঁলোকক ৰিলিজয়াচ টুৰিষ্ট বুলি কয়। কিন্তু ইক' টুৰিষ্ট আৰু ৰিলিজিয়াচ টুৰিষ্টৰ পৰা ৰাজ্যখনে ৰেভিনিউ নাপায়। কাৰণ এই দুইধৰণৰ টুৰিষ্টে বেছি টকা-পইচা লগত লৈ নাহে । এতিয়া কোনবিলাক টুৰিষ্টে বেছি টকা -পইচা লৈ আহে , লেইজাৰ টুৰিষ্টে বেছি টকা পইচা লৈ আহে। আজি বেংককত, ছিংগাপুৰত লেইজাৰ টুৰিষ্ট বেছিকৈ আহে। এতিয়া লেইজাৰ টুৰিষ্ট আকৰ্ষণ কৰি আনিবলৈ যিখিনি International Standered Tourist Site লাগে সেইবিলাক অসমত নাই। গতিকে International Standered Tourist Site অসমক লাগে তেতিয়াহে লেইজাৰ টুৰিষ্ট অসমত আহিব। টুৰিষ্ট আহিলেহে অসমে পইচা পাব। যিবিলাক লেইজাৰ টুৰিষ্ট আমি তেওঁলোকৰ ক্ৰেক্টাৰটো জানিব লাগিব, তেওঁলোকে কি বিচাৰে। আজি উপকূলীয় যিবিলাক ৰাজ্য পশ্চিম বঙ্গ, উৰিষ্যা, তামিলনাডু, কেৰেলা, গুজৰাট ইত্যাদি আছে তেওঁলোকৰ তাত কিয় আহে কাৰণ তেওঁলোকৰ তাত সাগৰীয় বীচ্ছ আছে। আমাৰ ইয়াত তেনেকুৱা বীচ্ছ নাই। ইন্টাৰনেশ্যনেল টুৰিষ্ট- লেইজাৰ টুৰিষ্টসকলে কি বিচাৰে- তেওঁলোকে ৰুমৰ ভিতৰত গা ধুব নিবিচাৰে- তেওঁলোকে মুকলি ঠাইত গা ধুব বিচাৰে। মুকলি ঠাইত গা ধুই তেওঁলোক মুকলি ঠাইত শুই শুই কিতাপ পঢ়ি থাকিব। তেওঁলোকক শান্তি আৰু নিৰাপত্তা লাগিব । ইন্টাৰনেশ্যনেল- কন্টিনেন্টেল ব্ৰেক ফাষ্টৰ বাবে ইন্টাৰেনেশ্যনেল ষ্টেণ্ডাৰ্ড ৰেষ্টুৰেষ্ট বিচাৰিব। মাননীয় টুৰিষ্ট মিনিষ্টাৰ আছে, তেখেতক নিজৰ কামত এক্টিভ দেখিছো । আপোনালোকে International Standered Tourist Site অসমত কৰিব পাৰে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰো আইডিয়া আছে, আমি দেখা পাইছো। কিন্তু কৰা নাই। আপোনালোকে Brhamaputra and Borak River vally development Authority এটা খুলিব পাৰে। গোৱালপাৰাত, গুৱাহাটীত, তেজপুৰত যোৰহাটত , ডিব্ৰুগড়ত ব্ৰহ্মপুত্ৰ নদীৰ পাৰত International Standered Tourist Site আপোনালোকে বনাব পাৰে। গুৱাহাটীৰ উজান বজাৰৰ ফালে , খাৰখুলিত নৈৰ পাৰৰ বালিত International Standered Tourist Site এনেকৈ বনাব লাগিব যাতে তাত লেইজাৰ টুৰিষ্ট বিলাকে আহি তাত গা ধুই গাত ৰ'দ লৈ ছুটি কটাব পাৰে। কাৰণ অক্টোবৰৰ পৰা ফেব্ৰুৱাৰীলৈ আমাৰ নদীবোৰ বহু পৰিস্কাৰ আৰু পবিত্ৰ হৈ থাকে । নদীত গা ধোৱাৰ পিচত আৰু আপুনি ঘৰত গা ধুব নালাগে কিন্তু কেৰেলাত কিন্তু নদীত গা ধুই ঘৰত আহি গা ধুব লাগিব। অসমত কিন্তু গা ধুব নালাগে কিন্তু স্পটবিলাক আমি বনাব লাগিব। সেইখিনি বনাবলৈ ৫০ -১০০ কোটি টকা দিলে

নহ'ব - হাজাৰ -হাজাৰ কোটি টকা দিলেহে কামত আহিব। বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে যিখন বাজেট দাখিল কৰিলে এই বাজেটৰ শেষৰ কথাটো - নিজৰ ৰেভিনিউ যদি আমি বঢ়াব নোৱাৰো তেতিয়াহ'লে আমাৰ উন্নতি নহয়। কিন্তু এই বাজেটখনত ৰেভিনিউৰ বঢ়াবলৈ চৰকাৰৰ ইচ্ছা নাই যেন লাগিছে। চৰকাৰ ঋণ লোৱাত হে আগ্ৰহী। কেনেকৈ ঋণ ল'ব পাৰো। এই কথাৰে দৃষ্টি আকৰ্ষণ কৰি বক্তব্য সামৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য, চক্ৰধৰ গগৈ। আপোনালোকৰ দলৰ ২০৮ মিনিট আছিল, তাত উত্তৰো আছে। ১০ গৰাকী ব্যক্তিৰ নাম দিছিল। ৮-৯ মিনিট কৈ ক'লে সকলোৱে ক'বলৈ পাব।

**শ্ৰীচক্ৰধৰ গগৈ, (মৰাণ) ঃ** ধন্যবাদ, উপাধ্যক্ষ মহোদয়। ড° হিমন্ত বিশ্ব শৰ্মা দেৱৰ নেতৃত্বৰ অসম চৰকাৰৰ মাননীয় বিত্ত মন্ত্ৰী অজন্তা বাইদেউয়ে কালি সদনৰ মজিয়াত উপস্থাপন কৰা ২০২২-২৩ বৰ্ষৰ যি বাজেট, এই বাজেট আলোচনাত আমি ভাগ লৈ কিছু কথা ৰাখিব খুজিছো। আমাৰ বিৰোধী দলৰ এগৰাকী জ্যেষ্ঠ সদস্য মাননীয় ভৰত নৰহ ডাঙৰীয়া মাননীয় ভৰত নৰহ ডাঙৰীয়াৰ বক্তব্যৰ পৰা আমি বহুখিনি নঞাৰ্থক কথা আমি শুনিবলৈ পালো। যিখিনি কথাৰ প্ৰকৃততে কোনো সত্যতা নাই। সঁচা ক'বলৈ গ'লে আমি গোটেই কথাখিনি বেচলেচ বুলি ক'ব পাৰো। এই খন চৰকাৰৰ দিনত বিশেষকৈ ২০১৬ চনৰ পৰা বৰ্ত্তমানলৈকে এই বিজেপি নেতৃত্বাধীন চৰকাৰখনে আজিলৈকে যিমানবাৰেই বাজেট দাখিল কৰিছে প্ৰতিবাৰেই বাজেটখন সফলভাবে ৰূপায়ণ কৰি, অসমৰ পাহাৰ-ভৈয়াম- ব্ৰহ্মপুত্ৰ- বৰাকৰ মানুহক একাকাৰ কৰি সৰ্ব্বদিশত উন্নতিৰ কামনাৰে চৰকাৰখনে সমাজখনক আগুৱাই লৈ গৈছে। গতিকে এই বাজেটখনক আমি এক অৰ্থত আদৰ্শ আৰু এক জনকল্যাণকামী বাজেট বুলি অভিহিত কৰিব পাৰো। আয় আৰু ব্যয়ৰ মাজত সমতা স্থাপন কৰি কোনোধৰণৰ অতিৰিক্ত কৰৰ বোজা আৰোপ নকৰাকৈ মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে যিখন বাজেট প্ৰস্তুত কৰিলে ই প্ৰকৃতাৰ্থত জনমংগল সাধন কৰিব । অসমৰ অৰ্থনিতি আৰু বিশেষভাৱে গ্ৰাম্য অৰ্থনিতি ত্বৰান্বিত কৰি অসমক ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ যিটো অৰ্থনৈতিক দৌৰ, তাত আমি শক্তিশালীভাৱে আমি আগবাঢ়ি যাব পাৰিম বুলি আমাৰ বিশ্বাস হৈছে। যোৱা প্ৰায় দুটা বছৰে বিভিন্ন প্ৰাকৃতিক দুৰ্যোগে আমাৰ জনজীৱনক স্তব্ধ কৰি তোলা কঠিন সময়ছোৱাত আমাৰ মুৰব্বী ড° হিমন্ত বিশ্ব শৰ্মা দেৱ নেতৃত্বাধীন এই চৰকাৰখনে বিচক্ষণতাৰে আমাৰ এই সমাজখনক দুৰ্গতিৰ পৰা ৰক্ষা কৰিলে কিন্তু তাৰ পাচতো এনে এখন জনকল্যাণকামী বাজেট প্ৰস্তুত কৰি ৰাইজৰ মাজলৈ আগবঢ়াই দিলে মই তাৰ বাবে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক আৰু বিত্ত মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো। আজি আমাৰ মাননীয় মুখ্যমন্ত্ৰী দেৱৰ বলিষ্ঠ নেতৃত্বত অসমে পাহাৰ ভৈয়াম একাকাৰ কৰি বৰাক- ব্ৰহ্মপুত্ৰৰ সমন্বয়ৰ সেঁতুৰে উন্নয়ণৰ অষ্টাদশী মুকুতা মালা গাঁথি জাতিটোক সাঙুৰি ল'বলৈ সক্ষম হৈছে। আমি সকলোৱে জানো যে অসমৰ পাহাৰ ভৈয়াম আৰু বৰাক ব্ৰহ্মপুত্ৰৰ সকলো জাতি জনগোষ্ঠী সকলোকে একত্ৰিত কৰি এই বৃহত্তৰ জাতিটোক আগুৱাই নিয়াটো বিগত দিনবিলাকত ইমান মশৃণ নাছিল । কিন্তু ২০১৬ চনৰ পৰা আমি অনুভৱ কৰিছো অসমৰ যোৱা ৬ বছৰৰ ৰাজনৈতিক যিটো ইতিহাস আছিল এই ইতিহাস যদি অধ্যয়ন কৰো, আমি ২০১৬ চনৰ অসমৰ ৰাজনৈতিক প্ৰেক্ষাপটৰ ইতিহাস আৰু ২০১৬ চনৰ অসমৰ ৰাজনৈতিক প্ৰেক্ষাপটৰ দুটা ৰূপত দেখিবলৈ সক্ষম হৈছো। আজি আমাৰ বাজেটত যিখিনি আঁচনি গ্ৰহণ কৰিছে তাৰ পৰা আমি নিশ্চিতভাবে ক'ব পাৰো যে আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে আমাৰ প্ৰাচীন অৰ্থনীতিবিদ কৌটিল্যৰ এটা দৰ্শন তথা উক্তিৰ গুঢ়াৰ্থ অৰ্জন কৰি তেখেতেসকলে

আগবাঢ়িছে। কোটিল্যৰ সেই উক্তিটো হৈছে--

তদা সুখে প্ৰজা সুখং য
প্ৰজা সুখে সুখং ৰাজা।
তদানাং তু হিতে হিত্ম
মাহাত্ম প্ৰিয়ং সুখং ৰাজা
প্ৰজানং তু প্ৰিয় হিতম্ ।।

প্ৰজাৰ সুখতে ৰজাৰ সুখ হ'ব পাৰে বা হ'ব লাগে আৰু আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াও সেই কথাকে সাৰোগত কৰি প্ৰজাৰ সুখকে নিজৰ সুখ বুলি লৈ প্ৰজাৰ সুখ সমৃদ্ধিৰ বাবে, উন্নয়ন তথা উন্নতিৰ বাবে আজি সৰ্বাত্মক ভাৱে সৰ্বব্যাপি সৰ্বগ্ৰাহী আঁচনি আজি গ্ৰহণ কৰা হৈছে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক আমি দেখিছোঁ যে তেখেতৰ নেতৃত্বত যোৱা দহ টা মাহে তেখেতে নিজে কোনো দিন জিৰণি লোৱা নাই, ভাগৰি পৰা নাই আৰু তেখেতৰ মন্ত্ৰী বৰ্গকো তেখেতে শান্তিৰে কাকো থাকিব দিয়া নাই, কাৰণ শান্তি মানে মই এইটো অৰ্থাৎ মই ক'ব খোজা নাই যে কাৰোবাক অশান্তি দি আছে। মই এইটো অৰ্থত কব খুজিছোঁ যে তেখেতলোকক আৰাম প্ৰিয় হ'বলৈ দিয়া নাই। বৰঞ্চ কৰ্মৰ পথাৰত প্ৰত্যেকটো দিনে পুৱাৰ পৰা গধূলিলৈকে কামত লাগিবৰ কাৰণে উদ্যত হৈছে আৰু নিজেও কামত অগ্ৰসৰ হৈছে। কাৰণ কৰোণাৰ সময়ত আমি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক আমি দেখিছিলোঁ যে তেখেতৰ সতীৰ্থ মন্ত্ৰী সহ গৈ বিভিন্ন গাঁও, বিভিন্ন হস্পিতাল, বিভিন্ন স্কুল, কলেজ বা যিবোৰ কভিড কেয়াৰ চেন্টাৰ আছিল সেইবিলাকতো গৈ তেখেতে ৰোগী সকলৰ খবৰ লৈছিল, ৰোগী সকলে কেনেকৈ আগবাঢ়ি গৈছে, ভাল হৈছে নে, বেয়া হৈছে, ক'ত কি অসুবিধা আছে, এইখিনি তেখেতলোকে চোৱা-চিতা কৰিছিল। গতিকে মুখ্যমন্ত্ৰী ডাঙৰীয়াই যি অহোপুৰুষাৰ্থ চেষ্টা কৰিছে ৰাজ্যখনক নতুনকৈ নিৰ্মাণ কৰিবৰ কাৰণে এই কথাখিনিত আমি ভাৱো বিৰোধীয়ে সমালোচনা কৰাৰ বিপৰীতে আমাক সহযোগিতা কৰাৰ আজি প্ৰাসঙ্গিকতা আহিছে। বিৰোধীয়ে যিমানে সমালোচনা নকৰক কিয় আমাৰ এই বাজেটখনে কিন্তু অনাগত দিনত সুন্দৰ ভৱিষ্যতৰ বিষয়ে ইতিমধ্যে ইংগিত প্ৰদান কৰিছে। মই পূৰ্বতে কৈছো যে বিগতদিনৰ ৰাজনৈতিক ইতিহাসটো যদি অধ্যায়ন কৰো, অধ্যয়ন কৰিলে এটাই কথা আমি দেখা পাওঁ যে ২০১৬ চনৰ অসমৰ এটা ৰূপ আৰু ২০১৬ চনৰ পিছৰ অসমৰ আন এটা ৰূপ বৰ্তমানৰ সময়লৈকে, দুটা ৰূপত আমি অসমখনক দেখা পাইছোঁ। পূৰ্বৰ চৰকাৰৰ দিনত আমি আপোনালোকক ক'ব নালাগে আজি আপোনালোকে মূল্য বৃদ্ধিৰ কথা কয়, তেলৰ দাম যেতিয়া বৃদ্ধি হয় আন্তঃৰাষ্ট্ৰীয় বজাৰত, তেতিয়া তেলৰ দাম ইয়াত বৃদ্ধি হলে আপোনালোকে আমাক গালি পাৰে, সমালোচনা কৰে। কিন্তু আপোনালোকৰ মনত আছে নে নাই মই নাজানো যে, কংগ্ৰেছ চৰকাৰৰ দিনত আমি ১৫০ টকাকৈ দি পিয়াজ কিনি খাইছিলোঁ। ২০০ টকাকৈ দি বুট-মাহ কিনি মানুহৰ শ্ৰাদ্ধ পাতিব লগীয়া হৈছিল। এই কথা কিন্তু আপোনালোকে পাহৰি গ'লে নহ'ব। আজি তাৰ বিপৰীতে আমাৰ কিছুদিন আগত যি তেলৰ দাম বৃদ্ধি হৈছিল, তাকো কমোৱা হৈছে, চৰকাৰে উদ্যোগ লৈছে তাৰ বাবে, তাৰ উপৰিও অন্যান্য কৃষিজাত সামগ্ৰীৰ দামদৰ ইতিমধ্যে stable হৈ আছে, মানুহৰ তাৰ বাবে কোনো ধৰণৰ প্ৰতিবাদ নাই। জনতাই তাক গ্ৰহণ কৰি লৈছে। কাৰণ মানুহে গোটেই পৰিৱেশ পৰিস্থিতিটো অধ্যয়ন কৰি লৈছে। কাৰণ যোৱা দুটা বছৰে কৰোণাই যিটো ধৰণে আমাক সংহাৰী ৰূপত আগ্ৰাসী ৰূপত আমাৰ গোটেই অৰ্থনীতি ভাঙি লৈ গ'ল, তাৰ পিছত মাননীয় কংগ্ৰেছৰ সদস্য ভৰত চন্দ্ৰ নৰহ ডাঙৰীয়াই কি দৰে কয় যে আপোনালোকে আঁচনি লয় আঁচনি কাৰ্য্যকৰী কৰিব পৰা নাই। এনেধৰণৰ প্ৰশ্ন

তেখেতে উত্থাপন কৰে। কিন্তু আমি আপোনাক জনাইছো যে ২০১৬ চনৰ পৰা ২০২২ চনৰ আজিৰ এই দিনতোলৈকে এই খন চৰকাৰে আজিৰ মুখ্যমন্ত্ৰী সেই সময়ৰ বৃত্তমন্ত্ৰী আৰু অন্যান্য দপ্তৰত আছিল। সেই দিনটোৰ পৰা সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ দিনৰ পৰা আজিলৈকে এই খন চৰকাৰৰ দিনত যিমান আঁচনি গ্ৰহণ কৰা হৈছে আটাইখিনি আঁচনি কাৰ্য্যকৰী কৰা হৈছে আৰু ইয়াৰ মূল ব্যক্তি গৰাকী আজি ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত অসমৰ প্ৰত্যেক খন আঁচনি এটা নতুন ৰূপত মানুহৰ মাজত আনি দিব পৰা হৈছো আৰু মানুহে তাৰ পৰা লাভ ইতিমধ্যে গ্ৰহণ কৰিছে। এই খন চৰকাৰৰ দিনত পূৰ্বৰ ৰূপটোৰ আৰু এটা দিশত মই উন্মোচিত কৰিব খুজিছোঁ। ২০১৬ চনৰ আগৰ যিখনত অসমত চৰকাৰ আছিল সেই চৰকাৰৰ সময়ত সৰ্বস্তৰৰ একেবাৰে মুখ্যমন্ত্ৰীৰ অফিচৰ পৰা আৰম্ভ কৰি একেবাৰে ৱাৰ্ড মেম্বাৰৰ অফিচলৈকে যিটো ধৰণে দালাত দুৰ্নীতি ভ্ৰস্তচাৰ আছিল আজি আপোনালোকে তাৰ এটা নমুনাও দেখুৱাব নোৱাৰে। আজি মুখ্যমন্ত্ৰী অফিচৰ পৰা আৰম্ভ কৰি পঞ্চায়ত কাৰ্য্যালয়লৈকে আমাৰ চৰকাৰৰ দিনত এটা পৰিস্ফুট চৰকাৰ য'ত দালাল দুৰ্নীতি, ভ্ৰষ্টাচাৰ মুক্ত কৰি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এখন নিকা প্ৰসাশন দিবলৈ সক্ষম হৈছে। গতিকে এই কথাবিলাক আপোনালোকে পাহৰি গ'লে নহ'ব, পূৰ্বৰ সেই ৰূপটোৰ কথা আপোনালোকে কেতিয়াও পাহৰি নাযাব। কাৰণ আপোনালোকৰ চৰকাৰৰ দিনত হোৱা দুৰ্নীতিয়ে মানুহৰ সমাজ খনক কোঙা কৰি পেলাইছিল আৰু মানুহক গনতন্ত্ৰৰ প্ৰতি আস্থাহীনতাৰ এটা ভাৱ সৃষ্টি কৰিছিল আৰু ৰাজনৈতিক নেটা সকলৰ প্ৰতি বিশেষকৈ আপোনালোকৰ নিচিনা, আমাৰ নিচিনা যি সকল জনপ্ৰতিনিধি আছো এই সকলৰ ওপৰত আস্থাহীন কৰি তুলিছিল। কিন্তু আজি মানুহৰ মাজত সেই আস্থা পুনৰ চৰকাৰখনে ঘুৰাই আনিবলৈ সক্ষম হৈছে আৰু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই সৰ্বস্তৰৰ দুৰ্নীতি নিৰ্মূল কৰিবৰ কাৰণে কৰ্মচাৰী সকলৰ মাজতো কৰ্মৰ প্ৰেৰণা, কৰ্মৰ ভাৱনা জাগ্ৰত কৰিছে আৰু আমাৰ যি সকল জনপ্ৰতিনিধি বা অন্যান্য স্তৰৰ লোক আছে সেই সকলক দুৰ্নীতিৰ পৰা বিৰত থাকিবৰ কাৰণে বা দূৰত থাকিবলৈ তেখেতে পৰামৰ্শ দিছে।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰীচক্ৰধৰ গগৈ, (মৰাণ) ঃ** গতিকে এই দুটা পাৰ্থক্য, পূৰ্বৰ চৰকাৰৰ নমুনা আৰু বৰ্তমান চৰকাৰৰ নমুনা আপোনালোকে অনুভৱ কৰিব। অইন এটা দিশত আজি আপোনালোকক মনত পেলাব খুজিছোঁ যে ২০১৬ চনৰ আগত এইখন অসমত ড্ৰাগচ, ভাং, গাঞ্জা আৰু বিভিন্ন অপৰাধ মূলক, যিবোৰ নিচাযুক্ত দ্ৰব্য এই দ্ৰব্যৰ ভৰমাৰ হৈছিল, সমাজ খনক চানি ধৰিছিল।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ, please conclude.

**শ্ৰীচক্ৰধৰ গগৈ, (মৰাণ) ঃ** কিন্তু ২০২২ চনৰ এই আজিৰ দিনটোতো আপোনালোকে দেখিছে যে যিমান যেনেধৰণে য'ত বেয়া কাম হৈ আছে তাৰ ইতিমধ্যে প্ৰত্যুত্তৰ দিয়া হৈছে। আৰক্ষী বিভাগে হওঁক বা প্ৰশাসনেই হওঁক আজি হাজাৰ হাজাৰ শ শ কিলোগ্ৰাম ভাং-গাঞ্জা বা অন্যান্য অপিয়াম জাতীয় বিভিন্ন যিবিলাক নিচা যুক্ত দ্ৰব্য ইতিমধ্যে উদ্ধাৰ হৈছে আৰু গন্দাই গন্দাই মানুহ জেললৈ নিক্ষেপ কৰা হৈছে। কিন্তু আপোনালোকে ক'ব পাৰিব নেকি ২০১৬ চনত তেনে কিমানটা উদাহৰণ আছে। তাৰ উদাহৰণ আপোনালোকে মনত বিচাৰি ল'ব। গতিকে মই ভাৱো এই যি দুটা প্ৰশাসনৰ ৰূপ, নব্য ৰূপ আমি আজি অসমত দেখিবলৈ পাইছোঁ। এই নব্যৰূপ আজি অসমৰ মানুহে অসমৰ জনগনে ইতিমধ্যে আন্তৰিকতাৰে গ্ৰহণ কৰিছে। সেইবাবে ভাৰতীয় জনতা পাৰ্টীৰ নেতৃত্বত যতেই নিৰ্বাচন হৈছে তাতেই আমাৰ বিজয় সাব্যস্ত কৰিবলৈ সক্ষম হৈছে। অইন এটা দিশ মই উন্মোচন কৰিব খুজিছো আজি যে কিছু কিছু মানুহক তাহানিতে যেতিয়া ডেকা বয়সত বিভিন্ন

সমাজৰ কাম কৰি আছিলো আমি কেতিয়া কোনোবা ৰাজনৈতিক নেটা গলে আমি ভাষণ শুনিবলৈ যাওঁ, তেতিয়া তেওঁলোকে কোৱা শুনিছিলোঁ যে 'হামাৰে হাত গৰীবকে সাথ'। তেওঁলোকে বক্তব্য দিছিল, ভাষণ দিছিল হামাৰে হাত গৰীবকে সাথ। অৰ্থাৎ কাৰ এই হাত আপোনালোকে জানে, সেই সময়ত কংগ্ৰেছ চৰকাৰ আছিল আৰু কংগ্ৰেছ দলে কৈছিল যে কংগ্ৰেছ কে হাত গৰীবকে সাথ। কিন্তু কংগ্ৰেছৰ সেই হাতেৰে কি লৈ গৈছিল মানুহৰ ওচৰলৈ, আঠুৱা, কম্বল আৰু সূতা তেওঁলোকে উন্নয়নৰ নমুনা দেখুৱাব পৰা নাছিল। কিন্তু আমি আঠুৱা, কম্বল আৰু সূতা লৈ জনতাৰ ওচৰলৈ দুখীয়া মানুহ বুলি কাৰো ওচৰত যোৱা নাই। তাৰ বিপৰীতে আমি উন্নয়নৰ নমুনা লৈ গৈছোঁ। আমি ৰাস্তা, দলং নিৰ্মাণ কৰি ৰাইজক নিজৰ ওপৰত নিজে নিৰ্ভৰশীল হ'ব পৰাকৈ বিভিন্ন আঁচনি গ্ৰহণ কৰিছোঁ। যাৰ বাবে আজি মহিলা সকলক কনকলতা আঁচনিৰ যোগেদি, অৰুণোদয় আঁচনিৰ যোগেদি আমি স্বাৱলম্বীতাৰ কথা কৈছোঁ। সেই দিশত তেওঁলোকে লোকে আজি আগবাঢ়িছে। গতিকে পূৰ্বৰ সেই ২০১৬ চনৰ আগৰ চৰকাৰৰ ৰূপ আৰু এতিয়াৰ চৰকাৰৰ ৰূপ সম্পূৰ্ণ বেলেগ, আমি এটা নতুন দিশেৰে আমাৰ মহিলা সমাজ খনক, আমাৰ গাঁৱৰ যুৱক সকলক লৈ যোৱাৰ কাৰণে প্ৰয়াস প্ৰচেষ্টা ৰাখিছোঁ। গতিকে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু বিত্তমন্ত্ৰী ডাঙৰীয়ানী বাইদেউক আমি এই বাজেটৰ বাবে ধন্যবাদ জনাইছোঁ। বহু কথা আছিল ক'বলৈ, কিন্তু সময় কম, শেষত এটা কথাৰ বাবে ধন্যবাদ জনাই মই মোৰ বক্তব্য সামৰিম। এইবাৰ বাজেটত আমি এটা কথা দেখিবলৈ পালো যে আলাবৰী ৰনত ১৬৬৯ চনত যেতিয়া লাচিত বৰফুকনৰ নেতৃত্বত আলাবৰী ৰন হৈছিল মোগলৰ লগত ১০০০০ আহোম সৈন্য বুলি কোৱা হৈছে ইয়াত, মই আহোম সৈন্য বুলি কব খোজা নাই দহ হাজাৰ অসমীয়া সৈন্যৰ তাত মৃত্যু হৈছিল। এই দহ হাজাৰ অসমীয়া সৈন্যৰ স্মীতি যুগমীয়া কৰিবৰ কাৰণে আলাবৰীত যি এটা স্মৃতিসৌধ নিৰ্মাণ কৰিবলৈ লৈছে তাৰ বাবে মই  এই চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিছোঁ। বিশেষ ভাৱে মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু বিত্তমন্ত্ৰী বাইদেউক ধন্যবাদ জনাইছোঁ। অন্যহাতেদি যোৰহাটত লাচিত বৰফুনৰ মৈদামত লাচিত বৰফুকনৰ ১৫০ ফুট উচ্চতৰ যি এটা মূৰ্ত্তি স্থাপন কৰিবৰ ব্যৱস্থা কৰিছে তাৰ বাবেও মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু বিত্তমন্ত্ৰী বাইদেউক ধন্যবাদ জনাইছোঁ। কিন্তু ইয়াৰ লগতে আৰু এটা আহ্বান জনাম যে আমি সদায় এটা কথা কৈ থাকো যে ভাষণ প্ৰসঙ্গত আমাৰ নেটা সকলে কয় আমিও কওঁ যে অসমীয়া জাতিৰ জনক চাওলুং চ্যুকাফা। চাউলুং চ্যুকাফাৰ কথা আমি কৈ আছো, চাওলুং চ্যুকাফাক জাতিৰ জনক বুলি এই কাৰণে কোৱা হয় যে ১২২৮ খ্ৰীষ্টাব্দত যেতিয়া মোংমাও প্ৰদেশৰ পৰা চ্যুকাফা আহি অসমত প্ৰৱেশ কৰাৰ পিছত তেখেতে ১২৫৩ চনত যেতিয়া চৰাইডেউ ৰাজধানী পাতে তাৰ পিছৰ পৰ্য্যায়ত তেখেতৰ শাসন কালত সেই সময়ত অসমত বহুত উপৰাজ্য আছিল, সেই উপ ৰাজ্য বিলাক বিভিন্ন জাতি জনগোষ্ঠীৰে গঠিত হোৱা আছিল। যেনেকৈ কছাৰী ৰাজ্য, চুতীয় ৰাজ্য, নৰা ৰাজ্য, বৰাহী ৰাজ্য, মৰাণ ৰাজ্য, লালুং ৰাজ্য বা অন্যান্য বিভিন্ন ৰাজ্য জাতি জনগোষ্ঠীৰ আছিল। লালুং ৰাজ্য আছিল, মৰাণ ৰাজ্য আছিল এই গোটেই জাতি-জনগোষ্ঠী বিলাকক ৰাজনৈতিক ক্ষমতাৰে কোনো বল প্ৰয়োগ কৰি নহয়, বুদ্ধি, কৌশল আৰু ৰাজনৈতিক ভাবে চ্যুকাফাই যেনেকৈ একেলগ কৰি এক বৃহত্তৰ অসমীয়া জাতি নিৰ্মাণ কৰিলে তাৰ চিনস্বৰূপে স্বৰ্গদেউ চাউলুং চ্যুকাফাৰ প্ৰতিমুৰ্তি এই অসমৰ আমাৰ গুৱাহাটীৰ মজিয়াত কৰবাত হ'ব লাগে বুলি মই আজি উপাধ্যক্ষ মহোদয়ক অনুৰোধ জনালো। কাৰণ চাওলুং চ্যুকাফাক এই কাৰণেই প্ৰতিষ্ঠা কৰিব লাগে  যে ভাৰতৰ এগৰাকী বীৰ পুৰুষ চৰ্দাৰ বল্লভভাই পেটেলক যিদৰে গুজৰাটৰ নৰ্মদা নদীৰ  মাজত স্থাপন কৰা হৈছে। চৰ্দাৰ বল্লভ ভাই পেটেলক এই

কাৰণে কৰা হৈছে তেখেতৰ স্মৃতি যুগমীয়া কৰিবৰ কাৰণে। চৰ্দাৰ বল্লভভাই পেটেল ভাৰতবৰ্ষৰ সেই সময়ৰ প্ৰথম গৰাকী গৃহমন্ত্ৰী আছিল আৰু গৃহমন্ত্ৰী হিচাপে সেই সময়ত থকা ভাৰতবৰ্ষৰ প্ৰায় যি ৫৫০ খন প্ৰিন্স লিষ্টেড আছিল সেই প্ৰিন্স লিষ্টেড বিলাকক একত্ৰিত কৰি, আপোনালোকে জানে যে হায়দৰাবাদৰ নিজামক তেখেতে একত্ৰিত কৰি আনিবলৈ সক্ষম হৈছে । গতিকে চৰ্দাৰ বল্লভ ভাই পেটেল যেনেদৰে ভাৰতবৰ্ষৰ এগৰাকী বিখ্যাত পুৰুষ চাওলুং চুকাফাও এগৰাকী অসমৰ জাতীয় জনক হিচাপে ইতিমধ্যে প্ৰতিষ্ঠা লাভ কৰিছে। গতিকে মই ভাবো যে চাওলুং চুকাফাৰ এটা প্ৰতিমুৰ্তি গুৱাহাটীৰ মজিয়াত স্থাপন কৰিলে আহোমৰ সন্তান হিচাপে মই সুখ পোৱাৰ লগতে গোটেই আহোম জাতিটোৰ লগতে অসমীয়া জাতিও নিশ্চয় পাব আৰু সুখ অনুভৱ কৰিব । এই কথাখিনিকে কৈ মই পুনৰবাৰ আমাৰ বিত্তমন্ত্ৰী ডাঙৰীয়ানী আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো । মই শেষত সমালোচক সকলৰ বাবে এটা শ্বায়েৰী মাতি সমাপ্ত কৰিম -

হামকো তমিজ কি চিখ দেনেৱালে
মেইনে তেৰে মু মে কৈ জুবান দেখা হে
অ'ৰ ট্যু ইটনা দিখাবা ভি না কৰ,
আপনি যুথি ইমানদাৰি কা, হ্যাম নে কুচ কেহনেচে পেহলে
গিৰৰা মে দেখা হেয়। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় সদস্য আশ্ৰাফুল হুছেইন। আপোনালোকৰ সময় দিয়া আছে পঞ্চাশ মিনিট আৰু পাঁচ গৰাকী ব্যক্তিৰ নাম দিয়া আছে। গতিকে সময়টো চাই আপোনালোকে adjust কৰি ল'ব ।

**শ্ৰী আশ্ৰাফুল হুচেইন, (চেঙা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, বিত্তমন্ত্ৰী ডাঙৰীয়ানীয়ে সদনৰ মজিয়াত যি বাজেট উত্থাপন কৰিছে, সেই বাজেট তুলনামূলক ভাবে দুৰ্বল আৰু সৰু। একেটা সময়তে আমি উল্লেখ কৰিম যে বাজেটত যিমানখিনি দেখুওৱা হৈছে আমাৰ চৰ্টফলৰ শতাংশ সিমানেই। বিগত ২০১৯-২০ চনৰ বাজেটৰ ওপৰত যদি আমি চকু ফুৰাও দেখিব যে বাজেটৰ ব্যয় আৰু প্ৰকৃত ব্যয়ৰ মাজত বৃহৎ চৰ্টফলটো বহুত বেছি । ২০১৯-২০ ত ১৭ শতাংশ চৰ্টফল দেখা দিছিল অথচ ২০২০-২১ ত প্ৰায় ২৪ শতাংশ চৰ্টফল। অৰ্থাৎ আমি ৰাইজক সপোন দেখুৱাইছো এইখিনি কৰিম, টুইন টাৱাৰ বনাম কিন্তু সময়ত গৈ সেইটো হোৱা নাই। যদি নহয় সপোন দেখুৱাব নালাগে আৰু যদি কৰো সততাৰে আগবাঢ়ি যাব লাগে । মহোদয়, মই এই বাজেট অহাৰ আগত আৰু যোৱাৰাতিও কেইবাখনো ৰাজ্যৰ বাজেট চালো, দেখা পালো যে তেওঁলোকে যিটো বিত্তীয়বৰ্ষত বাজেট দিয়ে তাৰে ৰিভাইচ এষ্টিমেটৰ তথ্য সকলোকে জ্ঞাত কৰে কিন্তু আমাৰ ৰাজ্যখনৰ বাজেটত দেখা পাইছো যে চলিত বিত্তীয় বৰ্ষৰ ৰিভাইচ এছটিমেটৰ তথ্য কি ধৰণে গৈ আছে সেইটো সঠিককৈ গম পোৱা নাযায় আৰু যাৰ কাৰণে এই বৰ্ষটো কেনেকুৱাকৈ গ'ল তাৰ স্পষ্ট ৰূপৰেখা আমি দেখিবলৈ নাপাও। যদিও খুব তেনেকুৱাকৈ পোৱা নাই কিন্তু আমি দেখা পাইছো যে ফিচকেল ডেফিচিট ২০২১-২২ বিত্তীয় বৰ্ষৰ যি ৰিভাইচ এষ্টিমেট বনোৱা হৈছে সেইটোত ১,৩৪,৫৫৫ আৰু ২০২২-২৩ বিত্তীয় বৰ্ষত সেইটোৰ পৰিমাণ হ'লগৈ ১,১৭,৭৫১ কোটি টকা। যিহেতু আমাৰ ফিচকেল ডেফিচিট ৮.৫২ শতাংশ দেখুওৱা হৈছে, এই ডেফিচিট কন্ট্ৰোল কৰিবলৈ ৰিভাইচ এচটিমেটতো আমি নিশ্চয় কমকৈ দেখুৱাব লাগিব। ২০২১-২২ বিত্তীয় বৰ্ষত যিহেতু চৰকাৰে ক'ভিড কাল হিচাপে গণ্য কৰিছে সেয়েহে এই সময়ছোৱাত ৰাইজক অধিক সকাহ দিয়াৰ প্ৰয়োজনীয়তা আছিল। কিন্তু চৰকাৰে নিজৰ তহবিললৈ চাই খৰচ কমাই ৰাখিছিল যাৰ বাবে আমাৰ চৰ্টফলটো তেনেদৰে

থাকি গ'ল । কেন্দ্ৰীয় চৰকাৰৰ বিত্ত আয়োগৰ পৰামৰ্শ মতে এইবাৰ ৰিভাইচ এষ্টিমেটত ফিচকেল ডেফিচিটতো ৪.৫ শতাংশ আনহাতে আমাৰ ৰাজ্য চৰকাৰৰ ফিচকেল ডেফিচিটতো ৮.৫ শতাংশ এইটো অৱশ্যে পিছলৈ তিনি শতাংশলৈ নামি যাব লাগে ।

২০১৫-২০ চনৰ বিত্তীয় তথ্য বিশ্লেষণ কৰিলে দেখা যায় যে বিভিন্ন সময়ত আমাৰ অভাৰ এষ্টিমেট হয়। বিগত পাচ বছৰৰ তথ্যত দেখা গৈছে যে প্ৰায় ২২ শতাংশ হৈছে যাৰ কাৰণে কেপিটেল আউটলেট কমি গৈছে । ২০১৫-২০ চনৰ তথ্য বিশ্লেষণ কৰিলে দেখা যায় যে আমাৰ ৩৫ শতাংশ কেপিটেল আউটলেট কমি যায়। ফলত আমি চিকিৎসালয়, বিদ্যালয় নিৰ্মাণ আদি যদি উন্নয়নমূলক কাম কৰিব বিচাৰো সেইবিলাকো ক্ৰমে পিছুৱাই গৈ থাকে । গতিকে আমি দেখিছো যে কেপিটেল আউটলেট কমি যোৱাৰ বাবে পূৰ্বতে নিৰ্মাণ কৰিবলগীয়া চিকিৎসালয়, বিদ্যালয় আদি নিৰ্মাণ কৰাৰ বাবে এইবাৰৰ বাজেটতহে ধন ধাৰ্য্য কৰিবলগীয়া হৈছে । গতিকে মই ভাবো এইবাৰৰ বিত্তীয় বৰ্ষটো বৰ এটা সুগম নহ'ব। আমি বিগত বছৰত জি এছ টি ৰ বাবদ যি কমপেনচেচন পাইছিলো সেইটোৰ ম্যাদ অহা জুন মাহতে সম্পুৰ্ণ হ'ব আৰু সেইবাবে আমি নশ ত্ৰিছ কোটি টকাতে এষ্টিমেটতো সামৰিব লাগিব। ২০২১-২ চনত ইয়াৰ পৰিমান ৩০৪৬ কোটি টকা আছিল । অন্যান্য ৰাজ্য বিলাকৰ দৰে উন্নয়নৰ স্বাৰ্থত আমি কেন্দ্ৰীয় চৰকাৰক অতি কাতৰ ভাবে কমপেনচেচন বৃদ্ধি কৰাৰ বাবে আবেদন জনাব লাগে। কেন্দ্ৰীয় আৰু ৰাজ্য উভয়তে যিহেতু বি জে পি চৰকাৰ আছে গতিকে মই ভাবো কেন্দ্ৰীয় চৰকাৰে আমাৰ এই অনুৰোধ গুৰুত্বসহকাৰে ল'ব ।

এতিয়া মই বাজেট ভাষণৰ ভিতৰলৈ গৈ ক'ব বিচাৰো যে বাজেটৰ বাৰ নং দফাত কভিড যোদ্ধা সকলক খুব সুন্দৰকৈ ধন্যবাদ আৰু কৃতজ্ঞতা জনোৱা হৈছে আৰু সেই সময়ত প্ৰত্যক্ষ ভাবে জড়িত আন স্বাস্থ্যকৰ্মী যেনে- চালক, চাফাইকৰ্মী, আশাকৰ্মী সকলৰ কথা কিন্তু এবাৰো উল্লেখ কৰা নাই। তদুপৰি অসমৰ স্বাস্থ্যখণ্ডৰ মেনেজিং কমিতিয়ে নিয়োগ কৰা কৰ্মী সকলৰ চাকৰি নিয়মীয়াকৰণ কৰাৰ কথাও উল্লেখ কৰা নাই। এইসকল লোকে কিন্তু অতি কম মাননীত কাম কৰি আছে। স্বাস্থ্যকেন্দ্ৰ সমুহ ৱাৰ্ডবয়, চাফাই কৰ্মী, চকীদাৰ আদি নোহোৱাকৈ চলিব নোৱাৰে। গতিকে স্বাস্থ্যৰ বুনিয়াদী খণ্ডতে যদি আমি পইছা বিনিয়োগ নকৰো, তেনেক্ষেত্ৰত ৰাজ্য এখন উন্নয়নৰ দিশত আগবাঢ়ি যোৱাটো কঠিন হৈ পৰে। সভাপতি মহোদয়, বেংক একাউন্টৰ সংখ্যা বৃদ্ধি পাইছে, CSP ৰ সংখ্যা বৃদ্ধি পাইছে কিন্তু মহোদয়, আমি দেখা পাইছো গ্ৰাম্য অঞ্চল বিলাকত বেংকৰ লাইন ইমান দূৰ দূৰলৈ আমাৰ আই মাতৃ সকল ৰ'দত থিয় হৈ ৫০০ পৰা ১০০০ টকা তুলিবলৈ যায়। সেই কথাত আমি বেদনা অনুভৱ কৰো। আমি আশা কৰিম বিত্ত বিভাগে ৰাজ্যত বেংকৰ সংখ্যা, CSP ৰ সংখ্যা বৃদ্ধি কৰিবলৈ ব্যৱস্থা ল'ব লাগে। এইবাৰ বাজেটত উদ্যোগৰ ক্ষেত্ৰত বিশেষ কোনো স্ব-নিৰ্ভৰশীল হোৱাৰ কথা উল্লেখ নাই। NRL ৰ আমি চেয়াৰ কিনিছো। তাৰ পৰা লাভাংশ আদায় কৰিম। তাৰ পৰা লাভ পাম, প্ৰগতিৰ দিশত আগবাঢ়ি যাম। TATA ই আমাক সহায় কৰিব, TATA ই ITI স্থাপন কৰিব, সেইটোৰ পৰা আমাৰ শ্ৰমিক ওলাব। তাৰ পিছত আমি উদ্যোগৰ ক্ষেত্ৰত আগুৱাই যাম। তাৰ মানে কণীৰ ভিতৰতে বৈ আছে, পোৱালী কেতিয়া হ'ব সেইটো বহু দূৰ। ৰাজ্যত হাজাৰ ইঞ্জিনিয়াৰ প্ৰতিদিনে ওলাই আছে। তেওঁলোকৰ কৰ্ম সংস্থাপনৰ ব্যৱস্থা নাই। বহিঃৰাজ্য বহিঃৰাষ্ট্ৰত গৈ কাম কৰি খাবলগীয়া হৈছে। তেওঁলোকৰ জীৱন আৰু জীৱিকাৰ নিৰাপত্তা নাই। গতিকে আমি ভাবো ৰাজ্যিক উগ্যোগীকৰণৰ ক্ষেত্ৰত যদি চৰকাৰখন সক্ষম হ'লহেতেন, যদি নিবনুৱাক অন্য বিকল্প পথ দেখুৱাব পাৰিলেহেঁতেন, যদি ৰাজ্যত নিবনুৱাক উদ্যোগ স্থাপনৰ বাবে আৰু অধিক আগ্ৰহী কৰিলেহেঁতেন, তেওঁলোকে খালী ক'ব Reg-

istration টো আমি সহজ কৰিছো। বেংকবিলাকত জটিল প্ৰক্ৰিয়া চলে সেই উদ্যমী ল'ৰা-ছোৱালী বিলাকক লোন দিয়াৰ ব্যৱস্থা কৰক, এককালীন সাহায্যৰ ব্যৱস্থা কৰক। তেওঁলোকে বিদেশৰ পৰা নিজৰ ৰাজ্যলৈ ঘূৰি আহিব আৰু নিজৰ মাটিত থাকি নিজৰ মানুহখিনিৰ কাৰণে সেৱা কৰিব। নাবাৰ্ডৰ পৰা নিদা, RIDF, ADB ইত্যাদিৰ লোনেৰে বিভিন্ন ধৰণৰ উন্নয়নমূলক কামৰ খতিয়ান দিয়া হৈছে। আমি ভাল পাইছো, ৰাজ্যত এচেট ক্ৰিয়েশ্যনৰ ক্ষেত্ৰত লোন লৈ হ'লেও এচেট ক্ৰিয়েশ্যন কৰিছে। মনত ৰখা প্ৰয়োজন যে এই উন্নয়ন চিলেক্টিভ হ'ব নালাগে। এই উন্নয়ন কিছুমান নিৰ্দিষ্ট ঠাইলৈ যাব নালাগে। বৰপেটা নোযোৱাকৈ থাকিব নালাগে। এই উন্নয়ন যাতে সকলোৱে সমভাবে যাতে পায় তাৰ প্ৰতি চৰকাৰে লক্ষ্য ৰখা প্ৰয়োজন। লোন সুদ সকলোৱে ভৰিব। অসমৰ প্ৰতিজন নাগৰিকে কৰিব। অসমৰ যি বিলাক ৰাজহ আহিছে তাৰ পইচা সকলো নাগৰিকৰ ভাগ আছে। কিছুমান অঞ্চল পিছপৰি থাকিব, অশিক্ষিত মানুহ চামে চামে তেওঁলোকৰ পৰা জন্ম লৈয়ে থাকিব। শ্ৰমিক শ্ৰেণী সিহঁতৰ পৰা হৈয়ে থাকিব। আমি দুখন অসম চাব নিবিচাৰো। আমি বিচাৰো সৰ্বাঙ্গীন ভাবে একেলগে আগবাঢ়ি যাব লাগিব। সকলোৱে সমান অধিকাৰ পাব লাগিব। মহোদয়, ৩৩ পৰা ৩৯ নং দফাৰ ভিতৰত যাতায়ত পথৰ নবীকৰণ মথাউৰিৰ ওপৰত পথ নিৰ্মাণ ইত্যাদিৰ কথা কৈছে। আমি ভাল পাইছো যে, এই সংখ্যাটো ভাল সংখ্যা। আমি চৰকাৰক ধন্যবাদ জনাইছো। কিন্তু যোৱা ২০২১-২০২২ ৰ বাজেটত ১০০০ কিঃমিঃ মথাউৰিৰ ওপৰত পথ পকীকৰণৰ কথা আমি শুনিছিলো। বাকী আমি পিছলৈ নুশুনিলো কলৈ গ'ল কি গ'ল। এইবাৰো শুনিছো ৫০০ কিঃমি ৰ মান কৰিব। অসমৰ ভিতৰতে নামনি অসমৰ বৰপেটা জিলাৰ ব্ৰহ্মপুত্ৰ নদীৰ দৈৰ্ঘ্য কিমান আপোনালোক সকলোৱে জানে। আমাৰ সমষ্টি বিলাকত নদীয়ে নদী। আমাৰ মথাউৰি কিন্তু আগৰ তালিকাত সোমোৱা নাছিল। আমি এই মুহূৰ্তত মন্ত্ৰী মহোদয়ৰ কাণ চোৱাই থ'লো। যদিও মন্ত্ৰী মহোদয়ে মোৰ কথা শুনা নাই, ৰেকৰ্ড পিছত পঢ়ি ল'ব। আমাৰ সেই ঠাইৰ মথাউৰি বিলাক গুৰুত্বপূৰ্ণ। মথাউৰি বিলাক যাতে পকীকৰণৰ ব্যৱস্থা কৰে। সেই ঠাই বিলাকলৈ যাতে এই বিলাক গৈ পায়। তাৰ কাৰণে আহ্বান থাকিল। ৰবীন্দ্ৰ নাথ ঠাকুৰৰ বাংলা কবিতা এফাকি গাব বিচাৰিছো ৰবীন্দ্ৰনাথ ঠাকুৰ দেৱে লিখিছিল -- 'হে মোৰ দুৰ্ভগা দেশ, যাদেৰ কৰেছ অপমান, অপমান হতে হবে তাহাদেৰ সবাৰ সমান।' মানুষেৰ অধিকাৰে বঞ্চিত কৰেছে যাৰে, এই কথাখিনি কোৱাৰ কাৰণ আপুনি নিশ্চয় বুজি পাইছে। অসমৰ যি ৰাজনৈতিক পৰিস্থিতি, অসমৰ যি ৰাজনৈতিক বাতাবৰণ সেই পৰিবেশ ভাল নহয়। উন্নয়নৰ দৃষ্টিভংগীও মাহী আইৰ নিচিনা হয় যাৰ কাৰণে অতি বেদনাৰে এই কথাষাৰ ক'ব লগীয়া হৈছে। আমি নতুন বিধায়ক নিৰ্বাচিত হৈ আহিছো, সদনৰ পৰা শিকিবলগীয়া আছে। আমি জনগণক প্ৰতিশ্ৰুতি দি আহিছো, আমাক অশেষ আশা আৰু আকাংক্ষাৰে পঠিয়াইছে। আমাৰ যিখিনি সপোন আমি বাস্তৱত ৰূপায়িত কৰিব বিচাৰিছো। অসমৰ জাতি জনগোষ্ঠীৰ যি বান্ধোন, অসমৰ যি সাতাম পুৰুষীয়া এনাজৰী, সেয়া সুদৃঢ় কৰাৰ ক্ষেত্ৰত দৃঢ় পদক্ষেপ ল'ব বুলি মই আশাবাদী। কিন্তু আমি লক্ষ্য কৰিছো, ইতিহাসত ক'ৰবাত ক'ৰবাত বেলেগ বেলেগ ৰূপত উপস্থাপন কৰি অমুকে আক্ৰমণ কৰিছিল তমুকক, এই ধৰণৰ উপস্থাপন সঠিক নহয়। উন্নয়নমূলক কামৰো এখন ভাল আঁচনি আছে ৪০ নং দফাত আপোনালোকে বাজেটো যদি চাব বিচাৰে আছে, চাব। ১৯খন অভাৰ ব্ৰীজ ৰেলৱেৰ ওপৰত কৰিছে, অসমৰ বৰাক ভেলীৰ অন্যতম গুৰুত্বপূৰ্ণ ঠাই হাইলাকান্দি চহৰত ৩ খন তেনেকুৱা অভাৰ ব্ৰীজৰ প্ৰয়োজন, কিন্তু এখনো কৰা নাই, হাইলাকান্দি ক্ৰচ হৈ বেলেগ ঠাইলৈ গৈছে। অনাগত দিনত হাইলাকান্দিত নজৰত ৰাখিব। ৫২ নং দফাত মহাপুৰুষ সকলৰ প্ৰতি কৃতজ্ঞতা তথা ভক্তি ভাবেৰে মহাপুৰুষ শ্ৰী

মন্ত শংকৰদেৰ, মাধবদেৰ, দামোদৰ দেৰৰ নামত কিছু কিছু উন্নয়ন মূলক কামৰ কথা উল্লেখ কৰিছে। এইখিনিতে মই জনাব বিচাৰিছো, বৈদিক বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰক মহাপুৰুষ শ্ৰী হৰিদেৱক কেন্দ্ৰ কৰি ১৪৫৩ খৃষ্টাব্দতে প্ৰতিষ্ঠা কৰা চেঙা সমষ্টিৰ বহৰি সত্ৰকে ধৰি উন্নয়নমূলক আঁচনিৰ আবেদন চৰকাৰৰ ওচৰত আমাৰ থাকিল। মহোদয় ১ লাখ চাকৰিক লৈ আমি যথেষ্ট কথা পাতিছো। মুখ্যমন্ত্ৰীয়ে প্ৰতিশ্ৰুতি দিছিল যে ১ লাখ চাকৰি দিব। আমিও গণি গণি ল'বলৈ প্ৰস্তুত আছো। অসমৰ জন গণই আমাক বিৰোধীৰ আসনত বহাইছে। সেইখিনি আমি আদায় কৰি ল'ব লাগিব, বৰঞ্চ ৫০ হাজাৰ বেছিকৈহে ল'বলৈ দৃঢ় প্ৰতিজ্ঞা বদ্ধ। অসমৰ নিবনুৱা যুৱক-যুৱতীৰ পক্ষত আমি আছো। চৰকাৰে ১ ইঞ্চিও যাতে বিচলিত হ'ব নোৱাৰে তাৰ কাৰণে সদায় জাগ্ৰত হৈ থাকিম। প্ৰজ্ঞান ভাৰতীৰ উদ্যোগত ছাত্ৰ-ছাত্ৰী সকলক উচ্চ শিক্ষাৰ বাবে উদগনি জনোৱাৰ কথা কৈছে। এই কথাত আমি ১০০ শতাংশ বিশ্বাস কৰিব পৰা নাই। গতিকে ইয়াৰ ওপৰত কঠোৰ নজৰ থাকিব লাগে। ছাত্ৰ-ছাত্ৰীৰ পইচা বিলাক বেলেগ ফালে ওলাই যাব নোৱাৰে। বাজেট ভাষণত যি কথা উল্লেখ নকৰক ইয়াতে বহুত ঢাক ঢোল বজোৱা হৈছে, আমি আগুৱাই গৈছে index ত. Indian Public Health Standard মতে ৰাজ্যত থাকিব লগীয়া স্বাস্থ্য প্ৰতিষ্ঠানৰ অভাৱ দূৰ হোৱা নাই। এই কথাও চৰকাৰে স্বীকাৰ কৰিব লাগিছিল তেওঁলোকৰ বাজেট ভাষণত। উপস্বাস্থ্য কেন্দ্ৰৰ পৰা যদি আৰম্ভ নকৰো আজি অসমত যিমান স্বাস্থ্য কেন্দ্ৰৰ প্ৰয়োজনীয়তা আছিল, সিমান স্বাস্থ্য কেন্দ্ৰ নাই। আজি উপস্বাস্থ্য কেন্দ্ৰ ভাড়াত চলিছে। প্ৰাথমিক স্তৰৰ আন্তঃগাঁথনি মজবুত কৰিব নোৱাৰিলে বাকী কথাবিলাক কিমান কি হ'ব সদনে বিবেচনা কৰিব। মিচন বসুন্ধৰাৰ অধীনত এন চি গাওঁ সমূহ জৰীপ কৰা হৈছে। আমি আশা কৰিম যে চৰকাৰৰ পৰা যি এন চি গাওঁ জৰীপ কৰা হৈছে, সীমা জৰীপ ইতিমধ্যে সমাপন হৈছে, সেই গাওঁ সমূহৰ প্ৰতিজন নাগৰিকে, প্ৰতিজন দুৰ্দশাকাৰীয়ে যুগে যুগে বসবাস কৰা ব্যক্তিয়ে যাতে মাটিৰ পট্টা পায় তাৰ বাবে চৰকাৰে খুব সোনকালে ব্যৱস্থা ল'ব। চৰকাৰ কৰ্মচাৰীৰ পক্ষত আছে বুলি বাজেটত উল্লেখ কৰিছে। কিন্তু আমি নাভাৰো যে চৰকাৰ কৰ্মচাৰীৰ পক্ষত আছে। কাৰণ আজি ৰাজ্য চৰকাৰৰ অধীনৰ কৰ্মচাৰীৰ মাজত চৰম অসন্তুষ্টি দেখা যায়। কৰ্মচাৰীয়ে বিচাৰিছে তেওঁলাকৰ ভৱিষ্যতৰ সুৰক্ষা। আজি দেখা গৈছে যে এন পি এচ লৈ কৰ্মচাৰী আশ্বস্ত নহয়। তেওঁলোক Old Pension Scheem লৈ ঘূৰি যাব বিচাৰিছে। কৰ্মচাৰীৰ মনৰ বেদনা ক'ত শুনিছে। এইক্ষেত্ৰত ও মুকলি আলোচনা হ'ব লাগে। মাননীয় সভাপতি মহোদয়, কৃষি প্ৰধান ৰাজ্য বাবে কৃষিৰ ওপৰত তেওঁলোকে কাম কৰিব বুলি কৈছে। তেওঁলোক কৈছে যে আমি বাহিৰৰ পৰা পশু খাদ্য ইত্যাদি ইত্যাদি আনি আছো। আমি আপোনালোকক কথা দিওঁ যে মই চৰ-চাপৰি অঞ্চলৰ পৰা জিকি অহা প্ৰতিনিধি। চৰ-চাপৰি অঞ্চলৰ মানুহে কৃষি ক্ষেত্ৰত কিমান কষ্ট কৰে সেই কথা আপোনালোকে জানে। এই মানুহখিনিক কৃষিৰ ক্ষেত্ৰত আগুৱাই লৈ যাওঁক, অনাগত দিনত আপোনালোকক এনেকুৱা উপহাৰ দিব যে আপোনালোকে ৰাজ্যত উৎপাদন হোৱা ফচলৰ দ্বিগুণ কৰিব বুলি আপোনালোকে নিশ্চিত থাকক। এইখিনি কৈ মই চৰকাৰক এইবিষয় বিলাকৰ ওপৰত আৰু অধিক পৰ্য্যালোচনা কৰি লৈ যাওঁক আৰু আলোচনাৰ মাজেৰে যিখিনি লিকেজ থাকি যায় সেইখিনি যাতে তেওঁলোকে মাৰি লৈ ৰাজ্য খনক উন্নত ৰাজ্য বা আগশাৰীৰ ৰাজ্যৰ তালিকাত লৈ যোৱাৰ সেই সপোনটোত আমিও বিৰোধী হিচাবে তেওঁলোকৰ লগত থাকিম এই প্ৰতিশ্ৰুতিৰে মই মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় সভাপতি ঃ** এতিয়া মাননীয় সদস্য শ্ৰী প্ৰদীপ হাজৰিকা। আপোনাৰ সময় ১০ মিনিট।

**শ্ৰী প্ৰদীপ হাজৰিকা, (আমগুৰি) ঃ** মাননীয় সভাপতি মহোদয়, ১৯৫০ চনৰ আগতে, স্বাধীনতাৰ

ঠিক পিছতেই আমাৰ অসমৰ যিটো পাৰ কেপিটেল ইনকাম সেইটো ভাৰতবৰ্ষত বেছি আছিল। এতিয়া আজি কিন্তু আমাৰ পাৰ কেপিটেল ইনকাম ৪০ শতাংশ ডাউন আছে। আজি ইয়াত পাৰ কেপিটেল ইনকামৰ কথাটো ওলাইছে, মই আপোনাক জনাব বিচাৰিছো যে

"অৰ্হনিশে যাৰ গৃহে নুগুছে কন্দল,
তাৰ ঘৰে সুখ ৰূপ নুফুলে কমল"

এতিয়া ভাৰতবৰ্ষ স্বাধীন হোৱাৰ আগতে ইয়াত যিটো জি ডি পি আছিল সেই জি ডি পি আজি এইটো পৰ্য্যায়লৈ অহাৰ এই গোটেই কাৰণটো পৰ্য্যালোচনা কৰিব লাগে। এইটো মাত্ৰ এটা বছৰত পৰ্য্যালোচনা কৰিলে জি ডি পি ৰ আঁচল ৰূপটো কেতিয়াও নোলায়। আমাৰ এখন বৰ অসম আছিল। বৰ অসমখন আজি নাই। কিন্তু মই এই কথাটো কৈছো যে -

"অৰ্হনিশে যাৰ গৃহে নুগুছে কন্দল,
তাৰ ঘৰে সুখ ৰূপ নুফুলে কমল"

আমাৰ সাতখন ৰাজ্য যে হ'ল, এই সাতখন ৰাজ্য কৰাৰ সময়ৰ পিছৰ পৰাই ইয়াত আমাৰ সকলো কাজিয়া-পেচালৰ আৰম্ভ হ'ল। মানুহ শান্তিত থাকিব নোৱাৰা হ'ল, বিভিন্ন কন্দল আহিল। মই নিজে ৪৫ বছৰ দেখি আছো যে আমাৰ অসমত আমি এনেকুৱা এটা পৰিবেশ পোৱা নাই যে উন্নয়নৰ কথা ভালধৰণে চিন্তা কৰিব পাৰি। তেনেকুৱা এটা পৰ্য্যায় আমাৰ ইয়াত অহা নাই। ইয়াত আজি বহুতে কৈছে যে আমি উন্নয়ন কৰিব পৰা নাই বা আমাৰ domestic production আমি বঢ়াব পৰা নাই। এতিয়া সেইকাৰণে আজি আমি আ গবাঢ়ি যোৱাৰ ক্ষেত্ৰত অন্য ৰাজ্যত কৈ পিছপৰি আছো। আজি গোৱা, দিল্লী আৰু চিকিম এই তিনিখন ৰাজ্য আৰু চণ্ডীগড় আৰু হাৰিয়ানা এই দুইখন ইউনিয়ন টেৰিট'ৰী আজি highest capital earner ৰাজ্য হ'ল। এতিয়া মই ক'ব খুজিছো যে আমি অসমত যিবিলাক মানুহ আছো, যেতিয়ালৈকে আমাৰ মানুহ বিলাকৰ মাজত মিলাপ্ৰীতি নহ'ব তেতিয়ালৈকে আমাৰ সমাজখনৰ কেতিয়াও উন্নয়ন কৰিব নোৱাৰো। ১৯৮৯ চনত যেতিয়া সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বত "বিদেশী বহিস্কৰণ আন্দোলন" আৰম্ভ হ'ল, সেই আন্দোলনত আবাল বৃদ্ধ-বনিতা ঘৰ-বাৰী এৰি ৰাজপথলৈ ওলাই আহিব লগীয়া হৈছিল। এখন দেশ আছিল কিন্তু এই সমস্যাটোৰ সমাধান কিন্তু নকৰিলে আৰু সেই সময়ত Minority Students Union য়ে বিৰোধিতা কৰি তেওঁলোক আগবাঢ়ি আহিল। আমাৰ দুই পক্ষৰ মাজত যুদ্ধ হ'ল আৰু চৰকাৰে আঁতৰৰ পৰা চাই থাকিল আৰু কোনো ধৰণৰ বিশেষ ব্যৱস্থা গ্ৰহণ নকৰিলে। আমাৰ এই যিখন যুদ্ধ হ'ল যদিও অসম চুক্তি হৈ গ'ল, ১৯৭১ চনৰ ২৫ মাৰ্চত কাট অব ইয়েৰ কৰি দিলে তাৰ পিছতো এই সমস্যা সমাধান হোৱা নাই। আমি সকলোৱে কৈছো এই সমস্যা সমাধান হ'ব লাগে আৰু এই যুদ্ধখন হৈ যোৱাৰ পিছত ভাঙি পৰা মন বিলাক, ভাঙি পৰা গাওঁখন, ভাঙি পৰা ঘৰখন আজিও যোৰা লগা নাই। সভাপতি মহোদয়, যদি যোৰা নালাগি আমাৰ মাজতেই পাৰ্থক্য থাকি গ'ল আৰু বুজা-পৰাটো কোনো কনচ'লেশ্যন নহ'ল, তেতিয়াহ'লে আমি কেনেকৈ দেশখনৰ উন্নতি সাধন কৰিব পাৰিম? আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এই সদনতে এটা কথা দাঙি ধৰিছিল যে "নামনিৰ সদস্যখিনি উজনিলৈ যাব লাগে, উজনিৰ খিনি নামনিলৈ যাব লাগে" । তেখেতে এই কথাটো এই কাৰণেই ক'লে যে সকলোৱে যাতে গোটেই ৰাজ্যখনৰ পৰিবেশটো চাব পাৰে আৰু ইজনে সিজনক বুজাত সহায় হয়। এইটো কৰাৰ কাৰণ হ'ল আমি সকলোৱে মিলি দেশখনৰ উন্নতি কৰিব লাগে। আমাৰ মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই কৈছে "সবকা সাথ, সবকা বিকাশ আৰু সবকা বিশ্বাস"। এতিয়া আমি বিশ্বাসত কাকো ল'ব পৰা নাই। আমি যেতিয়ালৈকে

ইজনে সিজনক বিশ্বাসত ল'ব নোৱাৰিম তেতিয়ালৈকে আমাৰ উন্নয়ন সম্ভৱ নহ'ব। আমি ইয়াত জি ডি পি উলিয়াই লাভ নাই। ১৯৩৮-৩৯ চনত যেতিয়া আমাৰ অসমৰ প্ৰধান মন্ত্ৰী চাদুল্লা (সেই সময়ত প্ৰধান মন্ত্ৰী বুলি কৈছিল) আছিল আৰু মৌলানা ভাচানে "Grow more food" বুলি এটা আঁচনি যুগুত কৰিছিল। তেখেত সকলে পূৰ্ব্ব বংগৰ বহুত মানুহ অসমলৈ আনি ইয়াত চেটেল কৰিলে যদিও তেওঁলোকে এই সমস্যাটো সমাধান ভালদৰে কৰিলেনে? "Grow more food" টো ক'ত হৈছে? আজি আমাৰ জিডি পি বহুত তললৈ গুছি গৈছে। আমাৰ বছৰেকৰ এটা প্ৰডাকশ্যন মই দাঙি ধৰিব খুজিছো। আমাক বছৰেকত ৫০০ কোটি কণী লাগে। আমাৰ ইয়াত মাত্ৰ ৫০ কোটি প্ৰডাকশ্যন হয়। That is the state affairs. এতিয়া সেইকাৰণে এই যিবিলাক ব্যৱস্থা আমাৰ আগতে লোৱা হৈছিল এই বিলাকত কোনো স্কেল মৰা নাছিল যে আমাৰ ইমান প্ৰডাকশ্যন আছে। ১৯৩৮-৩৯ চনত আমাৰ মানুহখিনিক ইয়াত ব্যৱহাৰ কৰি প্ৰডাকশ্যন বঢ়া কথাটো আমাৰ পিকচাৰতে নাই। আজি আমাৰ মাননীয় সদস্য শ্ৰী ভৰত নৰহ ডাঙৰীয়াই কৈ গ'ল আমাৰ production ইমান বাঢ়িছে, ক'ত বাঢ়িলে। অলপ অগাতে মাননীয় সদস্য ভৰত চন্দ্ৰ নৰহ ডাঙৰীয়াই কৈ গ'ল যে আমাৰ GDP state টো এইটো। ক'ত বাঢ়িলে, আৰু তাৰ পিছত এতিয়া এটা পৰিবেশ আনিবৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এটা প্ৰচেষ্টা লৈছে। প্ৰচেষ্টাটো শান্তি হ'ব লাগিব। when there is no peace, no one can think of any development এতিয়া peace টো চাব, আজি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ কথাত মানুহে বিশ্বাস কৰিছে।তেখেতে যেতিয়া এটা কথা কয় ভাৱে যে এইটো ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই কৈছে, গতিকে এই কামটো হ'ব। তেখেতে আলফাৰ কথাটো যে, আলফাৰ লগত আলোচনা-বিলোচনা কৰিব আৰু এই সমস্যাটো সমাধান কৰিবলৈ আগবাঢ়িব। তেতিয়া মানুহৰ মনত এটা ভাৱ হৈছে যে ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া আহিছে, তেখেতে এই সমস্যাটো সমাধান কৰিব। interstate border বিলাকত যে কাজিয়া-পেচাল হৈছে, এই কাজিয়া -পেচাল ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই ঠিক কৰিব পাৰিব, মানুহৰ বিশ্বাস হৈছে। মানুহৰ মনত মুখ্যমন্ত্ৰীৰ প্ৰতি বিশ্বাসটো বাঢ়িছে, মানুহে বুজি পাইছে যে এই মানুহজনে কাম কৰিব। গতিকে যেতিয়া বিশ্বাস হ'ব, তেতিয়া হ'লে কাম হ'ব আৰু কাজিয়া-পেচাল বিলাক নাইকিয়া হ'ব, তেতিয়া উন্নয়নৰ কাম কৰিব পাৰিব।

মাননীয় সভাপতি মহোদয়, মই কেইটামান কথা খুলি ক'বলৈ বিচাৰিছো, সেইটো হ'ল মই বৰপেটা জিলা আৰু নগাঁও জিলালৈ মোক দিয়া দায়িত্ব পালন কৰিবলৈ গৈছিলোঁ। আমাৰ মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম আৰু শ্ৰীশ্বেৰমান আলি ডাঙৰীয়াই 'পাষাণ প্ৰতিমা' কবিতাৰ কথা উল্লেখ কৰিছিল। শৈলধৰ ৰাজখোৱা ডাঙৰীয়াই 'পাষাণ প্ৰতিমা' কবিতা গোৱালপাৰটো আৰৰ্ত ভৰন বহি লিখিছিল, বাঘবৰ ফুলৰা চতলাৰ কথা যিখিনি গাইছে, সেই পৰিবেশটো আপুনি ভাৱক। এইটো এটা কাজিয়া পেচালৰ পৰিবেশত এই কবিতাটো সৃষ্টি হোৱা নাই। এজন কবিয়ে বহি এটা কবিতা লিখিবলৈ এটা ভাল পৰিবেশ লাগিব, তেতিয়াহে এইটো সম্ভৱ হ'ব। এতিয়া মই বৰপেটালৈ যাওঁতে, দেখিলো সত্ৰৰ ১০১ বিঘা মাটি বেদখল হৈ আছে। গুৱাহাটী হাইকোৰ্টেও order দিছে যে এই বেদখলটো উচ্ছেদ কৰিব লাগে আৰু তাত থকা মানুহখিনি গোটেই খিনি দেৱান মানুহ আছে আৰু মানুহখিনি ভাল মানুহ। সেই মানুহখিনিৰ লগত কথা পাতিলো, তেখেতসকলে কলে যে এইখিনি গোসাঁইৰ মাটি। এতিয়া কথাটো হৈছে যে এই সমস্যাটো সমাধান কৰিব লাগিব। তেখেতসকলকো ভালকৈ ৰাখিব লাগিব যাতে তেখেতসকলেও কোনোধৰণৰ অসুবিধা নাপায়। এতিয়া কথাটো হ'ল মাননীয় সভাপতি মহোদয়, সত্ৰৰ মাটি কোনো মানুহে ল'ব নোৱাৰে।

দেৱত্বৰ মাটি, ধৰ্মোত্তৰ মাটি আৰু মৰ্মত্তৰ মাটি, এই মাটিতো কোনেও ল'ব নোৱাৰে। এই মাটিখিনি সত্ৰাধিকাৰেও বিক্ৰী কৰিব নোৱাৰে। এখন সত্ৰ তেনেকুৱা অৱস্থাত পালো, জনীয়া সত্ৰত তেনেকুৱা হৈ আছে। ৰাঙাপানী সত্ৰ, বঙাইগাওঁত তেনেকুৰা হৈ আছে। নগাওঁত ৰামপুৰত গোটেই সত্ৰখনে নাই। সত্ৰ তাত দেখিছো, তাৰ সন্মুখত মুছলমান ভাই সকলে বসবাস কৰি আছে। আমি কথাও পাতিলো তেখেতসকলৰ লগত। বহুত বছৰ আগৰ পৰা থকা কেইবাটাও পৰিয়াল আছে, লৰা-ছোৱালীবিলাকৰ লগতে আমি একেলগে কথা পাতিছোঁ আৰু তেওঁলোকেও কৈছে যে **১৯৮৩** চনৰ গণ্ডগোলত মানুহবিলাকে তেনেকৈ সত্ৰৰ মাটিত থাকি গ'ল। মানুহৰ পৰা মাটি কিনি ল'লে তেতিয়াই। এতিয়া কিন্তু আমি সমস্যাবোৰ সমাধান কৰিলেহে অসম আগবাঢ়ি যাব। না এইখিনি মুছলমান মানুহৰ হৈ থাকক, না হিন্দু মানুহখিনি হৈ থাকক, এই কথাখিনি বুজা পৰা হৈ এটা নিষ্পত্তি কৰিব লাগিব, সকলোৱে আগবাঢ়ি আহিব লাগিব। সকলোৱে আগবাঢ়ি আহিলে সমস্যাটো সমাধান হ'ব। তেতিয়া কোনো ধৰণৰ eviction ৰ কথা নাই। এতিয়া প্ৰিয়নাথ সত্ৰ eviction ৰ কথা নাই। মানুহবিলাকৰ লগত বুজা পৰা হৈ গৈছে।

সেই কাৰণে মাননীয় সভাপতি মহোদয়, উন্নয়নৰ কাৰণে অকল GDP চালে নহ'ব। কিন্তু GDP ভাল কৰিবলৈ হলে এনেকুৰা ধৰণৰ কাজিয়া পেচালৰ অৱস্থাত থাকিলে no one can think of development. সেই কাৰণে মই আশা ৰাখিছো।

মই আৰু এটা কথা কৈ শেষ কৰিব খুজিছো, The Assam Fixation of Ceiling on land holding Act, 1956, এই যিখন Act আছিলে it was forged in 15 Feb, 1958 এই Ceiling Act খন ইয়াত যে enforce কৰিলে আৰু enforce কৰি যিখিনি সত্ৰৰ মাটি লৈ গ'ল, এই মাটিবিলাক ক'ত গ'ল, কি কৰিলে, কাক দিলে। ইয়াৰ ক্ষেত্ৰত আমাৰ চৰকাৰে এবাৰ চোৱা চিতা কৰাতো ভাল। এইখিনিকৈ মই মোৰ বক্তব্য সামৰণি মাৰিছোঁ। ধন্যবাদ।

**শ্ৰীছিদ্দিক আহমেদ, (সভাপতি)** ঃ ঠিক আছে। এতিয়া মাননীয় সদস্য শ্ৰী বিশ্বজিৎ ফুকন।

**শ্ৰী বিশ্বজিৎ ফুকন, (সৰুপথাৰ)** ঃ মাননীয় সভাপতি মহোদয়, সপোন আৰু সম্ভাৱনাক লৈ সংকল্প বুকুত বান্ধি অসমৰ মাননীয়া বিত্তমন্ত্ৰী মহোদয়াই যি বাজেট দাখিল কৰিলে, এই অভুতঃপূৰ্ব বাজেটে ভৱিষ্যতৰ এখন সোণালী সমৃদ্ধিশালী অসমৰ বাবে পথ ৰচনা কৰিছে। এইবাবে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয় আৰু মাননীয়া বিত্তমন্ত্ৰী মহোদয়াক ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছোঁ।

মই সপোন আৰু সম্ভাৱনা বুলি এইকাৰণে কৈছো, এইখন শংকামুক্ত অসমত সপোন আৰু সম্ভৱনা লৈ জীয়াই থাকিবৰ বাবে নাগৰিকসকলে এই বাজেটৰ জৰিয়তে নতুন আশা দেখিবলৈ পাইছে। আজি সন্মানীয় বিৰোধী দলৰ সদস্য ভৰত চন্দ্ৰ নৰহ ডাঙৰীয়াই আৰম্ভণিতে বাইদেউক প্ৰশংসা কৰি পিছত কিছু ওলোটা কথা কৈছে। মই ভাৱো তেখেতে প্ৰথম অৱস্থাত কওঁতে বাস্তৱৰ কথা বিলাক কৈছে। কিন্তু লাহে লাহে তেখেতে অনুভৱ কৰিলে যে মই যিহেতু বিৰোধী দলৰ সদস্য গতিকে বাইদেউ ইয়াতকৈ বেছি প্ৰশংসা কৰিলে মোৰ সমষ্টিত অসুবিধা হ'ব। গতিকে ইয়াতকৈ বেছি কোৱা উচিত নহয়। মোৰ আজি মনত পৰিছে **২০১৪** চনৰ **২৪** ফেব্ৰুৱাৰী তাৰিখৰ কথা, সেই সময়ত কাৰ চৰকাৰ আছিল আমি সকলোৱে জানো। মিছন বসুন্ধৰা অহাৰ বাবে মোৰ এই কথাটো মনত পৰিছে। মিছন বসুন্ধৰা হ'ল জাতি মাটি ভেঁটিৰ অধিকাৰ সাব্যস্ত কৰি খিলঞ্জীয়া লোকক মাটি পট্টা দিয়াৰ বাবে চৰকাৰে লোৱা অভিলাসী আঁচনি। কিন্তু **২০১৪** চনৰ **২৪** ফেব্ৰুৱাৰী তাৰিখে প্ৰনৱ বড়ো নামৰ এজন বক্তিয়ে জলন্ত অগ্নিপিণ্ডত পৰিণত হৈ অসম সচিবালয়ৰ সন্মুখত আত্মজাহ দিছিল। প্ৰণৱ বড়োয়ে কিয় আত্মজাহ দিছিল, সেই সময়ত চৰকাৰে সম্ভাৱনা বাস্তৱ

ৰূপত পৰিণত কৰিব পৰা নাছিল আৰু কিছুমান ব্যক্তিয়ে প্ৰনৰ বড়োৰ দৰে ব্যক্তিক উচতনি দি তেওঁলোকক ভুল পথে পৰিচালিত কৰিছিল। য'ত মাটিৰ অধিকাৰ পাবৰ বাবে আত্মজাহ যোৱাৰ প্ৰয়োজন বুলি তেওঁক বুজাইছিল। মানুহক আশা দেখুৱা আৰু ভুল পথ দেখুৱা দুটা বেলেগ কথা। সংকল্প লৈ যেতিয়া এখন বাজেট দাখিল কৰা হৈছে, এই বাজেটৰ জৰিয়তে জনসাধাৰণক ভূমি অধিকাৰ দিয়াৰ যত্ন কৰা হৈছে। মিছন বসুন্ধৰাৰ জৰিয়তে লাখ লাখ খিলঞ্জীয়া লোকক ভূমিৰ পট্টা দিব বিচৰা হৈছে। মিছন বসুন্ধৰা -২ জৰিয়তে VGR PGR মানুহৰ অধিকাৰ সাব্যস্ত কৰিবলৈ দিয়া হৈছে। কিন্তু সেইসময়ত যিসকল মানুহৰ মনত মাটিৰ অধিকাৰ প্ৰতি হাবিয়াস আছিল, তেওঁলোকৰ চিন্তা চৰ্চাক হাইজেক কৰি তেওঁলোকৰ মৃত্যুৰ মুখত ঠেলি দিয়াৰ ৰাজনীতি হৈছিল আৰু এই ৰাজনীতি কোনে কৰিছিল আমি সকলোৱে জানো। গতিকে এই উচতনিমূলক ৰাজনীতিৰ বিপৰীতে প্ৰকৃতাৰ্থত এখন সুন্দৰ অসমৰ ভূমিৰ অধিকাৰ সাব্যস্ত কৰিব পৰাকৈ এই চৰকাৰৰ দিনত মিছন বসুন্ধৰা আৰম্ভ কৰিছে আৰু মিছন বসুন্ধৰাৰ জৰিয়তে আমি ভূমিৰ অধিকাৰ আগবঢ়াব পাৰিম। দ্বিতীয়তে আৰু এটা কথা মই লক্ষ্য কৰিছো, আমাৰ যেতিয়া বেমাৰ আজাৰ হয়, উচ্চ চিকিৎসাৰ বাবে আমি বাহিৰলৈ যাব লগা হয়। আমাৰ পৰিয়ালৰ মাজত কাৰোবাৰ কেন্সাৰ হয়, কাৰোবাৰ হাৰ্টৰ বেমাৰ হয়, কাৰোবাৰ কিড্‌নিৰ বেমাৰ হয়, ইয়াত যিটো চিকিৎসা পায় তাতকৈ উচ্চ চিকিৎসাৰ বাবে super speciality hospital ৰ অভাবৰ বাবে আমাৰ মানুহ বাহিৰলৈ যাব লগা হয়। কিন্তু এই বাজেটে আশাৰ বতৰা এই কাৰণেই আনিছে, যে ৩৭৮৯ কোটি টকা super speciality hospital স্থাপন কৰিবৰ বাবে এই বাজেটত প্ৰভিজন ৰাখিছে। বৰপেটা, যোৰহাট, ডিফু, তেজপুৰ, লক্ষীমপুৰ মেডিকেল কলেজত super speciality hospital স্থাপন কৰা হ'ব। এই super speciality hospital য়ে অসমৰ লাখ লাখ দৰিদ্ৰ লোকৰ বাবে আশাৰ বতৰা কঢ়িয়াই আনিব। এই super speciality hospital য়ে অসমৰ পৰা ৰোগীৰ বহিৰ্গমন বন্ধ কৰিব। আৰু অসমৰ চিকিৎসা লাহে লাহে বিশ্বমানৰ চিকিৎসা বা অসমক লাহে লাহে চিকিৎসাৰ এক কেন্দ্ৰ স্থললৈ পৰিণত কৰিব। অসমৰ চিকিৎসা ব্যৱস্থাৰ আমূল পৰিবৰ্তৰ দিশত আমি গৈ আছো। আজি কেন্সাৰকে ধৰি অন্যান্য ৰোগৰ ক্ষেত্ৰত চৰকাৰে গুৰুত্ব দিছে। আজি এইমচ্ স্থাপন হৈছে, আজি কেন্সাৰ ফাউণ্ডেশ্যনৰ জৰিয়তে যি কেইখন কেন্সাৰ হস্পিতাল স্থাপন কৰা হৈছে, মে মাহত এই কেন্সাৰ হস্পিতাল কেইখনো আৰম্ভ হ'ব। এই বাজেটখন সামগ্ৰীকভাবে সকলো দিশ চুই যোৱা বাজেট। এই বাজেটখনত স্কীল ইউনিভাৰচিটি স্থাপন কৰিবৰ কাৰণে মঙ্গলদৈত ১ হাজাৰ কোটি টকাৰ প্ৰভিজন ৰাখিছে। অধ্যক্ষ মহোদয়, ১ হাজাৰ কোটি টকাৰে যেতিয়া স্কীল ইউনিভাৰচিটি স্থাপন কৰি আমাৰ দক্ষতা বিকাশ কৰিব খুজিছে তেতিয়াও আমাৰ বিৰোধী সকলে ক'ব খোজে যে এই বাজেটত সংস্থাপনৰ সপোন দেখুৱা নাই বা সংস্থাপনৰ পথ ৰচনা কৰা হোৱা নাই। এই স্কীল ইউনিভাৰচিটিত যি সকল স্কীল লেবাৰ সৃষ্টি হ'ব, তেওঁলোকে অসমৰ অৰ্থনীতি সবল কৰিব। তেওঁলোকৰ জৰিয়তে আহি থকা দিন বিলাকত অৰ্থনৈতিক ক্ষেত্ৰখন সবল হ'ব। মই আৰু এটা কথাত এই বাজেটখনত বিশেষ গুৰুত্ব দিয়া দেখিছো, সেয়া হ'ল বিজ্ঞান আৰু প্ৰযুক্তিবিভাগ। বিজ্ঞান আৰু প্ৰযুক্তি বিভাগক, বিজ্ঞান প্ৰযুক্তিৰ লগতে জলবায়ু পৰিবৰ্তনৰ নাম সংযোজন কৰি এই বিভাগক নতুন নামাকৰণ কৰিব বিচৰা হৈছে। অধ্যক্ষ মহোদয়, বৰ্তমান সময়ত জলবায়ু পৰিবৰ্তন আমাৰ সমগ্ৰ বিশ্বৰ বাবে এটা ডাঙৰ প্ৰত্যাহ্বান। আজি বায়'ফুৱেলৰ, ফচিলফুৱেলৰ ব্যৱহাৰ দিনে দিনে বৃদ্ধি কৰিব লাগে। আৰু এই ক্ষেত্ৰত ভাৰতৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই এক নিৰ্দিষ্ট লক্ষ্য স্থিৰ কৰি লৈছে। আজি পৃথিবীক নেতৃত্ব দিবলৈ ভাৰতবৰ্ষ আগবাঢ়ি গৈছে। এনে সময়ত

জলবায়ু পৰিবৰ্তনৰ দিশটো অসম চৰকাৰে গুৰুত্বসহকাৰে লৈছে। এইটো কথাই এই বাজেটখনত অত্যন্ত জৰুৰী কথা। তাৰ লগতে দুশখন ইলেকট্ৰিক বাছ গুৱাহাটীত চলাবলৈ যি সিদ্ধান্ত লোৱা হৈছে, ২০ টা ইলেকট্ৰিক চাৰ্জিং ষ্টেশ্যন স্থাপন কৰিবলৈ বিচাৰিছে। এয়া হ'ল জলবায়ু পৰিবৰ্তনৰ সময়ত চৰকাৰে গ্ৰহণ কৰা এটা গুৰুত্বপুৰ্ণ দিশ। আপোনালোকে কেৱল এই বাজেটখনত ক'ৰবাত কিবা নাই নেকি সেই কথাটো বিচাৰি নুফুৰিব। বাজেটখনত আমাৰ যথেষ্টখিনি দিশ আছে, যিখিনি দিশৰ জৰিয়তে আমি আহি থকা দিনত আমাৰ সমাজখন, আমাৰ অসমখনক ভাৰতৰ শ্ৰেষ্ঠ ৫ খন ৰাজ্যলৈ আমি লৈ যাব পাৰিম। আজি শক্তিখণ্ডৰ কথা আমি আলোচনা কৰিছো। শক্তিখণ্ডত ১ হাজাৰ মেগাৱাত সৌৰ শক্তি চালিত নতুন প্ৰকল্পৰ কথা বাজেটত উল্লেখ কৰা হৈছে। ১ হাজাৰ মেগাৱত সৌৰ শক্তি চালিত নতুন প্ৰকল্প হোৱাৰ পাছত আমাৰ যি পৰিৱেশৰ ওপৰত সু-প্ৰভাৱ পৰিব, আজি পৃথিৱীৰ ভিতৰত সৌৰ শক্তিৰ প্ৰকল্পত ভাৰতবৰ্ষৰ স্থান ৪ৰ্থ। আমি আৰু আগুৱাই যাব লাগিব কাৰণ সৌৰ শক্তিক আজি আমাৰ বিকল্প ইন্ধন হিচাপে, বিকল্প শক্তি হিচাপে, গোটেই বিশ্বই যথেষ্ট গুৰুত্ব আৰোপ কৰিছে। কাৰণ কয়লা গেছেই হওঁক অন্যান্য কিছুমান পাৱাৰ প্লেনত আমাৰ যথেষ্টখিনি প্ৰাকৃতিক ভাৰসাম্য ৰক্ষাৰ ক্ষেত্ৰত অসুবিধাৰ সৃষ্টি হয়। আমাৰ কাজিৰঙাক লৈওঁ সপোন দেখা হৈছে কাজিৰঙাকলৈও সংকল্প লোৱা হৈছে, কাজিৰঙাত elevated corridor নিৰ্মাণ কৰা হ'ব। তাৰ লগতে চাহ জনগোষ্ঠীৰ লোক সকলক বা চাহ বাগানক আগুৱাই লৈ যাবৰ কাৰণে চিন্তা কৰা হৈছে। ৫০ খন চাহবাগানত চাহ পৰ্য্যটনৰ সিদ্ধান্ত লোৱা হৈছে। এই পৰ্যটনৰ জৰিয়তে কেৱল চাহ বাগান বিলাক শক্তিশালী কৰাই নহয়, সেই অঞ্চলৰ চাহ শ্ৰমিক সকলক কৰ্মসংস্থাপনো দিব। অধ্যক্ষ মহোদয়, এই বাজেট খনত আমি এটা কথা ক'ৰ পাৰো, আহি থকা ৫০ বছৰৰ ভৱিষ্যতৰ কথা লক্ষ্য কৰি স্থিৰ কৰা হৈছে। সৰ্বাধিক পৰিমাণৰ ধন এই বাজেটত PWD বিভাগত এইবাৰ খৰচ কৰা হ'ব। প্ৰায় ১১, ৫০০ কোটি টকা। আজি PWD(road), PWD(B), PWD(NH) গোটেইকেইটা বিভাগ লগ লাগিলে ১১,৫০০ কোটি টকা এটা বৰ্ষত PWD ৰ বাজেট , এটা অভুতপুৰ্ব সংযোজন। মই সেই কাৰণে ক'ব বিচাৰো এই বাজেটৰ জৰিয়তে অসমৰ ভৱিষ্যৎ সুৰক্ষিত হ'ব। শেষত মই এটা মাত্ৰ কথা ক'ব বিচাৰিছো, যে মোৰ সমষ্টি সৰু পথাৰ সমষ্টি। এই বাজেটত সৰু পথাৰ সমষ্টিৰ নুমলিগড় ৰিফাইনেৰীৰ সম্প্ৰসাৰণৰ কথা কোৱা হৈছিল। ২ হাজাৰ কোটি টকাৰ ইয়াত চেয়াৰ লৈছে। সৰু পথাৰ সমষ্টিত সতী সাধিনী বিশ্ববিদ্যালয়ৰ কাৰণে ৫০ কোটি টকা দিছে। লাভলীনা বৰগোঁহাই ষ্টেডিয়ামৰ কাৰণে বিশেষভাৱে প্ৰকল্প লৈছে। বৰ পথাৰত অভাৱ ব্ৰীজৰ ব্যৱস্থা কৰিছে, এই সকলোখিনিৰ কাৰণে সৰু পথাৰ সমষ্টিবাসীৰ হৈ মই মুখ্যমন্ত্ৰী মহোদয়ক, বিত্ত মন্ত্ৰী মহোদয়াক ধন্যবাদ জনাই মোৰ বক্তব্য সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় সভাপতি** ঃ- এতিয়া মানৱ ডেকা, আপোনাৰ সময় ৯ মিনিট।

**শ্ৰী মানৱ ডেকা, (লখিমপুৰ)** ঃ- সভাপতি মহোদয়, মই প্ৰথমতে বিত্ত মন্ত্ৰী মহোদয়াক অসমৰ সৰ্বাঙ্গীন উন্নয়নৰ কাৰণে সমগ্ৰ দিশ সামৰি যি এখন বাজেট দাখিল কৰিছে তাৰ বাবে ধন্যবাদ জনাইছো। এক সুস্থিৰ অৰ্থনৈতিক ধাৰাৰ বাবে এক সুস্থিৰ পৰিকল্পনাৰ দৰকাৰ। যোৱা বাজেট খনৰ পৰা এই কথা ইয়াত প্ৰতিফলিত হৈছে, যে ক'ৰনাৰ দৰে মহামাৰীৰ প্ৰভাৱৰ পিছতো অসমত জি এচ ডি পি প্ৰায় ১৪ শতাংশ গ্ৰোথ কৰিছে যিটো ভাৰতবৰ্ষৰ ভিতৰতে বিৰল ঘটনা। তাৰ বাবে বিশেষভাৱে আমাৰ বিত্ত মন্ত্ৰী মহোদয়া ধন্যবাদৰ পাত্ৰ। এই বাজেটখনত যদি আমি বিশেষ ভাৱে চাওঁ নতুন শিক্ষা নীতি কাৰ্য্যকৰী কৰিবৰ বাবে চৰকাৰখনে বাজেটত প্ৰায় ২০ শতাংশ ধন শিক্ষাৰ

ক্ষেত্ৰত বিনিয়োগ কৰাৰ প্ৰচেষ্টা লৈছে, যাৰ ফলত ভবিষ্যৎপ্ৰজন্ম সুৰক্ষিত হ'ব। এই বাজেটৰ জৰিয়তে শিক্ষাৰ কেৱল শৈক্ষিক ব্যৱস্থাটোৱে নহয় শিক্ষাৰ আন্তঃগাঠনিৰ ক্ষেত্ৰটো বিভিন্ন এজেঞ্চি যেনে NEDA ৰ জৰিয়তে প্ৰায় চাৰে বাৰশ কোটি টকা infrastructure ত স্কুলসমূহৰ আন্তঃগাঠনিৰ কাৰণে পুঁজিৰ যোগান ধৰাৰ ব্যৱস্থা কৰা হৈছে, মই আশা কৰিছো যে ইয়াৰ দ্বাৰা এক আমূল পৰিবৰ্তন শিক্ষা খণ্ডত দেখিবলৈ পোৱা যাব ভৱিষ্যৎ দিনত। মই বিত্ত মন্ত্ৰী মহোদয়াক, মুখ্য মন্ত্ৰী মহোদয়ক বিশেষভাৱে ধন্যবাদ জনাব বিচাৰিছো road connectivity ৰ ক্ষেত্ৰত প্ৰায় ৪ হাজাৰ কিঃমিঃ নতুন পথৰ প্ৰস্তাৱ কৰা হৈছে আৰু ইয়াৰ দ্বাৰা অসমত connectivity ৰ ক্ষেত্ৰত যথেষ্ট আগবাঢ়ি যাব আৰু ই আমাৰ ৰাজ্যখনৰ জি ডি পিত যথেষ্ট সুস্থ প্ৰভাৱ পেলাব। বৰ্তমান অসমত যি মিশ্যন বসুন্ধৰা চলি আছে, এই ঐতিহাসিক পদক্ষেপৰ ফলত ৰাইজে সুবিচাৰ পাইছে তাতে চৰকাৰখনৰ ভৱিষ্যতৰ সুন্দৰ দিনৰ আভাস পোৱা গৈছে। লক্ষীমপুৰ, ধেমাজীৰ দৰে জিলাত এতিয়াও বহু গাওঁ স্বাধীনতাৰ ৭০ বছৰৰ পিছতো চাৰ্ভে হোৱা নাছিল, কিন্তু এই চৰকাৰখন আহি যোৱা ন মাহতেই প্ৰায় ৯০ শতাংশ গাওঁ মিছন বসুন্ধৰাৰ জৰিয়তে চাৰ্ভে কৰি ৰাইজক যি সকাহ দিয়াৰ ব্যৱস্থা কৰা হৈছে তাৰ ফলত বানত ক্ষতিগ্ৰস্ত লোক সকলে আগতে চাৰ্ভে নোহোৱা গাওঁ হিচাপে তেওঁলোকে বঞ্চিত হৈ আছিল বিভিন্ন সুবিধাৰ পৰা। কিন্তু বৰ্তমান সেই গাওঁ সমূহত চাৰ্ভে কৰি তাত স্থায়ী গাওঁবুঢ়া নিয়োগ কৰি ৰাইজক যি সু-ফল দিয়াৰ ব্যৱস্থা কৰিছে, তাৰবাবে মই ধন্যবাদ জনাইছো। শিক্ষাৰ ক্ষেত্ৰত বিশেষকৈ প্ৰায় ছয়খন মহাবিদ্যালয় তাৰ ভিতৰত লক্ষীমপুৰ মহাবিদ্যালয়খনো আছে। বিশ্ববিদ্যালয় পৰ্য্যায়লৈ উন্নীতকৰণ কৰি যি পূঁজি যোগানৰ ব্যৱস্থা কৰা হৈছে, তাৰ ফলত উত্তৰ অসমত শিক্ষাৰ প্ৰাণ কেন্দ্ৰ স্বৰূপ লখিমপুৰ মহাবিদ্যালয়ক বিশ্ববিদ্যালয় হিচাপে গঢ় দিবলৈ যি প্ৰচেষ্টা কৰা হৈছে তাৰ ফলত উত্তৰ অসমত ছাত্ৰ-ছাত্ৰী সকলে বিশেষ সু-ফল লাভ কৰিব পাৰিব। ইয়াৰ উপৰিও লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ৰ ইতিমধ্যে পাঠ্যক্ৰম আৰম্ভ হৈছে। এপ্ৰিল মাহৰ ভিতৰত আমাৰ যি যি কেঞ্চাৰ হস্পিতাল আছে, তাৰো সেৱা আৰম্ভ হ'ব যাৰ ফলত উত্তৰ ফালৰ বিশ্বনাথ চাৰিআলি, লখিমপুৰ, ধেমাজি জিলাৰ সমূহ নাগৰিকে যি মাৰাত্মক কেঞ্চাৰ ৰোগৰ চিকিৎসাৰ বাবে হাবাথুৰি খাবলগীয়া হয়, তেওঁলোকে দিল্লী, বোম্বে বা গুৱাহাটীত চিকিৎসাৰ বাবে ব্যয় বহন কৰাত অসুবিধা হয়। এই সুবিধাখিনি দিয়াৰ বাবে বিত্ত মন্ত্ৰী মহোদয়াক আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক মই ধন্যবাদ জ্ঞাপন কৰিছো। আজি ভৰত নৰহ ডাঙৰীয়াই কৈছে, হিতাধিকাৰী সৃষ্টি কৰাৰ কথা। আগৰ চৰকাৰৰ দিনত সূতা কম্বলতে সীমাবদ্ধ আছিল। কিন্তু আজি অৰুণোদয় আঁচনিৰ জৰিয়তে প্ৰত্যেক গৰাকীক মহিলাক direct transfer ৰ জৰিয়তে যি সু-ফল দিয়াৰ ব্যৱস্থা কৰা হৈছে, সেই আঁচনি খন সম্প্ৰসাৰিত কৰি এইবাৰ বাজেটত ৬ লাখ নতুন মহিলা হিতাধিকাৰীক অন্তৰ্ভূক্ত কৰাৰ বাবে মই ধন্যবাদ জ্ঞাপন কৰিছো যাৰ ফলত অসমৰ অৰ্থনীতিত সু-প্ৰভাৱ পৰিব এই ৬ লাখ মহিলা নতুনকৈ অন্তৰ্ভূক্ত হোৱাৰ ফলত বোধকৰো প্ৰায় ২৬ লাখতকৈয়ো বেছি মহিলা বা পৰিয়াল এই আঁচনিৰ অন্তৰ্ভূক্ত হ'ব। এই আঁচনিৰ জৰিয়তে নতুন কৈ যি ২৫০ টকা কৈ টকা বিজুলী বিলৰ বাবদ account ত দিয়াৰ ব্যৱস্থা কৰা হৈছে, ইয়াৰ ফলতো দুখীয়া পৰিয়ালৰ যথেষ্ট সকাহ হ'ব। তাৰ বাবে মই বিত্তমন্ত্ৰী মহোদয়াক ধন্যবাদ জ্ঞাপন কৰিছো। শেষত মই পুনৰ এনে এখন অসমৰ অৰ্থনীতিত সুদূৰ প্ৰসাৰী প্ৰভাৱ পেলাব পৰা বাজেটৰ বাবে বিত্তমন্ত্ৰী মহোদয়াক আৰু মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** শ্ৰী ৰকিবুল হুছেইন ডাঙৰীয়া।

**শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি) ঃ** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব

শৰ্মা ডাঙৰীয়াৰ নেতৃত্বৰ চৰকাৰখনৰ বিত্তমন্ত্ৰী ডাঙৰীয়ানীয়ে ৬০০ কোটি ঘাটি বাজেট দাখিল কৰিলে সেই সন্দৰ্ভত আমাৰ বক্তব্যখিনি ৰাখিব বিচাৰিছো। শ্ৰীভৰত নৰহ ডাঙৰীয়াৰ এটা কথা শুনাৰ লগে লগে মোৰো এটা কথা মনত পৰিল। বিত্তমন্ত্ৰী ডাঙৰীয়ানীয়ে আৰম্ভণিতে এটা কলিৰে আৰম্ভ কৰিছে তোৰে মোৰে আলোকৰে যাত্ৰা। তোৰে মোৰে আলোকৰে যাত্ৰা মানে আলোকৰ যাত্ৰা আৰম্ভ হৈছে। এই কথাখিনি কওঁকে হঠাৎ কিয় জানো মোৰ ২০০০ চনৰ কথা মনত পৰিছে। ২০০১ চনৰ কথা মনত পৰিছে। আলোকৰ যাত্ৰা মানে আন্ধাৰৰ পৰা পোহৰ। ২০০১ চনত সেই সময়ত আন্ধাৰ আছিল, আজি আমি পাহৰি গৈছো যে সময়ত তৰুণ গগৈ ডাঙৰীয়াই দায়িত্ব লৈছিল চৰকাৰখনৰ, সেই সময়ত অসমখনৰ অৰ্থনৈতিক অৱস্থা ভাঙি-চিঙি চুৰমাৰ হৈছিল। কৰ্মচাৰী সকলক দৰমহা দিয়াটোৱে চৰকাৰখনৰ প্ৰধান কৰ্তব্য আছিল। সেই সময়ত তৰুণ গগৈ ডাঙৰীয়াই দায়িত্ব লৈ কৰ্মচাৰী সকলক বিশ্বাসত লৈ কৰ্মচাৰীক দৰমহা দিয়াৰ পৰা আৰম্ভ কৰি কেন্দ্ৰীয় চৰকাৰৰ সমহাৰত মৰগীয়া বানচ দি গাওঁ স্কুল কলেজ সমূহত এল. পি স্কুলত ৪- ৫ লাখ হাইস্কুল বিলাকত, ১০ লাখ কলেজত, বিশ্ববিদ্যালয় সমূহক, কোটি টকা আত্মসহায়ক গোট খুলি অৰ্থনৈতিক এক বিপ্লৱ আৰম্ভ কৰিলে। ছাত্ৰ-ছাত্ৰী সকলক প্ৰথম বিভাগত উত্তীৰ্ণ হ'লে কম্পিউটাৰ দিয়াৰ আৰম্ভ কৰিলে এনে ধৰণৰ আঁচনিৰ যোগেদি মানুহৰ মাজত এটা বিশ্বাস হৈছিল। সেই সময়ত যেনেকৈ অৰ্থনৈতিক দিশটো ভাঙি-চিঙি চুৰমাৰ হৈছিল, ঠিক একেদৰে আইন শৃংখলাৰ পৰিস্থিতিৰ শোচনীয় ৰূপ লৈছিল। পুৰণা কিছু কথা মই নকওঁ। কিন্তু সেই সময়ত আলফাৰ দ্বাৰা যি ধৰণে সাধাৰণ মানুহ বলি হৈছিল বিভিন্ন ক্ষেত্ৰত, সেই ছবিখন এতিয়া যদি মনলৈ আহে, এইটো এটা ভয় লগা পৰিৱেশ। এফালে অৰ্থনৈতিকভাৱে ভাঙি-চিঙি গৈছিল, আইন শৃংখলা পৰিস্থিতিৰ শোচনীয় ৰূপ, আনফালে আকৌ সেই সময়ৰ কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰে চাকৰিৰ প্ৰক্ৰিয়াটোকে বন্ধ কৰি থৈছিল। সেই সময়ত আমি পাহৰি গৈছো, আজি সাধাৰণ নজনা মানুহেও MoU বুলি জানিছিল যে, memorendum of understanding. Memorendum of understanding মানে বুজাবুজিৰ চুক্তি। পৃথিৱীৰ ক'তো আমি দেখা নাই যে, কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰে এক চুক্তিৰ যোগেদি উঠি অহা চামৰ নিবনুৱা সকলৰ চাকৰি বাকৰি প্ৰক্ৰিয়াটোকে বন্ধ কৰি থৈছিল। কেৱল যে চাকৰি-বাকৰি প্ৰক্ৰিয়া বন্ধ কৰি থৈছিল, মাননীয় উপাধ্যক্ষ মহোদয়, সেইটো নহয়। অৱসৰ লোৱা যিসকল লোক আছিল, সেই সকল লোকৰ পোষ্টবিলাকো বিলুপ্তি কৰিছিল। এনে এটা সময়ত তৰুণ গগৈ ডাঙৰীয়াই দায়িত্ব লৈছিল। দায়িত্ব লৈ এটা এটা সমস্যা সমাধান কৰিছিল। তৰুণ গগৈ ডাঙৰীয়াই অৰ্থনৈতিক দিশটো টনকিয়াল কৰাৰ লগতে আলফাৰ ল'ৰা সকলক মেজলৈ মাতি আনিলে, তেওঁলোকৰ লগত কথা পাতিলে, কেন্দ্ৰীয় চৰকাৰৰ লগত কথা MoU বাতিল কৰিলে। এক সুন্দৰ পৰিৱেশত অসমখন আগবাঢ়ি গ'ল। ২০০১ চনৰ পাছত ২০০৬ চনত তৰুণ গগৈ ডাঙৰীয়া আকৌ ৰাইজৰ ওচৰলৈ গ'ল। ৰাইজে ক'লে আপুনি ভাল চৰকাৰ চলাইছে। আপোনালোকে আকৌ চলাওক। আমি সেই সময়ত বিভিন্ন ধৰণৰ সমস্যাবিলাক সমাধান কৰিবলৈ চেষ্টা কৰিলো। অৰ্থনৈতিকভাৱে টনকিয়াল কৰিবৰ কাৰণে বিভিন্ন ধৰণৰ বাতাবৰণ সৃষ্টি কৰা হ'ল। সময়ৰ কাৰণে তাৰ পৰৱৰ্তী সময়ত আকৌ ২০১১ চন আহিল। ২০১১ চনত যেতিয়া আমি ৰাইজৰ ওচৰত গ'লো, আকৌ ৰাইজে ক'লে তৰুণ গগৈ ডাঙৰীয়াৰ চৰকাৰখনে ভাল কাম কৰি আছে আপোনালোকে আকৌ এবাৰ চৰকাৰলৈ যাওঁক। হয় আমি সঁচা কথাটো ২০১৬ চনত তেতিয়া ৰাইজৰ ওচৰলৈ গ'লো, তেতিয়া ৰাইজে আমাক বিশ্বাসত নল'লে। ২০১৬ চনত আমি যেতিয়া ৰাইজৰ ওচৰত গ'লো ৰাইজে ক'লে বি. জে পি য়ে কৈছে যে কংগ্ৰেছে ভালকৈ কাম কৰিব পৰা

নাই। সেই সময়ত এনেধৰণৰ এটা বাতাবৰণৰ সৃষ্টি হ'ল যে প্ৰয়াত তৰুণ গগৈদেৱৰ চৰকাৰখনে চাকৰি-বাকৰি আদি একো দিব পৰা নাই। তেতিয়া মানুহে ক'লে যে কংগ্ৰেছ চৰকাৰে ভালদৰে কাম কৰিব পৰা নাই। সেইসময়ত কেন্দ্ৰীয় চৰকাৰৰ পৰা কোৱা হ'ল বছৰি দুই কোটি কৈ চাকৰি দিব। পাঁচ বছৰত দহ কোটি চাকৰি দিয়া হ'ব। আজি এক লাখ চাকৰি দিয়াৰ কথা কৈ আছে। সেই সময়ত বছৰি পঁচিশ লাখ চাকৰি দিয়াৰ কথা কোৱা হৈছিল। আজি কিহৰ কাৰণে সেই পঁচিশ লাখটো এক লাখলৈ নামি আহিল? চৰকাৰৰ সেই পচিশ লাখ চাকৰিৰ কি হ'ল, সেই বিষয়ে জনাবলৈ অনুৰোধ কৰিছো। অসমৰ নিবনুৱাই হিচাপ কৰি উলিয়ালে যে পঁচিশ লাখকৈ চাকৰি যদি পাঁচ বছৰলৈ দিয়া হয়, পাঁচ বছৰত এক কোটি পচিশ লাখ চাকৰি অসমৰ নিবনুৱাই পাব আৰু মানুহৰ মনত হাঁহি ওলাল আৰু ইমান চাকৰি পোৱাৰ আশাত ৰাইজে এই চৰকাৰক নিৰ্বাচন কৰিলে। এই চৰকাৰখনৰ বাজেট সমূহ মই লৈ আহিছো। প্ৰথম বাজেটৰ লগত দ্বিতীয় বাজেটৰ সম্পৰ্ক নাই, দ্বিতীয় বাজেটৰ লগত তৃতীয় বাজেটৰ সম্পৰ্ক নাই, তৃতীয় বাজেটৰ লগত চতুৰ্থৰ সম্পৰ্ক নাই, চতুৰ্থ বাজেটৰ লগত পঞ্চম বাজেটৰ সম্পৰ্ক নাই আৰু ইয়াৰ আগৰ বাজেটৰ লগত আজিৰ বাজেটৰ সম্পৰ্ক নাই। উপাধ্যক্ষ মহোদয়, এই কথাখিনি মই মাত্ৰ মনত পেলাই দিছো। এইকাৰণেই মনত পেলাই দিছো যে কিছুদিন আগত আমি কংগ্ৰেছ দলে যেতিয়া আমাৰ নিজৰ মাজত এটা পৰীক্ষণ কৰিছিলো, তেতিয়া আমি কৈছিলো জয়ন্ত হাজৰিকাৰ এটি গীতৰ কলিৰে- "আকৌ নতুন প্ৰভাত হ'ব।" তেতিয়া আমাক ঠাট্টা কৰিছিল যে আকৌ কিয় প্ৰভাত হ'ব লাগে, আলোকতো আছেই। কিন্তু আজি এই বাজেটত প্ৰথমতে আকৌ আলোক বিচাৰি ঘূৰি ফুৰিবলগীয়া হৈছে। মই অন্য ডাটালৈ নাযাওঁ। মই এখন ছবিৰ কথা ক'ব বিচাৰিছো। মোৰ কথাৰে নহয়, কিন্তু অসমৰ যি পৰিৱেশ হৈছে, তাৰ লগত কি ধৰণে এই ছবিখন আহিছে, সেই বিষয়ে ক'ব বিচাৰিছো। বিত্তমন্ত্ৰী ডাঙৰীয়াই নিশ্চয় সম্বোধন কৰিব বুলি মই ভাৱিছো। প্ৰতিটো কথাতে ইয়াত লিখিছে- "মাৰ্চ এণ্ডিং সুখৰ নহ'ব, বহু বিভাগ, ঠিকাদাৰৰ। চিলিং মঞ্জুৰীৰ উমঘামেই নাই বিত্ত বিভাগৰ। তীব্ৰ অৰ্থ সংকটৰ গৰাহত ৰাজ্যচৰকাৰ। পঞ্চাশ শতাংশ বিলৰ বিপৰীতে নাপাব মঞ্জুৰী।" যিসকলে অৰ্থৰ লগত সেই লোকসকলে আগতে উমান পাইছিল যে এইবাৰ বাজেটত এটা হতাশাৰ দিশ আহিব। সেইকাৰণে আগতেই লিখিছে ৰাজকোষৰ পুঁজি সম্পৰ্কে মঞ্জুৰী দিব চিলিং। শ শ ফাইল ওভতাই পঠিয়াইছে বিত্তবিভাগে। দৰমহা বৰ্হিভূত খা-খৰচ নোপোৱাৰ আশংকা। সকলোতকৈ ডাঙৰ কথা তেতিয়াই লিখিছিল যে আগৰ বাজেটৰ কৰ্তন হ'ব বিভিন্ন শিতানৰ ধন। এই বিভিন্ন শিতানৰ ধন কৰ্তন হৈছে সেই কথাবোৰে অসমৰ অৰ্থনৈতিক দিশটো সামগ্ৰিকভাৱে ভাল কথা সূচোৱা নাই। ২০২১-২২ ৰ বাজেটৰ তুলনাত ২০২২-২৩ ত মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়াই দিয়া বাজেটত ৰিভাইচ এষ্টিমেট বহু কমকৈ ধৰিছে। ৰিভাইচ এষ্টিমেটতকৈ এইবাৰ বহু শিতানত কমকৈ পইচা ধাৰ্য্য কৰা হৈছে। ৰিভাইচ এষ্টিমেটত পৰিবহন বিভাগত ১২,৬৫৯ কোটি টকা ধাৰ্য্য কৰা হৈছে, কিন্তু এইবাৰ ২০২২-২৩ বৰ্ষত ৯,৬৪৪ কোটি টকা ধাৰ্য্য কৰা হৈছে। পৰিবহন বিভাগত মাইনাচ ২৪ ।স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগত ৰিভাইচ এষ্টিমেটত দিয়া হৈছিল, ৯,৮৫৩ কোটি টকা। কিন্তু ২০২২-২৩ বৰ্ষৰ বাজেটত ৭,৫১৬ কোটি টকা। অৰ্থাৎ মাইনাচ ২৪ ৰিভাইচ এষ্টিমেটতকৈ এইবাৰ কমকৈ দিয়া হৈছে। Agriculture and Allied Activities আমাৰ ২০২২-২৩ ৰ বাজেটত ২০২১-২২ ৰ বাজেটতকৈ কম পইচা ধাৰ্য্য কৰিছে। য'ত এগ্ৰিকালচাৰত যোৱা বৰ্ষত ৫,৬৪৭কোটি টকা দিয়া হৈছে। কিন্তু এইবাৰ বাজেটত ৫,২৭০ কোটি টকা ধাৰ্য্য কৰা হৈছে। অৰ্থাৎ -মাইনাচ ২০। সমাজ কল্যাণ বিভাগত হৈছে মাইনাচ ২৬ । ৫,৬০৬ কোটি টকা

যোৱাবাৰ বাজেটত ধাৰ্য্য কৰা হৈছিল। এইবাৰ ৪,১৫১ কোটি টকা ধাৰ্য্য কৰা হৈছে। ৰিভাইচ এষ্টিমেটত গ্ৰামোন্নয়ন বিভাগত যোৱাবছৰ বাজেটত ৫,৫৬৫ কোটি টকা ধাৰ্য্য কৰা হৈছিল আৰু এইবাৰ মাইনাচ ২৬ শতাংশ কমি গৈছে। সেইদৰে হাউচিং আৰু আৰবান ডেভলপমেণ্টতো পইচা কমি গৈছে। এই decling trend ৰাজ্যৰ কাৰণে শুভ লক্ষণ নহয়। এই কথাবিলাক অলপ address কৰিব লাগে আৰু বিত্তবিভাগো যদি অলপ ডিচিপ্লিনত নাহে আৰু চৰকাৰখন যদি অলপ মিতব্যয়ী নহয়, তেতিয়াহ'লে আৰু অলপ ভয়ানক অৱস্থালৈ যাব। মই আগতেও কৈছিলো আৰু এতিয়াও কম যে চৰকাৰখনে খৰচ কমাবলৈ হ'লে উৰাজাহাজত উৰাটো অলপ কমাব লাগিব। উৰাজাহাজত উঠাটো যদি নকমায়, উৰাজাহাজত উঠা টকাটোৰ লগত আমাৰ বাজেটৰ দুখীয়া মানুহৰ তেলৰ লগত সম্বন্ধ নাই, দাইলৰ বাবে লোৱা অতিৰিক্ত কৰৰ লগত সম্বন্ধ নাই বা ৰাজহৰ পৰা যদি নিনিয়ে তেতিয়া আমাৰ ক'বলগীয়া নাই। যেতিয়া দৰকাৰ হয়, তাৰোপৰি যদি উৰাজাহাজত উৰি ৰাজহ খৰচ কৰে তেতিয়া অৰ্থনীতিৰ হতাশাৰ ছবি এখন পুনৰ আহিব পাৰে বুলি বিভিন্ন কাকতৰ লেখকসকলে কৈছে। মই ঋণ লোৱাত বাধা দিয়া নাই। প্ৰয়াত তৰুণ গগৈ ডাঙৰীয়া যেতিয়া ইয়াত বহি আছিল আৰু তেখেতক কৈছিল যে আপুনি অসমখন শেষ কৰি দিলে। অসমখনক আপুনি দহ কোটি টকাৰ বোজা থৈ গ'ল। দহ হাজাৰ কোটি টকাৰ বোজাৰে অসমখন শেষ কৰি থৈ গ'ল। দহ হাজাৰ কোটি টকা লওঁতে ইয়াত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হৈছিল। আমাৰ কংগ্ৰেছ দলৰ যিসকল লোক অলপ দায়িত্বত আছিল তেওঁলোকে ওলাব নোৱাৰা অৱস্থা হৈছিল। টক শ্ব' সমূহত আমাৰ অৱস্থা নোহোৱা কৰিছিল। কিন্তু পিছত এই চৰকাৰৰ এটা উত্তৰত দেখা গ'ল যে প্ৰয়াত তৰুণ গগৈ ডাঙৰীয়াই দহ হাজাৰ কোটি টকাৰ ঋণৰ বোজা ন হাজাৰ ন শ কোটি টকা জমা থৈছে। সেই সময়ত যিখন চৰকাৰে ধাৰ লোৱাটো তেওঁলোকে সমালোচনা কৰিছিল সেই চৰকাৰখনৰ দিনত নাজানো সঁচা নে মিছা আমি তথ্য বিচাৰি পোৱা নাই। ১,০ ৮,৩৪৭.২৭ কোটি টকাৰ বোজাত ৰাজ্য চৰকাৰ আছে বুলি প্ৰকাশ পাইছে। এই কথাখিনি মই কোৱা নাই। মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়াই কৈছে। ১,০ ৮,৩৪৭.২৭ কোটি টকা যদি ঋণৰ বোজা হয়, তেতিয়াহ'লে আমাৰ জন্ম লোৱা শিশুটিৰো কিমান হ'ব ? এইখিনি মই দিয়া নাই চৰকাৰে দিছে যে জনমূৰি ঋণৰ পৰিমাণ হ'ল ৩৪,৭৪১টকা ।৩৪,৭৪১টকা আজি প্ৰত্যেকৰে জনমূৰি ঋণ। আজি ঋণ লৈ জাষ্টিফাই কৰিছে। আমাৰ ক'বলগীয়া নাই। মোৰ হঠাৎ এটা কথা মনত পৰিছে যে এজন মানুহৰ ঘৰত পাঁচটা ল'ৰা-ছোৱালী আছে। তেওঁৰ কোনো উপাৰ্জন নাই। ল'ৰা-ছোৱালীবোৰৰ মনবোৰ ভাল নহয়। তেওঁ বেংকৰ পৰা এক লাখ টকা ধাৰ ল'লে। মৰ্ডগেজ দিলে ঘৰৰ মাটি আৰু ঘৰটো ।উৎসৱৰ সময়ত এক লাখ টকা পাঁচটা ল'ৰা-ছোৱালীৰ মাজত ভগাই দিলে আৰু তেওঁলোকে দেউতাকক ভূঁয়সী প্ৰশংসা কৰিলে। বিয়া কৰোৱা ল'ৰাজনে পত্নীক লৈ দিল্লী ভ্ৰমণ কৰিবলৈ গ'ল। কোনোবা এজনে ডাউন পেমেণ্ট দি গাড়ী এখন ল'লে। ঘৰখনত সুন্দৰ পৰিৱেশৰ সৃষ্টি হ'ল। কিছুদিন পিছত বেংকৰ পৰা চক্ৰবৃদ্ধি সুতৰ যেতিয়া কাগজখন আহিলে তেতিয়া তেওঁলোক হতবাক হ'ল..যে দেউতা আমিতো তোমাক ধাৰ লৈ বস্তু দিবলৈ কোৱা নাছিলো, তুমি যি ধাৰ ল'লা সেয়া আমি আজি কেনেকৈ পৰিশোধ কৰিম ? সেই ধাৰ পৰিশোধ কৰিবলৈ লওঁতে প্ৰথমে ঘৰটো যায়, তাৰ পিছত মাটি যায় আৰু পিছত পৰিয়ালটো দেউলীয়া হয়। সেই ঘৰখন নাইকিয়া হৈ ৰাজপথলৈ নামে। আজি চৰকাৰখনে ঋণ লৈ যিদৰে বিভিন্ন ধৰণৰ অনুদান দিছে, সেইখিনি কৰাটো চৰকাৰৰ প্ৰয়োজন নাছিল। কাৰোবাক টকাখিনি ভগাই দিলে কোনো অসুবিধা নাই, কিন্তু, উপাৰ্জন কিমান কৰিছে সেয়াহে অভিভাৱকৰ মূল কথা। নিজৰ চিন্তা-ধাৰা, চেষ্টা, অভিজ্ঞতাৰে কিদৰে নিজৰ উপাৰ্জন

বঢ়াইছে, সেই উপাৰ্জনেৰে কিদৰে আজি ঘৰখন ভালকৈ চলাইছো, সেই কথাবোৰ আটাইতকৈ গুৰুত্বপূৰ্ণ। এতিয়া যদি ধাৰ লৈ মানুহৰ মাজত ভগাই দিয়ে, বিভিন্ন ক্ষেত্ৰত কাম কৰে, তেন্তে সেই কথাবোৰে পিছলৈ কিন্তু ভয়ানক পৰিস্থিতিৰ সৃষ্টি কৰিব। আজিৰ তাৰিখত এনেবোৰ কথা উপলুঙা কৰি হয়তো থৈ দিব পাৰে, কিন্তু পিছলৈ ই ভয়ানক ৰূপ ল'ব। সেয়েহে, আমি এই কথাবোৰ ৰেকৰ্ডত ৰখাৰ বাবে কৈছো। বৰ্ধিত ঋণৰ বাবে বহু শিতানৰ ব্যয় কৰ্তন হ'ব। আজি 'আমাৰ অসম' বাতৰি কাকততো লিখিছে, 'আন্ধাৰৰ পৰাহে আলোকৰ যাত্ৰা'। তাৰ মানে, যোৱা পাঁচ বছৰ আন্ধাৰ আছিল নেকি? এই কথাবোৰ মই কাকো ক'বলৈ বিচৰা নাই। কিন্তু, উপাধ্যক্ষ মহোদয়, ৰাজহ বহুততে কমিছে। কেৱল এটাতহে বাঢ়িছে। মই বিনম্ৰতাৰে কৈছো, মদৰ দোকানবোৰ যে খুলিব বিচাৰিছে ইয়াৰ বাবে নতুন এক বিষয় চিন্তা কৰিব পাৰি নেকি, মাননীয় বিত্ত মন্ত্ৰী মহোদয়া, আপুনি এবাৰ বিবেচনা কৰি চাবচোন । আজিকালি বিধায়কে লিখি দিলেই চুবুৰীয়ে চুবুৰীয়ে মদৰ দোকান দিবলৈ অনুমতি পাই যায়। এই কথাটো ভাল হৈছে নে নাই অলপ চাবচোন। বিহাৰত কংগ্ৰেছ দল আহিব বুলি সকলোৰে কৈছিল। কিন্তু, তাত কংগ্ৰেছ চৰকাৰ নহ'ল কাৰণ নীতিশ কুমাৰৰ চৰকাৰে তাত মদ নিবাৰণ কৰিব বুলি কৈছিল। তেওঁলোকক মদৰ পৰা কোনো ধৰণৰ ৰাজহ নালাগে। তাতো আপোনালোকৰ মিত্ৰজোঁটৰ চৰকাৰ । য'ত মদৰ দোকান বন্ধ কৰাৰ সিদ্ধান্ত ল'ব লাগে তাত আপোনালোকে ৰাতিপুৱাই মদৰ দোকান খোলাৰ অনুমতি দিছে। আগতে, দুপৰীয়া মদৰ দোকান খুলিছিল। উপাধ্যক্ষ মহোদয়, যেতিয়া এখন ঘৰত মতা মানুহজনে মদ খাই ৰাতি অসুবিধাৰ সৃষ্টি কৰে সেই ঘৰখনেহে জানে কি কষ্ট তেওঁলোকে ভুগি আছে। আগতে, ৰাতি মতা মানুহজনে মদ খাই অহাৰ পিছত মহিলাগৰাকীয়ে ভাৱে যে ঘৰখনৰ কথা, ল'ৰা-ছোৱালীৰ পঢ়া-শুনাৰ কথা ইত্যাদি মানুহজনক ৰাতিপুৱা ক'ব। কিয়নো আগতে ৰাতিপুৱা মদ বিক্ৰী হোৱা নাছিল। কিন্তু, আজিকালি চুবুৰীয়ে চুবুৰীয়ে ৰাতিপুৱাই মদৰ দোকানবোৰ খুলি দিছে। এনে কৰাৰ ফলত আমাৰ উঠি অহা চামখিনি যদি মদৰ নিচাত মাতাল হৈ থাকে তেন্তে আমাৰ অৰ্থনীতি তথা আমাৰ ৰাজ্যখন পাঁচ শ্ৰেষ্ঠ ৰাজ্যৰ ভিতৰত অহাত কিবা ব্যাঘাত জন্মাব নেকি, কথাবোৰ এবাৰ চিন্তা কৰি চাবচোন। উপাধ্যক্ষ মহোদয়, মই আজি মাৰ্জিত ভাষাৰে কথাবোৰ ভালদৰে কৈছো। কথাবোৰ যদি ভালদৰে ল'লে ভাল, নল'লেও ভাল। উপাধ্যক্ষ মহোদয়, মই চাণক্যৰ এটা কাহিনী কওঁ। ভাৰতবৰ্ষখন যেতিয়া বেলেগ বেলেগকৈ বিভাজিত হৈ আছিল, তেতিয়া ইয়াক একত্ৰিত কৰিবলৈ চাণক্য আৰু বিষ্ণুগুপ্তই প্ৰথম চিন্তা কৰিছিল। মই চুটিকৈ ক'ব বিচাৰিছো, ABP News Channel ৰ ভাৰতবৰ্ষ নামৰ চিৰিয়েলখন চালে আ পোনালোকে সহজে বুজি পাব। আলেকজেণ্ডাৰে যেতিয়া ভাৰত আক্ৰমণ কৰিবলৈ আহিছিল তেতিয়া চাণক্যই কৈছিল, ভাৰতবৰ্ষখন যদি সৰু সৰু ৰাজ্য হৈ থাকে তেন্তে আমি বাহিৰৰ পৰা অহা শত্ৰুক ৰোধিব নোৱাৰিম। আজিৰ পৰা ৩ হাজাৰ বছৰ আগতেই তেওঁ এইবোৰ কথা চিন্তা কৰি মগধ ৰাজ্যলৈ গৈছিল। মগধ ৰাজ্যত যেতিয়া কেইগৰাকীমান আচাৰ্য্যৰ লগত একেলগে ৰাস্তাৰে গৈ আছিল তেতিয়া তেওঁ দেখিছিল যে কিছুমান মানুহে ঘোঁৰাত উঠি কিছুমান মানুহক মাৰি আছিল। চাণক্যই তেতিয়া আচাৰ্য্যসকলক ইয়াৰ কাৰণ সোধাত তেওঁলোকে ক'লে যে সেই কেইজন ৰজাৰ মানুহ। জনসাধাৰণে অতিৰিক্ত কৰ দিব লাগে কিন্তু তেওঁলোক দুখীয়া হোৱাৰ বাবে, সেই অতিৰিক্ত কৰ দিব নোৱাৰা কাৰণে তেওঁলোকৰ পৰা বলপূৰ্বকভাৱে কৰ আদায় কৰিছে। চাণক্যই তেতিয়া কোন ৰজা আছে বুলি সোধাত মহা পৰাক্ৰমী ধনানন্দ ৰজাৰ কথা জানিবলৈ পায়। ধনানন্দই মগধ ৰাজ্য ইমান ভালকৈ চলাইছিল যে ৰাজ্যত তেওঁৰ নাম জয়-জয় ময়-ময় হৈ আছিল। তেওঁ কিছু আচাৰ্য্যক দান দিছিল। সেই আচাৰ্য্যৰ তালিকাত কৌটিল্যও

পৰিছিল। কৌটিল্যই যেতিয়া ৰাজসভালৈ গৈছিল ধনানন্দই এটা ধনৰ টোপোলা আগবঢ়াইছিল। তেতিয়া কৌটিল্যই কৈছিল- মই এই ধনৰ টোপোলা আপোনাৰ পৰা ল'ব নোৱাৰো। অহংকাৰী ধনানন্দৰ বহুত খং উঠি কৌটিল্যই দান গ্ৰহণ নকৰাৰ কাৰণটো জানিব বিচাৰিলে। তেতিয়া কৌটিল্যই ক'লে- মহাৰাজ, আপুনি কাৰণটো জানিব নালাগে, জানিলে আপুনি মোক সুদাই নেৰিব। ৰজাই কৌটিল্যক ক'লে - ধনানন্দৰ সেইখিনি সহিষ্ণুতা আছে, আপুনি কওঁক যে কিহৰ কাৰণে এই দান আপুনি প্ৰত্যাখ্যান কৰিলে? তেতিয়া বিনম্ৰতাৰে চাণক্যই ৰাজসভাত ক'লে- মহাৰাজ, আপোনাৰ ৰাজ্যত মই কেইদিনমান ঘূৰি আছিলো। মই দেখিলো যে ৰাজ্যখনৰ মানুহৰ মনবিলাক বৰ ভাল নহয়। অতিৰিক্ত কৰৰ বোজাই মানুহক শেষ কৰি পেলাইছে। আপুনি সাধাৰণ মানুহৰ পৰা কৰ লৈ মোক এটা সাধাৰণ টোপোলা দিছে, সেইটোৱে শাসন ভালদৰে নচলিব। মহাৰাজ, এই কথাটো চিন্তা কৰক। আপুনি সাধাৰণ ৰাইজৰ কৰটো কমাই দিয়ক। আমাক কোনো ধৰণৰ দান নালাগে। এই কথাত ধনানন্দৰ বৰ খং উঠিল আৰু চাণক্যক তাৰ পৰা লৈ যাবলৈ কাটোৱালক ক'লে। তেতিয়া ৰাজসভাত থকা সকলোৱে ক'লে- আপুনি কথা দিছিল যে এওঁক একো নকৰে। তেতিয়া ৰজাই চাণক্যক ৰাজসভাৰ পৰা গতিয়াই বাহিৰ কৰি দিবলৈ নিৰ্দেশ দিলে। এনে কৰাত চাণক্যই ৰজাক ক'লে- আপোনাৰ অহংকাৰ হৈছে, আপুনি মাটিত নমা নাই। আপুনি আকাশত উৰি আছে। ধনানন্দ, যেতিয়ালৈকে আপোনাৰ এই অতিৰিক্ত কৰৰ বোজাৰে মানুহক অসহ্য তথা অত্যাচাৰ কৰা এই শাসন মই ধ্বংস কৰিব নোৱাৰো, তেতিয়ালৈকে মই শাখা নাবান্ধো বুলি ৰাজপ্ৰসাদৰ পৰা চুলি খুলি গুছি আহিছিল। তাৰ পৰৱৰ্তী সময়ত ধনানন্দৰ নিচিনা পৰাক্ৰমী ৰজা আৰু ধনানন্দ বংশ শেষ হৈ গৈছিল। পিছত, অশোকৰ ককাদেউতা আৰু বিন্দুসাৰৰ দেউতা চন্দ্ৰগুপ্ত ৰজা হৈছিল। এয়াই ইতিহাস।

উপাধ্যক্ষ মহোদয়, মই আৰু এটা কথা কৈ শেষ কৰিব বিচাৰিছো ........হুলস্থূল..........আমাক বহুতে নপঢ়া বুলি ভাৱে, আমিও অলপ পঢ়া-শুনা কৰোঁ, গতিকে কেতিয়াবা ক'বলৈ মন যায়। Nicholson বুলি আমেৰিকাত এজন ৰাষ্ট্ৰপতি আছিল। তেওঁ বৰ নম্ৰ, ভদ্ৰ আছিল। তেওঁ বৰকৈ কাণ ফুচ ফুচ শুনিছিল আৰু তেওঁ খুব ভাল ভাল কথা কৈছিল। তেওঁক ওচৰ-চুবুৰীয়া ৰাজ্যই কৈছিল যে আপুনি ইমান ভাল শাসন চলাইছে। আপোনাক গোটেই দেশখনৰ মানুহে ভাল পায়। তেওঁ বহুত genuine মানুহ আছিল। মই মুখ্যমন্ত্ৰী ডাঙৰীয়াক উদ্দেশ্য কৰিয়েই কৈছো। আমাৰজনো genuine. ..interruptions.. মই এইটো কোৱাৰ কাৰণ আছে। পিছফালৰ পৰা ৰেকিবুদ্দিন আহমেদে কৈছে- মুখ্যমন্ত্ৰী ডাঙৰীয়াই যোৱাবাৰ MLA Fund বঢ়াম বুলি কৈ গৈছিল। মই আপোনালোকৰ কাৰণেও কৈছো। মই মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ উপস্থিতিত অহা ২১ তাৰিখে ক'লে ভাল আছিল। সকলোৰে কাৰণে MLA Fundটো অলপ বঢ়াই দিলে ভাল আছিল। সেইকাৰণে মই ভাষণটো বৰ নম্ৰতাৰে কৈছো। মন্ত্ৰীসকলৰ বাবে যি কৰে কৰিব, কিন্তু আমাৰ সকলো বিধায়কৰ বাবে অলপ চাবচোন। আমি এবাৰ Interest Fund ৰ কথা কওঁতে মুখ্যমন্ত্ৰী ডাঙৰীয়াই মোকলাই দিছিল। সেয়েহে, মই মুখ্যমন্ত্ৰী ডাঙৰীয়াক বিনম্ৰতাৰে সদনৰ পৰা কৈছো। আচলতে, মই বক্তব্য ৰাখিব বিচৰাই নাছিলো। কিন্তু, ৰেকিবুদ্দিন আহমেদে মোক জোৰ কৰি কোৱাৰ বাবে আপোনালোক সকলোৰে স্বাৰ্থত অতি বিনম্ৰতাৰে যোৱাবাৰৰ প্ৰতিশ্ৰুতি মনত পেলাই মুখ্যমন্ত্ৰী ডাঙৰীয়াক ক'ব বিচাৰিছো যে- মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া, বিধায়ক পুঁজিটো অলপ বঢ়াই দিয়ক। ওচৰৰে মণিপুৰত বোলে ৫ কোটি টকা দিছে, মই ইমান চোৱা নাই, মোক data বিলাক আনি দিছে, ইমান নালাগে, ২ কোটি হ'লেও যদি কৰিব পৰা যায়..যেতিয়া ভাল হয়। নিক'লচন বুলি এজন ৰাষ্ট্ৰপতি আছিল,

যেতিয়া বিভিন্নজনে তেওঁক প্ৰশংসা কৰিলে তেতিয়া তেওঁ বুজিলে যে তেওঁৰ প্ৰশংসাটো ঠিক হৈ থকা নাই। তেতিয়া তেওঁ এবাৰ সাধাৰণ বেশত ওলাই গ'ল আৰু হোটেললৈ যাওঁতে তেখেতে দেখিলে যে তেওঁক তাত সোমাব দিয়া নাই। বিভিন্ন প্ৰকাৰে তেওঁক অত্যাচাৰ কৰিছে। তাৰ পিছত তেওঁ এখন বজাৰলৈ আহিল আৰু দেখিলে যে তেওঁক যিটো দাম কৈছিল তাতকৈ বস্তুৰ দাম বজাৰত চৰা। তাৰ পিছতো যেতিয়া সেই চৰা দামৰ বস্তু কিনিলে, এজনে আহি থাপ মাৰি বস্তুটো লৈ গ'ল। তেখেতে গম পালে তেওঁৰ আইন শৃঙ্খলা ইমান বেয়া, বস্তুৰ দাম ইমান চৰা, এখন হোটেলত সাধাৰণ মানুহ যাব নোৱাৰে। গতিকে মই মুখ্যমন্ত্ৰী ডাঙৰীয়াক কোৱা নাই, চৰকাৰখনক কৈছো যে আপোনালোকেও ছদ্মৱেশত গৈ অলপ চাওকচোন যে গাঁৱৰ ক'ৰবাত লাইটৰ বিল অলপ বাঢ়িছে নেকি, ক'ৰবাত তেলৰ দাম বাঢ়িছে নেকি ? মিঠাতেল, দাইল আদিৰ দাম বাঢ়িছে। কেৰাচিন তেলৰ দাম ২০ টকাৰ পৰা এতিয়া ৫০ টকা হ'লগৈ। খোৱাতেলৰ দাম ৮০ টকাৰ পৰা ২০০ টকা হ'লগৈ আৰু জুইশলাৰ দামো ৮০ পইচাৰ পৰা ২ টকা হ'লগৈ। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য দৰসিং ৰঙহাং।

**শ্ৰী দৰছিং ৰংহাং, (হাওৰাঘাট) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি এই সন্মানীয় সদনত ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত বিত্তমন্ত্ৰী ডাঙৰীয়ানীয়ে যি বাজেট যোৱাকালি দাখিল কৰিলে, ই এক জনমুখী বাজেট। মই এই বাজেটৰ ওপৰত সম্পূৰ্ণ আস্থা আৰু সমৰ্থন জনাই কিছু বক্তব্য ৰাখিব বিচাৰিছো। উপাধ্যক্ষ মহোদয়, যোৱাকালি যিধৰণে বাজেট প্ৰস্তুত কৰি দাখিল কৰিছিল তেনেধৰণৰ বাজেট ১৯৭০ চনৰ পৰা যদি প্ৰস্তুত কৰিলেহেতেন, পাহাৰত বিশেষকৈ কাৰ্বি আঙলং আৰু ডিমা হাচাওত সশস্ত্ৰ সংগ্ৰামৰ ফলত হোৱা আন্দোলনত বহুত যুৱক-যুৱতী শ্বহীদ হ'বলগীয়া হৈছিল, এনেধৰণৰ পৰিস্থিতি নহ'লহেতেন। ১৯৭০ চনৰ কথা উল্লেখ কৰাৰ এটা গুৰুত্বপূৰ্ণ কাৰণ আছে। এই পবিত্ৰ সদনৰ প্ৰতিনিধিসকলে স্বৰ্গীয় মহেন্দ্ৰ মোহন চৌধুৰীৰ নেতৃত্বত হাফলঙলৈ গৈ কাৰ্বি আঙলঙৰ council ৰ নেতৃত্বৰ লগতে হাফলং আৰু ডিমা হাচাওৰ council ৰ নেতৃবৃন্দ সকলৰ লগত আলোচনা কৰিছিল এই দুয়ো council ৰ session ৰ আগমূহুৰ্তত। তেওঁলোকে গৈ convince কৰিছিল যে তেওঁলোকে মেঘালয়ৰ লগত থাকিব নালাগে, অসমৰ লগতে থাকক। মেঘালয়ৰ যি সৰ্ব্বাঙ্গীন উন্নতি তেনেধৰণৰ উন্নতি আমি অসম চৰকাৰৰ ফালৰ পৰা দিম। এই প্ৰতিশ্ৰুতি দিছিল।তেতিয়া দুয়ো council ৰ নেতৃত্ব বৃন্দ সকলে অসম চৰকাৰৰ এই পবিত্ৰ সদনৰ প্ৰতিশ্ৰুতিমতে অসমৰ লগত থাকিল। আজি বহু বছৰ পিছত এইবাৰ বাজেটত ৰাইজৰ যি আকাংক্ষা সেয়া প্ৰতিফলিত হৈছে। কাৰ্বি আঙলং আৰু ডিমা হাচাওৰ বিভিন্ন সশস্ত্ৰ সংগ্ৰাম কৰা দল সংগঠনৰ লগত কৰা চুক্তিৰ যোগেদি এই দুই অঞ্চলৰ শাসনৰ কাৰণে council বা territorial বুলিয়ে কওঁক, কাৰ্বি আঙংলঙৰ কাৰণে ৫০ জনীয়া প্ৰতিনিধি লৈ এখন council গঠন কৰাৰ কাৰণে যি চুক্তি কৰিলে ই কাৰ্বি আংলং বা ডিমা হাচাও ৰাইজৰ কাৰণে এই council গঠন কৰি দিয়া হৈছিল। সেই council খন যাতে সম্পূৰ্ণভাৱে সৰ্ব্বাঙ্গীন উন্নতিৰ বাবে সেই দুই এলেকাত থকা সকলো জাতি- জনজাতি সকলোৱে সামাজিক, ৰাজনৈতিক, আৰ্থিক সকলো দিশত সমানে আগবাঢ়ি যাবৰ বাবে আৰ্থিক প্ৰয়োজন। এইবাৰ বাজেটত সেই প্ৰয়োজনটো প্ৰতিফলিত হৈছে। সেইবাবে কাৰ্বি আংলং ৰাইজৰ হৈ মই বিত্ত মন্ত্ৰী আৰু আমাৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জ্ঞাপন কৰিছো। এইবাৰ বাজেটৰ আগমূহুৰ্তত কাৰ্বি আংলং আৰু ডিমা হাচাওৰ দুয়োটা council ৰ নেতৃত্ব CEM সকলক আৰু সেই দুই এলেকাৰ বিধায়ক সকলক মাতি বাজেট আবন্টনৰ বিষয়ৰ ওপৰতো আলোচনা কৰিছিল। তাৰে ভিতৰত এইবাৰৰ বাজেটৰ পুঁজিটো এটা account ত

পঠিওৱা হ'ব, সেই যিখিনি পুঁজি দিয়া হ'ব, council ত নেতৃত্ব দিয়া CEM, EM সকলে কোনটো বিভাগত কোনটো শিতানত কিমান টকাৰ প্ৰয়োজন সেই সাপেক্ষে বাজেট প্ৰস্তুত কৰাৰ যি সুযোগ সুবিধা দিছে তেখেতে তাৰবাবে মই কাৰ্বি আংলঙৰ ৰাইজৰ হৈ বিত্ত মন্ত্ৰীৰ লগতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জ্ঞাপন কৰিছো আৰু বহুতো কথা বাজেটত আছে যে ইয়াত কাৰ্বি আংলং আৰু ডিমা হাচাওৰ কাৰণে সৰ্বমুঠ ২৮৪৫.০৪ কোটি টকা পুঁজি আবন্টন দিছে, ইয়াৰ কাৰণেও মই ধন্যবাদ জ্ঞাপন কৰিছো আৰু লগতে কাৰ্বি আংলঙৰ কাৰণে গ্ৰীন ফিল্ড নতুন Air port গঠনৰ কাৰণে বাজেটত যি প্ৰতিফলিত হৈছে তাৰ বাবে মই কাৰ্বি আংলং ৰাইজৰ হৈ চৰকাৰক ধন্যবাদ জনাইছো। Assam Road Network Improvement Project for inclusions of one territorial Road of Karbi Anglong এই স্কীমত আমাৰ কাৰ্ব্বি আংলং, ডিমা হাচাও জিলাক এই স্কীমত অৰ্ন্তভূক্ত কৰিছে তাৰ কাৰণে মই চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিছো। আপোনালোকৰ আগত আজি এই পবিত্ৰ সদনত বক্তব্য ৰাখিব পাই মই সুখী হৈছো কাৰণ কাৰ্বি আংলং, ডিমা হাছাওৰ পৰা যি সকল বিধায়ক নিৰ্ব্বাচিত. হৈ আগৰ সময়ছোৱাত এই পবিত্ৰ সদনলৈ আহিছিল সেই সময়ছোৱাত ষ্টেট এচ ও পি ডি ৰ পুঁজিৰে কাৰ্ব্বি আংলঙৰ চি ই এম, ই এম আৰু এম চি সকলৰ যিমানখিনি উন্নয়নমূলক কাম কাজ কৰাৰ মন আছিল সিমান খিনি কৰিব পৰা নাছিল। কিন্তু এই চৰকাৰৰ দিনত যিসকল বিধায়ক নিৰ্বাচিত হৈ আহিছে কাৰ্বি আংলং, জিমা- হাচাওৰ পৰা তেখেতসকলক কাম কাজ কৰাৰ বাবে বিভিন্ন আঁচনিত চৰকাৰে যি সুবিধা দিছে সেইখিনি এই পবিত্ৰ সদনত ক'বলৈ পাই মই সুখী হৈছো । তাৰ বাবে মই পুনৰবাৰ বিত্তীয় মন্ত্ৰীৰ লগতে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিলো । আজি সদনত বিত্তমন্ত্ৰীৰ দ্বাৰা ২০২২ - ২০২৩ চনৰ বাবে যি বাজেট প্ৰস্তুত কৰিছে এইখনক মই পুনৰবাৰ ক'ব বিচাৰিছো যে ই এক জনমুখী বাজেট। ইয়াৰ ওপৰত আমাৰ সম্পূৰ্ণ আস্থা আৰু এই বাজেট খনক মই সমৰ্থন কৰিছো । এই খিনিকে কৈ মই মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া লৰেন্স ইছলাৰী।

**শ্ৰীলৰেন্স ইছলাৰী, (কোকৰাঝাৰ,পূৰ) ঃ** সঁচাকৈ বাজেট বুলি কোৱাৰ লগে লগে বি টি আৰ অঞ্চলত থকা ৩২ লাখ জনসাধাৰণে সদায় এটা আশা পুহি ৰাখে যে, এইবাৰ বাজেটত আমাৰ বি টি আৰ অঞ্চলৰ বাবে কি আহিব, কি হ'ব আৰু সেয়েহে এটা আশা লৈ বি টি আৰৰ জনসাধাৰণে চাই থাকে । এই বি টি আৰ যিটো অঞ্চল সেই অঞ্চলবোৰ এটা বিভিন্ন সমস্যাৰে জৰ্জৰিত পিছপৰা অঞ্চল আছিল । দীঘলীয়া সংগ্ৰামৰ মাজেৰে আগবাঢ়ি যোৱা এটা অঞ্চল আছিল । যোৱা ২০২০ চনৰ ২৭ জানুৱাৰীত বি টি আৰৰ এটা চুক্তি হ'ল। এই চুক্তিৰ কিছুমান দফা ৰূপায়ণ হ'ল আৰু কিছুমান নহ'ল। চৰকাৰৰ লগত আলাপ আলোচনা চলি আছে। সেই কাৰণে সদায় এই জনসাধাৰণখিনিয়ে বাজেট আহিলে অপেক্ষাত ৰৈ থাকে । মে চুক্তিৰ ৰৈ যোৱা দফাসমূহ এই বাজেটত ৰূপায়ণ কৰা দেখিবলৈ পাম। বাজেটৰ যোগেদি বি টি আৰ অঞ্চলৰ উন্নয়ণৰ কথা লক্ষ্য কৰে। মই ধন্যবাদ জনাব বিচাৰিছো চৰকাৰক যে, গোটেইখিনি নহ'লেও আমি বহুখিনি পাইছো। সামগ্ৰিকভাবে এই বাজেটত অসমৰ লগতে বি টি আৰ অঞ্চলৰ কথা ইয়াত উল্লেখ কৰা হৈছে, তেনেকৈ শিক্ষা খণ্ডতো অসমৰ বিভিন্ন শিক্ষা অনুষ্ঠানত আৰ্থিক সাহায্য প্ৰদান কৰা, অনুদান দিয়া আমি দেখিবলৈ পাইছো। আমি ভাবিছিলো যে, বি টি আৰৰ যি ২৬ খন কলেজ আছিল সেই গোটেই কেইখন চৰকাৰীকৰণ হ'ব বুলি আশা কৰিছিলো কিন্তু ইয়াৰে ১০ খন মহাবিদ্যলয় প্ৰাদেশিকীকৰণ হোৱা আমি দেখিবলৈ পাইছো তাৰ কাৰণে মই চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিছো।

কেইমাহমান আগত অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাদেৱে এটা বিশেষ কাৰ্য্যসূচীত অংশ গ্ৰহণ কৰিবলৈ কোকৰাঝাৰলৈ গৈছিল আৰু তেতিয়াই তেওঁ এনাউন্সমেন্ট কৰিছিল যে, কোকৰাঝাৰৰ যি চৰকাৰী মহাবিদ্যালয় আছে সেইখন বিশ্ববিদ্যালয়লৈ ৰূপান্তৰ কৰা হ'ব। সেই প্ৰতিশ্ৰুতি আমি এইখন বাজেটত দেখিবলৈ পাইছো। ইয়াৰ বাবে বাজেটত যি আৰ্থিক অনুদান দিছে তাৰ বাবে মই চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিছো। দ্বিতীয়তে, আমাৰ বি টি আৰত ৩২ লাখ জনসাধাৰণৰ বাবে কোনো চিকিৎসা মহাবিদ্যালয় আগতে নাছিল । চিকিৎসা বুলি ক'বলৈ গ'লে সেই অঞ্চলৰ অৰ্থাৎ কোকৰাঝাৰ আৰু চিৰাং জিলাৰ জনসাধাৰণে পশ্চিম বঙ্গলৈ যাবলগীয়া হয় । বিশেষকৈ কোকৰাঝাৰ অঞ্চলৰ জনসাধাৰণে চিকিৎসাৰ বাবে পশ্চিমবঙ্গ, শিলিগুৰি আৰু কোচ বিহাৰলৈ যাব লগা হয়, কিন্তু এতিয়া কোকৰাঝাৰত এখন চিকিৎসা মহাবিদ্যালয় হৈ আছে। যোৱা বাৰ বিধান সভাত মই প্ৰশ্ন আনিছিলো যে, এই চিকিৎসা মহাবিদ্যালয়খন কেতিয়া আৰম্ভ কৰা হ'ব তেতিয়া মাননীয় মন্ত্ৰীয়ে উত্তৰ দিছিলে যে কাম বিলাক হৈ আছে। হয়তো এই বছৰত কাম আৰম্ভ হ'ব। তামুলপুৰ জিলাতো এখন নতুনকৈ চিকিৎসালয় স্থাপন কৰাৰ বাবে বাজেটত ৫০০ কোটি টকা পুঁজি নিৰ্দ্ধাৰিণ কৰিছে। আমাৰ বি টি আৰ অঞ্চলত এতিয়া দুখন চিকিৎসা মহাবিদ্যালয় হ'ব। যাৰ যোগেদি আমাৰ অঞ্চলৰ বহু সমস্যা সমাধান হ'ব বুলি আশা কৰিছো। এতিয়া কেঞ্চাৰ বুলি ক'লে আজি কালি গাঁৱে গাঁৱে কেঞ্চাৰ বেমাৰী দেখিবলৈ পোৱা যায় বিধায়ক হোৱাৰ পিচত মই বাৰুকৈয়ে উপলব্ধি কৰিছো কাৰণ তেনে ৰোগী মোৰ ওচৰলৈ আহি চীফ মিনিষ্টাৰ ৰিলিফ ফাণ্ডৰ বাবে মোক অনুৰোধ কৰে যে কিবা এটা সহায় পাম নেকি ? এনেক্ষেত্ৰত আমাৰ কোকৰাঝাৰ জিলাত যিখন কেঞ্চাৰ হস্পিটেল স্থাপন কৰাৰ বাবে কোৱা হৈছিল সেইটো মে' মাহৰ পৰাই আৰম্ভ হ'ব বুলি এই বাজেটত কৈছে, তাৰ বাবে মই চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিছো। আমি যদি ৰাস্তা ঘাটৰ কথা ক'বলৈ যাওঁ এই বিষয়টো আমাৰ কোকৰাঝাৰ জিলাত অতি দুখ লগা আছিল যাৰ বাবে সেই জিলাখন বেকৱাৰ্ড জিলা বুলি কোৱা হৈছিল। কোকৰাঝাৰ, কাৰ্ব্বি আংলঙ, ডিমা হাচাও, আৰু প্ৰায় বি টি আৰ অঞ্চলৰ ৰাস্তা ঘাট ভাল নাছিল। আমি এই চৰকাৰৰ দিনত শালমাৰা, আন্ধেৰীঘাট, খৈৰাবাৰী, টংলা, পানেৰী আৰু ওদালগুৰি জিলাত নতুনকৈ ৰাস্তা ঘাট হোৱা দেখিবলৈ পাইছো। কোকৰাঝাৰৰ পৰা ৰূপসী বিমান বন্দৰলৈ যোৱা এই দীঘলীয়া পথটো অসম মালাৰ যোগেদি পকীকৰণ হোৱা দেখিবলৈ পাইছো। বাক্সা জিলাৰ- পাগলাঘাট নদীৰ ওপৰত পকী দলং কৰা হ'ব। সেই অঞ্চলৰ মানুহে নিজৰ জিলাৰ সদৰ মুছলপুৰলৈ যাবলৈ ৰঙিয়া- নলবাৰী হৈ যাবলগীয়া হয়। বহু সময় খৰচ কৰি দীঘলীয়া যাত্ৰা কৰিবলগীয়া হয়। এতিয়া এই নদীৰ ওপৰত ব্ৰীজ হ'ব। নিজৰ জিলাৰ সদৰত যাবলৈ বহুত দীঘলীয়া পথ তেওঁলোকে যাতায়াত কৰিব লাগিছিল। কিন্তু আমি দেখিবলৈ পাইছো এতিয়া পাগলাদিয়া নদীৰ ওপৰত যি দলং নিৰ্মাণ কৰা হ'ব, ইয়াৰ যোগেদি সেই অঞ্চলৰ মানুহ সকলে যথেষ্ট সুবিধা হ'ব। এইটো আমি দেখিবলৈ পাইছোঁ। সমাজ কল্যাণ বিভাগত মডেল অঙ্গনবাড়ী কেন্দ্ৰ দিয়া আমি দেখিবলৈ পাইছোঁ। হয়, এতিয়া অঙ্গনবাড়ী বুলি ক'লে যেতিয়া বুট আহে, খাদ্য আহে তেতিয়া কন কন ল'ৰা-ছোৱালীবোৰে অঙ্গনবাড়ী কেন্দ্ৰত যায় বা তেওঁলোকক পঠোৱা হৈছিল। অঙ্গনবাড়ী কেন্দ্ৰৰ বাবে কোনোবা এল পি স্কুল বা কোনোবা ক্লাৱ ঘৰত কৰিছিল আৰু যি সকলে অঙ্গনবাড়ীত কাম কৰে তেওঁলোকৰ ঘৰতো হৈছিল, পৰিৱেশ নাছিল। কিন্তু নতুন মডেল অঙ্গনবাড়ী চেন্টাৰ হোৱাৰ পাছত এটা পৰিৱেশ আহিব। যেনেকৈ এতিয়া কিড্‌জিত যায়, প্লে স্কুলত যায় ভাল ঘৰৰ মানুহৰ ল'ৰা-ছোৱালীয়ে। যি সকলে ইংৰাজী মাধ্যমত পঢ়াম বুলি ভাবে তেওঁলোকে প্লে স্কুলত দিয়ে, কিড্‌জিত দিয়ে, বিভিন্ন তেনেকুৱা প্ৰাইভেট In-

stitute ত দিয়ে। কিন্তু চৰকাৰী ভাৱে এতিয়া আমাৰ বিত্তমন্ত্ৰী বা তেখেতৰ নেতৃত্বত সমাজ কল্যাণ বিভাগৰ যোগেদি যি মডেল অঙ্গনবাড়ী কেন্দ্ৰ স্থাপন কৰি দিয়াৰ ব্যৱস্থা লোৱা হৈছে, সচাঁকৈ এইটো প্ৰসংখনীয়। আমি আশা কৰিব পাৰো এনেকুৱা মডেল অঙ্গনবাড়ী কেন্দ্ৰ হোৱাৰ পিছত কিড্‌জি স্কুলত যোৱা, প্লে স্কুলত যোৱা ল'ৰা-ছোৱালীৰ পৰিয়ালেও নিজৰ ল'ৰা-ছোৱালীক এতিয়া এই মডেল অঙ্গনবাড়ী কেন্দ্ৰত পঠাব। শিক্ষাৰ যি প্ৰাৰম্ভিক শিক্ষা, সেই শিক্ষা ল'ব পৰা ইয়াত এটা ব্যৱস্থা হ'ব বুলি আমি আশা কৰিছোঁ। আমি দেখিবলৈ পাইছো ইয়াত ক্ৰীড়া ক্ষেত্ৰত গাঁও অঞ্চলত প্ৰতিভাৱান খেলুৱৈ সকল আছে, কিন্তু তেওঁলোকৰ বাবে উচ্চ মানদণ্ডৰ খেল পথাৰ নাই বা নেচনেল ইন্টাৰনেচনেল লেভেলত এনেকুৱা খেল পথাৰ নাছিল। আমি দেখিবলৈ পাইছো ইয়াত Rural Sport Stadium District level ত District Stadium দিয়াৰ পিছত এটা আন্তঃগাঠনি হোৱাৰ পিছত গাঁৱৰ খেলুৱৈ বিলাকে এটা পৰিৱেশ পাব। নেচনেল ইন্টাৰনেচ্‌নেল ষ্টেণ্ডাৰত যি ফিল্ড হ'ব তাত তেওঁলোকে অনুশীলন কৰাৰ এটা সুবিধা পাব। কিয়নো সৰু ফিল্ডত অনুশীলন কৰি নেচ্‌নেল ইন্টাৰনেচ্‌নেল ষ্টেণ্ডাৰ্ডত যদি আগভাগ লব লগা হয় তাত বহুখিনি অসুবিধা দেখা দিয়াটো আমি দেখিবলৈ পাইছোঁ। গতিকে এনেকুৱা প্ৰথম পৰ্য্যায়ৰ পৰা যদি নেচ্‌নেল ইন্টাৰনেচ্‌নেল লেভেলৰ যি খেল পথাৰ তাত তেওঁলোকে যেতিয়া অনুশীলন কৰিব, ইয়াৰ পিছত আৰু আমাৰ অসমত প্ৰতিভাৱান তেনেকুৱা খেলুৱৈ বিলাক লাভৱান হ'ব বুলি আমি ভাৱিছোঁ। গতিকে সমগ্ৰ এই বিষয় বিলাক চোৱাৰ পিছত এই বাজেটখন সঁচাকৈ জনমূখী এখন বাজেট বুলি ক'ব লাগিব। জনসাধাৰণৰ কল্যাণৰ কাৰণে ৰচনা কৰা বাজেট বুলি ক'ব লাগিব। ইয়াৰ কাৰণে মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু বৃত্তমন্ত্ৰী ডাঙৰীয়ানী বাইদেউক আমি এই বাজেটৰ বাবে ধন্যবাদ জনাইছোঁ। এইখিনি কৈ মই বাজেটক সমৰ্থন জনাই মোৰ বক্তব্য সমাপ্ত কৰিছোঁ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ, আপোনালোকৰ আৰু এগৰাকী সদস্য আছে। এতিয়া মাননীয়া সদস্যা নন্দিতা গাৰ্লোচা।

**Smti Nandita Gorlosa, Hon'ble Member**: Respected Deputy Speaker Sir, thank you for the opportunity for giving me and then about the discussion of the budget that was being placed yesterday by Hon'ble Finance Minister, Few things to say that this is the budget which according to me for the younger generation we are looking after something and then I think we have found here many things which we haven't thought of it. Starting with the Cultural identity of the tribals and non-tribals of the State of Assam we have seen that not to forget about the development of Srimanta Sankardev Spiritual Circuit covering all the sacred places associated with his life's journey and constructing Namgarhs and public amenities for the visiting pilgrimages, not to forget the Assam Direct Recruitment Commission for analogous post in Class III and Class IV Act of 2021. Kalyani Sumangala Asoni of the Tea Tribe Welfare Department and Social Welfare Department for mapping the vulnerable girl children and to provide specific interventions to ensure that every girl child's right to education

quality secured and zero drop out is reached. Re-launching of Aarohan for star boys and girls securing position in Class-IX will be taken up for mentoring by Deputy Commissioners to take it to the explosive trips to different Institutions and to guide them, this was what we were looking up for the students of the younger generation and we found it in this Budget, which has been placed. Not to forget the Agro Forestry by raising plantations on cultural wastelands form bonds and creating assets for the village Panchayat. However there has never been any systematic effort in any part of the Government to augment the economy of the State by systematic and optimal usage of this resource. So this will be a new bought paper in the circle wall. Not to forget the Tata Trusts to create more Cancer Hospitals Sneha Sparsh Plus for the cerebral palsy and regulation and transfer Act 2020 for the transfer of the teachers who are finding it very difficult, it was being mention in the Budget Basha Gaurab Scheme to promote and preserve different languages of Assam, Authors to be given a Lekhak Sambardhana under the scheme, then Swanirbhan Nari local woven products weavers will be benefitted within 24 hours and 87 procurement centers has been set up. Axom Adarxo Gram Yojana 250 models promoting holistic developments, young ACS Officers will adopt a village, guide the village, community and act as their guardian at the State level, small districts like ours were hoping for this and then I think we have got this in the Axom Adarxo Gram Yojana. Mukhya Mantrir Bijnan Pratibha Sandham is 100 young scientific minds including 50 girls has not been left out from Higher Secondary level they will be given an Institute for one year mentoring and also Chief Ministers Fellowship for climate resilient villages, so fellowship programme to explore solution from Science and Engineering background to be encourage to participate in the programme under scientific Institutions 20,000 per year for the students to be given and besides that even this CIDF which we found it, if it is not been implemented properly, a new term has been given under it and then where we all MLAs can project a new schemes for those and this is one even I can say that the Government has rectified if it is not in favour. According to me, a Cabinet meetings has been very closely hold I can say that in my District as the Cabinet meeting has been held we have been given many of the necessities which we were lacking and I

support the Cabinet meeting in the districts and we have been given a few or more I can say unexpected ones for the Science College as well as Water facility and not to forget the onetime assessment of the Council where we will be able to work accordingly and in a better way of the Sixth Schedule areas.

Lastly I would like to end it with the Indigenous Faith and Culture as this is the most distinguished and noble act of this Government in the establishment of the Department. It is a fact known to all that Indigenous tribal faith and culture over the decades have been waning due to various factors. Some of their traditional, cultural heritage and practices have decayed beyond a point of retrieval. This has never been an issue to any of the Governments for decades and obliteration of these cultures have been allowed as weed in agricultural field without realizing the fact that countless numbers of traditional numbers of traditional knowledge is loss without disppearance of this culltures. Today, when the world is facing challnge of climate change, scholars accross the world are looking toward the traditional societies for their robash sustainable practices. There practices are not isolated but a part of their traditional faith and culture. In this regard, the decission of the Government to set up a new department to preserve and promote the indigenous tribes, faith and culture is a bold step towards the cultural diversity. At the same time, it is a big contribution towards conservation and sustainable practices. Hence, I would like to say that the Budget that has been placed is for a sustainable development. Thank You.

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী ৰূপক শৰ্মা ।

**শ্ৰী ৰূপক শৰ্মা, (নগাঁও) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, যোৱাকালি মাননীয়া বিত্তমন্ত্ৰী অজন্তা নেওঁগ ডাঙৰীয়ানীয়ে যিখন বাজেট উপস্থাপন কৰিলে এই বাজেট খন আমাৰ দৃষ্টিত ৰাজ্যখনৰ এক গতি নিৰ্ধাৰক, বাস্তৱমূখী তথা অসমৰ জণগনৰ আশা আকাংশাৰ প্ৰতিফলন। বাজেটখনে ৰাজ্যখনৰ উন্নয়ন, বিকাশৰ এক নতুন ধাৰাৰ সূচনা কৰিব আৰু এই বাজেট খনত শিশুৰ পৰা ছাত্ৰ-ছাত্ৰী যুৱ প্ৰজন্মৰ পৰা মহিলা বৃদ্ধ, চৰকাৰী কৰ্মচাৰী সকলো শ্ৰেণীৰ মানুহক সপোনৰ বাস্তৱ ৰূপ প্ৰকাশ হ'ব। বিশেষকৈ কৃষি, পশুপালন, দুগ্ধ উন্নয়ন, সমবায়কে ধৰি সৰ্বস্তৰীয় বাজেটখনে ৰাজ্যখনৰ অধিক উৎপাদনশীলতাৰ লগতে ৰাজ্যখনৰ অৰ্থনীতিৰ ফালে স্ব-নিৰ্ভৰশীল হোৱাত সহায়ক হ'ব। মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ এইখিনিতে ৰমা মোহন ৰায়ৰ এটা কথা মনলৈ আহিছে আৰু তেখেতে কৈছিলে যে- এখন সুস্থ সমাজ সূচাৰুৰূপে চলিবলৈ হ'লে অফুৰন্ত কৰ্মশক্তি, সহনশীলতা বিবেক, একতা আৰু সেৱাৰ মনোভাৱ থাকিব লাগিব । যিটো আমাৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত

বিশ্ব শৰ্মা ডাঙৰীয়াৰ এশ শতাংশ আমি দেখা পাইছো । আমি প্ৰত্যেকজন বিধায়কে গৌৰৱ অনুভৱ কৰিছো যে আমাৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ অধীনত আমি ৰাইজক সেৱা কৰাৰ সুযোগ পাইছো। লগতে আমাৰ বিত্তমন্ত্ৰী অজন্তা নেওঁগ ডাঙৰীয়ানীক ধন্যবাদ জনাইছো ৰাজ্যখনক এনে এখন জনমুখী, কৃষকপন্থী আৰু যুৱ-প্ৰজন্মৰ হৃদয়ৰ বাজেট উপহাৰ দিয়াৰ বাবে। মাননীয় উপাধ্যক্ষ মহোদয়, এখন ৰাজ্য উন্নয়নৰ দিশত আগুৱাই যাব লাগিলে প্ৰথমে আমি চাব লাগিব যে যোগাযোগ ব্যৱস্থা । সেয়েহে আমাৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত আমাৰ চৰকাৰ খনে স্থল, বায়ু আৰু জল পথ এই সকলোবোৰ যোগাযোগৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰিছে। এই বাজেটত আমি দেখা পাইছো চাৰিখন আঁচনি বিশেষকৈ মুখ্যমন্ত্ৰীৰ পকীপথ নিৰ্মাণ আঁচনি প্ৰায় দুহেজাৰ ৫৫০ কোটি টকা ব্যয়ৰে প্ৰায় তিনি হাজাৰ কিলোমিটাৰ, মুখ্যমন্ত্ৰীৰ উন্নত পকীকৰণ পথ নিৰ্মাণ প্ৰায় 1485 কোটি টকা ব্যয়ৰে 1350 কিলোমিটাৰ আৰু মুখ্যমন্ত্ৰীৰ মথাউৰি পকীকৰণ আঁচনি 1107.7 লাখ কোটি টকা ব্যয়ৰে মথাউৰিৰ ওপৰত পথ নিৰ্মাণ আৰু মুখ্যমন্ত্ৰীৰ পথ নবীকৰণ আঁচনি 320 কোটি টকা ব্যয়ৰে পি এম জি এছ ওৱাইৰ প্ৰায় দুই হেজাৰ কিলোমিটাৰ পথ মেৰামতি আৰু ইয়াৰ উপৰিও কেইবাখনো দলং আৰু অভাৰ ব্ৰীজ আমি দেখা পাইছো যে এই বাজেটত এইবাৰ অন্তৰ্ভুক্ত হৈছে। মাননীয় উপাধ্যক্ষ মহোদয়, কংগ্ৰেছৰ যি ধৰণে এগৰাকী বিধয়কে ক'লে যে আমি কৈছিলো যে আকৌ নতুন প্ৰভাত হ'ব । কিন্তু ৰাইজে আমাক আদৰি নল'লে, কিন্তু এতিয়া মোৰ মনত পৰিছে যে নিৰ্বাচনৰ সময়ত এখন আমি হৰ্ডিং দেখা পাইছিলো, তাত লিখা আছিল আকৌ নতুন প্ৰভাত হ'ব। মই যেতিয়া সেইখন দেখিলো মই শুধিলো এইখন কাৰ বেনাৰ ? এইখন কংগ্ৰেছৰ বেনাৰ । মই যে চাওঁ এই প্ৰভাত বানানটো ভুল হৈ আছে । এইটো প্ৰভাত হ'ব নালাগে। কংগ্ৰেছ হ'লেতো এন্ধাৰ হ'ব । আকৌ নতুন এন্ধাৰ হ'ব, যদি কংগ্ৰেছ আহে। কাৰণ সেই সময়তে এন্ধাৰৰ ৰজা আছিল আমি সকলোৱে গম পাও আৰু সেই কথা বতৰা বিলাকৰ কাৰণে আমি দেখা পাইছো যে যোৱা সময়চোৱাত এই পাঁচটা বছৰত আমি প্ৰত্যেক গৰাকী বিধায়ক, শাসকীয় হওঁক বা বিৰোধী পক্ষৰ বিধায়ক হওঁক এটা কথা মানিবই লাগিব যে যোৱা সময়চোৱাত আমি বিশেষকৈ যি ধৰণে কাম-কাজ কৰিছিলো পথ নিৰ্মাণৰ ক্ষেত্ৰত বা আন্তঃগাঠনিৰ ক্ষেত্ৰত আমাৰ বহু কেইজন বিধায়ক জিকি আহাত সহায় কৰিছিলে। বিৰোধী বিধায়কো জিকি অহাত সহায় হৈছিল। আমি সমানে প্ৰতিটো সমষ্টিত সম বিকাশ, সম উন্নয়নত কাম হৈছিল। উপাধ্যক্ষ মহোদয়, আমি বিশেষভাবে আমাৰ ঐতিহ্য আৰু সংস্কৃতিৰ বাবে আমি সদায়ে গৌৰৱ অনুভৱ কৰো আৰু এইবাৰৰ বাজেটত ইয়াৰ সুন্দৰ প্ৰতিফলন দেখিবলৈ পাইছো ।

এইবাৰ চৰকাৰে শ্ৰীমন্ত শঙ্কৰদেৱৰ জন্মস্থান বৰদোৱা আৰু মাধৱদেৱৰ ওপজা ঠাইত দুটা প্ৰকল্প তৈয়াৰ কৰাৰ ব্যৱস্থা হাতত লৈছে আৰু বৰ্তমান ইয়াৰ কাম চলি আছে।

আমি নগাওঁৰ বটদ্ৰৱাত জন্ম গ্ৰহণ কৰি ইয়াৰ বাসিন্দা হিচাপে গৌৰৱ অনুভৱ কৰিছো। আমি যোৰহাটৰ হুলুঙা পাৰত বীৰ লাচিত বৰফুকনৰ ডেৰশ ফুট দৈৰ্ঘ্যৰ ব্ৰঞ্জৰ প্ৰতিমূৰ্তি নিৰ্মাণ, শ্বহীদ মণিৰাম দেৱানৰ সমাধিৰ তত্বাবধান আৰু মেৰামতি, গোৱালপাৰাৰ গৌৰীপুৰত থকা গোৱালপৰীয়া লোকগীতৰ সম্ৰাজ্ঞীৰ বাসগৃহ মাটিয়াবাগক সংগ্ৰহালয়লৈ ৰূপান্তৰ কৰিবলৈ পোন্ধৰ কোটি টকাৰ প্ৰস্তাৱ গ্ৰহণ কৰা আদি কাম বিলাক কৰি গৈছে। চৰকাৰে স্বাস্থ্য, শিক্ষা বা কৃষি আদি ক্ষেত্ৰত আগুৱাই নিয়াৰ বাবে পুঁজি দিয়াৰ লগতে অন্যান্য কাম বিলাকো কৰি গৈছে ।

এইবাৰৰ বাজেটখন হ'ল কথা দি কথা ৰখা বাজেট । ইয়াত আগতে এক লাখ নিবনুৱা নিযুক্তি দিয়াৰ যি কথা কোৱা হৈছিল সেইটো ফলপ্ৰসু কৰাৰ উদ্দেশ্যে দুখনকৈ আয়োগ গঠন কৰি

দিছে আৰু এই আয়োগ দুখনেও ৩১ মার্চ, ২০২২ তাৰিখৰ আগতে বিজ্ঞাপন প্ৰকাশ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে ।

এইবাৰ চৰকাৰখনে নির্বাচনৰ প্ৰাক্‌ক্ষণত যি দৰে মাইক্ৰ' ফাইনেঞ্চৰ লোন ৰেহাই কৰি দিয়াৰ কথা কৈছিল সেই কথা ৰাখি যোৱা সময়চোৱা কাম কৰিছে আৰু এইবাৰৰ বাজেটতো ইয়াৰ বাবে পুঁজি আৱন্টন কৰা হৈছে ।

বহুতে কয় যে ভাৰতীয় জনতা পার্টিয়ে হিতাধিকাৰীৰ সৃষ্টি কৰে । আৰুণোদয় আঁচনি খন ৮৩০ টকাৰ পৰা ১৩০০ কৰিলে আৰু ১০০০ ৰ পৰা ১২৫০ টকালৈ বৃদ্ধি কৰা হৈছে। এই বিত্তীয় সাহায্যৰ দ্বাৰা মহিলা সকল যথেষ্ট উপকৃত হৈছে আৰু বৰ্তমান চৰকাৰে বৃদ্ধ পেঞ্চন, বিধৱা পেঞ্চন বা বিকলাংগ পেঞ্চনেই হওঁক প্ৰতি মাহৰ দহ তাৰিখৰ আগতে দিয়াৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। মহিলা সকলেওঁ গেলামালৰ দোকানৰ সামগ্ৰী অনা বা বাকী আদায় দিয়াৰ বাবে আগ্ৰহেৰে বৈ থাকে ।

এনেদৰে চৰকাৰৰ কাম কৰাৰ সদিচ্ছা থকা বাবে ছাত্ৰ-ছাত্ৰী সকলৰ শিক্ষাৰ বাবে বিনামূলীয়া পাঠ্যপুথি (স্নাতক পর্য্যন্ত), অঙ্গনবাড়ী কেন্দ্ৰ স্থাপন, উচ্চতৰ মাধ্যমিক প্ৰথম বিভাগত উত্তীৰ্ণ সকলক স্কুটী প্ৰদান আৰু মুখ্যমন্ত্ৰীৰ বিকাশ নিয়োগ আঁচনিৰ অধীনত যুৱ প্ৰজন্মক অসমৰ বাহিৰলৈ নোযোৱাকৈ ইয়াতে উচ্চস্তৰীয় প্ৰতিযোগীতামূলক পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ বাবে প্ৰশিক্ষণ গ্ৰহণ কৰিব পাৰে চৰকাৰে তাৰো ব্যৱস্থা গ্ৰহণ কৰিছে । উপাধ্যক্ষ মহোদয়, অর্থনৈতিক বিকাশ তৰান্বিত কৰাৰ উদ্দেশ্যে এইবাৰৰ বাজেটত NIDA, RIDF ৰ পৰা ১৩,২০০ কোটি টকা, শিক্ষাৰ ক্ষেত্ৰত ২৭৮৯.২৩ কোটি টকা, স্বাস্থ্যৰ ক্ষেত্ৰত ৩,৬২১.৮৩ কোটি টকা, কৃষি খণ্ডত ৫০০ কোটি টকা আৰু লোক নিৰ্মাণ বিভাগত প্ৰায় ৪৬৮০ কোটি টকা, ফিচাৰিৰ ক্ষেত্ৰত ২০০ কোটি টকা আৰু সমাজ কল্যাণ বিভাগত প্ৰায় ১০০ কোটি টকাৰ আবন্টন দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিছে যাতে প্ৰতিটো বিভাগে সুন্দৰকৈ কাম কৰি যাব পাৰে। আমি যিদৰে পৰিৱৰ্তন আনিম বুলি কৈছিলো উপাধ্যক্ষ মহোদয় সেই দৰে কৰিছো। অসমত বৰ্তমান ১৬ খন মেডিকেল কলেজ কাৰ্য্যক্ষম হৈ আছে, আগৰ তিনি খন ইঞ্জিনিয়াৰিং কলেজৰ ঠাইত বৰ্তমান সাত খন কাৰ্য্যক্ষম হৈ আছে আৰু তিনি খনৰ নিৰ্মাণ কাৰ্য্য চলি আছে। বৰ্তমান অমসত ২৬ খন পলিটেকনিক আছে আদৰ্শ বিদ্যালয় আছে ৪৬ খন, টি গাৰ্ডেন মডেল স্কুল আছে ৯৭ খন আৰু ১১ খন নতুন বিশ্ববিদ্যালয় নিৰ্মাণৰ কাম চলি আছে ।

গতিকে শিক্ষা আৰু স্বাস্থ্য ক্ষেত্ৰত যথেষ্ট পৰিৱৰ্তন আহিছে। ক'ভিড মহামাৰী হোৱাৰ পিছতো চৰকাৰখনে যিদৰে উন্নয়মূলক কাম কৰি গৈছে আমি তাৰ শলাগ ল'বই লাগিব। বেলেগ ৰাজ্যও অসম খনক আদৰ্শ হিচাপে লৈছে। অসমত কেৱল মেডিকেল কলেজে নহয় গুৱাহাটী আৰু ডিব্ৰুগড়ত দুখনকৈ চুপাৰ স্পেচিয়েলিটি হস্পিতালো নিৰ্মাণ হৈছে। একে সময়তে কেঞ্চাৰ হস্পিতাল পূৰ্বৰ এখনৰ ঠাইত বৰ্তমান সাত খন হৈছেগৈ। তাৰবাবে মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো ।

তাৰোপৰি চৰকাৰে মাটিবাৰীৰ গণ্ডগোল মীমাংসা কাৰৰ উদ্দেশ্যে মিছন বসুন্ধৰা নামেৰে যি আঁচনি হাতত লৈছে ইয়াৰ দ্বাৰা সৰ্বসাধাৰণ মানুহ খিনি যথেষ্ট উপকৃত হ'ব বুলি আশা ৰাখিছো। মাননীয় উপাধ্যক্ষ মহোদয়, বিৰোধীয়ে যি ধৰণে সমলোচনা কৰিব লাগে কাৰণে কৰে। এই বাজেটখনত আলোচনা কৰিব লগীয়া একো নাই। এইবাৰ ১১ খন জিলাৰ ভিতৰত যিটো নতুন আৰৰ্ত্ত ভৱন দিছে নগাঁৱে পাইছো। যি দৰে নগাওঁ মহাবিদ্যালয়ত বিশ্ববিদ্যালয় কাৰণে উন্নীতকৰণ

কৰিছে, যিদৰে নগাওঁত Helipad দিছে, আমি গৌৰৱ অনুভৱ কৰিছো আৰু একে সময়তে মহাপুৰুষ শ্ৰী মন্ত শংকৰদেৱ বিশ্ববিদ্যালয় খনৰ অধ্যাপক সদস্য সকলৰ কাৰণে দৰমহা ৭৫ শতাংশ ধন চৰকাৰে সাহায্য প্ৰদান কৰিছে। মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে, টাউনৰ ভিতৰত জেল বিলাক আছে, স্থানান্তৰিত কৰিব লাগে। আমাৰ নগাওঁতো একেবাৰে মাজ মজিয়াত জেলখন অৱস্থিত। এটা বৃহৎ এৰিয়া তাত দখল হৈ আছে গতিকে সেই জেলখন যদি স্থানান্তৰিত কৰিব পৰা যায় আমি আৰু উন্নয়ন কৰিব পাৰিম। ভাল ভাল পাৰ্ক বনাব পাৰিম। এই ক্ষেত্ৰত তেখেতক মই অনুৰোধ জনাম। পুনৰবাৰ মই মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো আৰু বিত্ত মন্ত্ৰী মহোদয়কো ধন্যবাদ জনাইছো। শেষত মই ক'ব বিচাৰিছো যে, বাজক দবা, বাজক শংখ, বাজক মৃদং খোল, অসম আকৌ উন্নতিৰ পথত জয় আই অসম বোল। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** মাননীয় সদস্য শ্ৰী ৰবিৰাম নাৰ্জাৰী।

**শ্ৰী ৰবিৰাম নাৰ্জাৰী, (পশ্চিম কোকৰাঝাৰ )ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যখনৰ বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে আমাৰ ২০২২-২৩ বিত্তীয় বৰ্ষৰ কাৰণে সদনত বাজেট দাখিল কৰিলে, মই এই বাজেটখনৰ সমৰ্থনত মোৰ দৃষ্টিভংগী দাঙি ধৰিবৰ কাৰণে আগবাঢ়িছো। এই বাজেটখন গোটেইখিনি অধ্যয়ন কৰাৰ পিছত আমি স্পষ্ট ভাবে ক'ব পাৰো যে এইখন এখন শক্তিশালী বাজেট। এই বাজেটখনে অসমৰ ভৱিষ্যত উন্নয়নৰ কাৰণে এটা দিশ নিৰ্ণয় কৰিব বুলি বিশ্বাস। এই বাজেটখনে আমাৰ অসম ৰাজ্যৰ উন্নয়নৰ বাবে ডাঙৰ শক্তিশালী পদক্ষেপ হ'ব। এই বাজেটখনে আমাৰ ৰাজ্যখনৰ সমাজৰ সকলো শ্ৰেণীৰ ৰাইজক চুই গৈছে। আমাৰ ৰাইজৰ কল্যাণৰ বাবে সামাজিক নিৰাপত্তা আৰু ন্যায়ৰ বাবে এক ব্যৱস্থা এই বাজেটৰ জৰিয়তে আমি দেখা পাইছো। গতিকে এইখন সকলোৰে গ্ৰহণযোগ্য আৰু মংগলকামী বাজেট বুলি মই ভাবো। অসমখন উন্নতি কৰিবৰ বাবে অসম চৰকাৰৰ এটা মিছন আৰু এটা লক্ষ্য আছে। আমি সকলোৰে জানো, অসমৰ মাননীয় মুখ্যমন্ত্ৰীয়ে সদায় কয় যে, ভাৰতবৰ্ষৰ বিকশিত ৰাজ্যৰ যিখন তালিকা আছে, তাৰ ভিতৰত পঞ্চম স্থান দখল কৰাটো হৈছে আমাৰ মূল উদ্দেশ্য। অসমৰ যে উন্নতি হ'বই এইটো মোৰ দৃঢ় বিশ্বাস আছে। উত্তৰ পূৰ্বাঞ্চলৰ ৭ খন ৰাজ্যৰ ভিতৰত অসমখন এনেকুৱা শক্তিশালী ৰাজ্য হ'ব লাগিব, উন্নত ৰাজ্য হ'ব লাগিব আৰু অসমৰ উন্নতি হ'লেহে অসমৰ যিবোৰ চুবুৰীয়া ৰাজ্য আছে, তেওঁলোকৰো উন্নতি হ'ব। ইয়াৰ ওপৰতে নিৰ্ভৰ কৰি আছে আমাৰ উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্য বিলাকৰ কথা। গতিকে অসমখনৰ উন্নতি আমি যিকোনো উপায়েৰে কৰিব লাগিব। ইয়াৰ বাবে বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰিব লাগিব। চৰকাৰ হ'ল ৰাইজৰ মুৰব্বী আৰু মুৰব্বী হিচাবে এই চৰকাৰখনে নিজৰ ঘৰ সংসাৰ চলোৱাৰ বাবে বলিষ্ঠ আৰু সাহসী পদক্ষেপ গ্ৰহণ কৰিব লাগিব। এই পদক্ষেপৰ কিছুমান সফলো হ'ব পাৰে বিফলো হ'ব পাৰে। কেতিয়াবা আমাৰ GDP উৰ্ধগামী হয়, কেতিয়াবা নিম্নগামী হয়। এইবিলাক হ'বই। যিহেতু গোটেই বিশ্বত এটা দুৰ্যোগৰ পৰিবেশ চলি আছে। কিন্তু এই বাজেটত যিটো আশা কৰা দেখা পাইছো এইয়ে বুজাই যে, আমাৰ GDP উৰ্ধগামী হোৱাৰ পৰিকল্পনা আছে আৰু এইটো হ'ল ১৩.৮৯ শতাংশ। এই বাজেটখনত আমি বিভিন্ন ধৰণৰ উন্নয়নৰ খতিয়ান দাঙি ধৰা দেখা পাইছো। যেনে ৰাস্তা ঘাটৰ আন্তঃগাঁথনি উন্নয়নৰ কাৰণে, আমাৰ স্বাস্থ্য, শিক্ষা আদিৰ উন্নয়ন আৰু সংস্কাৰৰ কাৰণে বহুত নতুন ধৰণৰ আঁচনি দেখা পাইছো। মই ক'ব বিচাৰিছো যে, উন্নতি হ'ব লাগিলে ৰাস্তা ঘাটৰ যোগাযোগৰ ব্যৱস্থাটো ভাল হ'ব লাগিব। আমাৰ বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে ৰাস্তা ঘাটৰ যোগাযোগৰ ব্যৱস্থাটোৰ উন্নয়নৰ কাৰণে বহুখিনি পদক্ষেপ গ্ৰহণ কৰিছে। মই আজি ইয়াত দেখা পাইছো যে, ১৯ টা মান ৰেলৰে অভাৰ ব্ৰীজ কাৰণে এই

বাজেটত স্পষ্ট ভাবে উল্লেখ কৰিছে। এই ব্যৱস্থাটো অসম চৰকাৰৰ ৫০ শতাংশ আৰু ৰেলৰেৰ ৫০ শতাংশ অংশীদাৰীত্ব কৰিব বিচৰা হৈছে। মোৰ ইয়াত এটা অনুৰোধ আছে যে, বিত্ত মন্ত্ৰী ডাঙৰীয়ানীৰ ওচৰত ফকিৰাগ্ৰাম ৰেলৰে জংচনটো যিহেতু এটা গুৰুত্বপূৰ্ণ জংচন, আমাৰ চেৰফাংগুৰি আৰু ধুবুৰী সংযোগী হাইৰেটো ফকিৰাগ্ৰামৰ মাজেৰে গৈছে। এই ফকিৰাগ্ৰামৰ পৰা আমাৰ চুবুৰীয়া ৰাজ্য পশ্চিমবংগৰ লগত আমাৰ গুৰুত্বপূৰ্ণ ব্যৱসায় চলে। এই আন্তঃৰাজ্যিক যোগাযোগৰ কাৰণে ধুবুৰী, বিলাসীপাৰা আৰু চাপৰৰ লগত এই ৰাস্তাৰে আমি যোগাযোগৰ ব্যৱস্থা স্থাপন কৰো। গতিকে সেই ঠাইত ৰেল জংচন থকাৰ বাবে আমাৰ যান-জঁটৰ অসুবিধা হয়। গতিকে মই যোগাযোগৰ উন্নয়নৰ খাতিৰত ১৯খন যিহেতু ৰেলৰেৰ অভাৰ ব্ৰীজ বনোৱাৰ ইয়াত প্ৰস্তাৱ লোৱা হৈছে আৰু যাতে এই ফকিৰাগ্ৰামকো ভাল দৃষ্টিভংগীৰে চায় আৰু এই বনাবলৈ লোৱা তালিকাত যদি অৰ্ন্তভুক্ত কৰা হয়, নিশ্চয় কোকাৰাঝাৰবাসী ৰাইজে এই চৰকাৰৰ প্ৰতি বিপুল ভাৱে আৰ্শীবাদ প্ৰদান কৰিব বুলি মই ক'ব বিচাৰো আৰু মই আশাবাদী যে এইখিনি আমাৰ চৰকাৰখনে নিশ্চয় কনচিডাৰ কৰিবৰ বাবে একো অসুবিধা নকৰিব। যিয়েই নহওঁক মই আৰু বেছি নকওঁ। মোৰ সতীৰ্থ বিধায়ক এগৰাকীয়ে যিহেতু ক'ব তেখেতৰ কাৰণে অহা সোমবাৰৰ বাবে সময় ৰাখিব লাগিব সেয়ে মই যিটো আমাৰ মুখ্য ডিমাণ্ড সেইটো হাইলাইট কৰি আৰু বি টি আৰ একৰ্ডৰ যিটো কমিটমেণ্ট, সেই কমিণ্টমেণ্ট মতে বি টি চি অঞ্চলৰ যিবিলাক প্ৰাইমাৰী স্কুলৰ পৰা আৰম্ভ কৰি কলেজ লেভেল লৈকে স্কুল আছে সেই বিলাক প্ৰভিঞ্চিয়েলাইজেশ্যনৰ কাৰণে যিটো কমিটমেণ্ট সেইটো একৰ্ড ইম্পলিমেণ্টেশ্যনৰ যোগেদি বা আজিৰ বাজেট চেচনৰ যোগেদি নিয়া হওঁক, এইখিনি দাবী জনাই মই মোৰ বক্তব্য ইয়াতে সামৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য আমিনুল ইছলাম ডাঙৰীয়া (চিনিয়ৰ)। আপোনালোকৰ ৩১ মিনিট আছে।

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ইতিমধ্যে আমাৰ দলৰ মাননীয় সদস্য আশ্ৰাফুল হুছেইন ডাঙৰীয়াই ৬ মিনিট বেছিকৈ কৈছে আৰু আমিনুল ইছলাম (জুনিয়ৰ) তেওঁৰ টাইমটো দি দিছে। গতিকে আমিনুল ইছলাম(জুনিয়ৰ) ৰ নামটো কাটিব লাগিব।

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি ১৯ মিনিট ২৬ চেকেণ্ড ইতিমধ্যে ক'লে বাকী আপোনালোকৰ ৩০ মিনিট ৩৪ চেকেণ্ড বাকী আছে।

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, যিখন বাজেট দাখিল কৰিলে, মই ভাল পাইছো যে ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰী মহোদয় আহি পাইছে। ইমানদিনে তেখেতে বিত্তমন্ত্ৰী হিচাপে বাজেট উত্থাপন কৰিছিল। এতিয়া যিখন বাজেট দাখিল কৰা হ'ল উপাধ্যক্ষ মহোদয়, আমি জানো যে Budget is an anticipated Estimation only. এইটো পিছত গৈ কিবা সংযোজন-বিযোজন হয়। কিন্তু এইবাৰ বাজেটত যিটো কথা আমি দেখা পালো যে ১,১৯,০২৭.৯৫ কোটি টকাৰ যিখন বাজেট দাখিল কৰা হ'ল তাত ৰেভিনিউ আশা কৰা হৈছে - ৯৬,৩৭৪.৫৯ কোটি টকা আৰু কেপিটেল ৰিচিভ আশা কৰা হৈছে - ২৩,৬৭৩.৭১ কোটি টকা। এতিয়া আমি যদি পূৰ্ব্বৰ দুই বছৰৰ বাজেট চাওঁ, তেনেহ'লে দেখিম ২০২০-২১ বৰ্ষত বাজেটত যি ৮২, ৮৪৪.৯৩ কোটি টকা ধাৰ্য্য কৰা হৈছিল, তাৰ পৰা বছৰৰ শেষত গৈ ৭১৬.৫৬ কোটি টকা ৰাহি হৈছিল আৰু ২০২১-২২ বৰ্ষত কৈ দেখা গৈছিল যে ইয়াত বছৰৰ শেষত গৈ ৪,৭১৭.২৬ কোটি টকা ইয়াত ডেফিচিট হৈছিল। এই ডেফিচিটটো আগৰ বছৰৰ চাৰপ্লাচৰ পৰা কাটি গৈ ১০২০.৫০ কোটি টকা ডেফিচিট হৈছিল। এই যে ডেফিচিট হৈছিল ইয়াৰ কাৰণটো হ'ল ২০২১-

২২ বৰ্ষতআমি FRBM Act খন দুবাৰ সংশোধন কৰি আমি অলপ ঋণ বেছিকৈ ল'ব লগা হ'ল। এইবাৰ যিটো আমাৰ estimation সেই estimation ত আকৌ আমাৰ FRBM Act খন সংশোধন কৰি ২৮ শতাংশৰ পৰা GSDP 32% লৈকে borrowing capacity কৰাৰ বাবে ইতিমধ্যে পবিত্ৰ সদনত FRBM Amendment Act মাননীয় বিত্তমন্ত্ৰীয়ে দাখিল কৰিছে। এইটো হয়তো অহা ৩০ তাৰিখে আলোচনা হ'ব। গতিকে এইবাৰ দেখা গৈছে যে যোৱাবাৰ এই FRBM Act খন সংশোধন কৰাৰ পিছত যেতিয়া ৪,৭১৭ কোটি টকা ডেফিচিট হ'ল এইবাৰ আকৌ FRBM Act খন সংশোধন কৰি বেছিকৈ ধাৰ লোৱাৰ ব্যৱস্থা কৰা হৈছে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যোৱাবাৰ কৈছিল যে এইটো আমাৰ গৌৰৱৰ কথা, ধাৰ বেছি লোৱা এইটো আমাৰ ক্ৰেডিট। যিয়েই নহওঁক তেখেতে এইটো কিবা এটা পদ্ধতিত বুজাইছে। কিন্তু এইবাৰ গৈ সেই ডেফিচিটটো আৰু বেছি হ'ব যেন ধাৰণা হৈছে আৰু আমি যদি পূৰ্ব্বৰ বছৰৰ বাজেট বিলাকৰ লগত মিলাই চাওঁ যেনেদৰে - আদৰ্শ গাওঁ যোজনা ২০১৯-২০ বৰ্ষত আহিল, ২০২০-২১, ২০২১-২২ বৰ্ষত যেন এনেকৈ কোৱা হৈছে যেন সেই বছৰতে প্ৰত্যেক সমষ্টিত দুখনকৈ মডেল ভিলেজ১০ কোটি টকা খৰছ কৰি কৰা হ'ব। কিন্তু ২-৩ বছৰত কথাটো বাৰে বাৰে কৈ থকা হৈছে আৰু এইবাৰ আহি ১১৮ কোটি টকা ধাৰ্য্য কৰা হৈছে। এতিয়ালৈকে প্ৰিলিমিনাৰী চাৰ্ভে, এনেধৰণৰ কামেই কৰি আছে। এটা স্কীম বা প্ৰজেক্ট প্ৰত্যেক বছৰ বাজেটতে ৰিফ্লেকশ্যন হৈ থাকে। বাজেটৰ ধৰণটো আমি ৪-৫ বছৰত এইটোৱে পাই আছো। ঠিক সেইদৰে আমি অন্যান্য start up মিচনৰ কথাটোও যোৱাবাৰ কি কোৱা হৈছিল, আগৰবাৰ কি কোৱা হৈছিল? এইবাৰ 9.50 কোটি টকা Start up Mission ৰ কাৰণে ধৰা হৈছে। গতিকে বাজেটত যে প্ৰত্যেকবাৰ সেই শব্দ বিলাকৰ অনুৰণন, প্ৰতিফলন বাৰে বাৰে দেখা পাওঁ সেই কথাটোত চমকটো অলপ সলনি কৰি নতুনকৈ দিয়া হয়। কিন্তু বছৰৰ শেষত আমি যিটো উন্নয়ন দেখা পাওঁ, সেইটো আমি যিটো বাজেটখন পঢ়ি আশা কৰো সেইটো নতুন বছৰত নতুন বাজেটত আকৌ সেই একেটাই কথা উপস্থাপন কৰা হয়। এই প্ৰৱনতাটো আমি ইমানদিন ধৰি দেখা পাই আছো। ইয়াৰ লগে লগে এইবাৰ বাজেটত যিটো ২০২০-২১ চনত প্ৰভিঞ্চিয়েলাইজেশ্যনৰ কাৰণে ৩৭২.১০ কোটি টকা ধৰা হৈছিল ৫৬৫১ খন শিক্ষানুষ্ঠান প্ৰাদেশিকীকৰণ কৰা হ'ব বুলি। কিন্তু পিছত দেখা গ'ল যে তাৰ বহু বিদ্যালয় বাকী থাকি গ'ল। পৰৱৰ্ত্তী বৰ্ষত আৰু এখন বাজেট গ'ল এইবাৰ বাজেটত আকৌ আহিছে, কিন্তু এইবাৰ কিন্তু তাৰ প্ৰতিফলন দেখা নাপালো যে বাদ পৰা খিনিৰ বাবে এইবাৰ কিমান টকা ধৰা হ'ল? এনেকৈ পূৰ্ব্বৰ বাজেট বিলাকৰ লগত আমি কম্পেয়াৰ কৰিলে দেখা পাওঁ যে উন্নয়ন খুব বেছি হোৱা নাই আৰু এটা কথা এইবাৰ বাজেটত আমি এটা কথা দেখা পাইছো যে Education, Sports, Arts and Culture এইকেইটাত যোৱা বছৰৰ যিটো ৰিভাইচড এষ্টিমেট তাত ৪ শতাংশ বৃদ্ধি কৰা হৈছে। কিন্তু পৰিবহনত ২৪ শতাংশ মাইনাচ কৰা হৈছে, স্বাস্থ্য আৰু পৰিয়াল কল্যাণত ২৪ শতাংশ মাইনাচ কৰা হৈছে, এইটো এটা সাংঘাতিক কথা য'ত ক'ভিডৰ এটা বিধ্বস্ত অৱস্থা য'ত যোৱা বছৰতকৈ ২৪ শতাংশ মাইনাচ কৰা হৈছে। পুলিচত ৩০ শতাংশ প্লাচ কৰা হৈছে এইটো আমি ভাল পাইছো। এগ্ৰিকালচাৰত ২০ শতাংশ মাইনাচ কৰা হৈছে। এগ্ৰিবেচ ইক'নমি আমাৰ অসমত। এই কথাটো কিন্তু এটা ভয়ঙ্কৰ কথা। মাননীয় উপাধ্যক্ষ মহোদয়, চচিয়েল ৱেল ফেয়াৰ এণ্ড নিউট্ৰিশ্যনত ২৬ শতাংশ মাইনাচ কৰা হৈছে, ৰুৰেল ডেভেলপমেণ্টত ২৬ শতাংশ মাইনাচ কৰা হৈছে, হাউচিঙত ২৪ শতাংশ মাইনাচ কৰা হৈছে আৰু আৰবান ডেভেলপমেণ্টত ৭ শতাংশ মাইনাচ কৰা হৈছে। য'ত বিশেষকৈ কৃষি আয় দুগুণলৈ বৃদ্ধি কৰাৰ

প্ৰতিশ্ৰুতি এইবাৰ বাজেটত দিয়া হৈছে তাত কৃষিত ২০ শতাংশ মাইনাচ কৰা হৈছে। এই কথা বিলাক আমি অতি উদ্বেগেৰে লক্ষ্য কৰিছো। মাননীয় উপাধ্যক্ষ মহোদয়, এইটো হ'ব পাৰে যে আমাৰ ৰেভিনিউ কালেকশ্যন কম। চৰকাৰে estimation ত ৰেভিনিউ নাপাব বুলি ভাবিছে। কিন্তু ৰেভিনিউ কালেকশ্যনৰ কাৰণে State GST এইবাৰ এক শতাংশ প্লাচ হ'ব বুলি estimate কৰা হৈছে আৰু State Exise ত 10 % কম। যোৱাবাৰৰ তুলনাত মাইনাচ 10% হ'ব বুলি এইবাৰ estimate কৰা হৈছে আৰু এইবাৰ এটা estimate কৰা হৈছে যে stump duty ৰ পৰা 33% বেছি ৰেভিনিউ কালেক্ট হ'ব বুলি আমি এটা আশা দেখা পাইছো। কিন্তু vehicle tax ত মাইনাচ 1% যোৱাবাৰ ৰিভাচইড্ এষ্টিমেট তাতকৈ 1% পাম বুলি ভাবিছো। আটাইতকৈ বেছি ৰেভিনিউ আশা কৰা হৈছে Land Revenue 81% যোৱা বাৰতকৈ বেছি। কিন্তু ইয়াত ৰেভিনিউ আৰু অলপ লাগে। তেনেহ'লে State non tax যিখিনি আমাৰ 24% আছে, যিটো State non tax property আছে সেই 24% আমি টেক্সেবল কৰিবও পাৰো। কিন্তু মূল্যবৃদ্ধিটো কমাব লাগিব। প্ৰয়োজনত টেক্স বঢ়ালেও সকলো শ্ৰেণীৰ জনসাধাৰণৰ তাত এফেক্ট নহয়। ব্যৱসায়ী আৰু চাকৰিয়ালো এফেক্টেড হ'ব। কিন্তু টেক্স যদি ৰিলিফ দি মূল্যবৃদ্ধি কৰোৱা হয়, তেতিয়া ভিক্ষাৰী জনলৈকে এফেক্ট হয়। গতিকে আমি চৰকাৰক দাবী জনাওঁ যে 24% non tax য'ত আছে, তাত অলপ চাই-চিন্তি taxable কৰক, কিন্তু মূল্যবৃদ্ধিটো কমাই দিয়ক। মানুহ জুৰুলা হৈ গৈছে। এইটো আমাৰ দাবী। কাৰণ মানুহে যদি শান্তিৰে দুসাজ খোৱাৰ পৰিবেশ যদি নাথাকে তেনেহ'লে এটা ভয়ঙ্কৰ কথা হ'ব। কবিয়ে কৈছিল-

A line of peace might appear  
if we restructured the sentence our lives are making,  
revoked its reaffirmation of profit and power,  
questioned our needs, allowed long pauses....  
A cadence of peace might..balance its weight  
on that different fulcrum; peace, a presence  
an energy field more intense than war,  
might pulse then.

গতিকে উপাধ্যক্ষ মহোদয়, আমি এই কথাৰ প্ৰতি লক্ষ্য ৰাখি সেই 24% taxable কৰি হ'লেও মূল্যবৃদ্ধি কৰাৰ বাবে আমি চৰকাৰক দাবী জনাইছো। মাননীয় উপাধ্যক্ষ মহোদয়, আৰু এটা কথা দেখিছো. জলসম্পদ বিভাগত **১২৮২.৬১** কোটি টকা estimate কৰা হৈছে। আমি জলসম্পদ বিভাগত আৰু অলপ বেছিকৈ পইচাটো ধৰাৰ কাৰণে আশা কৰিছিলো। এই বিভাগত আটাইতকৈ ডাঙৰ সমস্যা হ'ল গৰাখহনীয়া। গৰাখহনীয়াৰ কাৰণে হাজাৰ হাজাৰ পৰিয়াল প্ৰত্যেক বছৰে গৃহহীন, ভূমিহীন হৈ আছে। গতিকে মই জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ক আৰু অলপ বেছিকৈ পইচাটো ধৰাৰ কাৰণে পৰামৰ্শ এটা দিব বিচাৰিছো।

বাজেট estimate ত এটা কথা কোৱা হৈছে যে ব্ৰহ্মপুত্ৰ নদীৰ মূল ধাৰাটো স্থিৰ কৰাৰ কথা কোৱা হৈছে। মই ভাৱো প্ৰয়োজন সাপেক্ষে ক'ৰবাত খান্দি হ'লেও এটা stream যদি নদীখন বহুৱাব নোৱাৰো, তেনেহ'লে কিন্তু এই সমস্যাটো সমাধান নহ'ব। যাৰ কাৰণে প্ৰয়োজনীয় বাজেট বৃদ্ধি কৰি হ'লেও এটা stream নদীৰ পানী বোৱাই নিব লাগে। নহলে নদীখনৰ দুয়োপাৰে

এনেকুৰা ধৰণৰ ধ্বংসলীলা চলাই থাকিব। এই কথাটো মই বিবেচনাৰ বাবে কলো।

মডেল স্কুলৰ কথাটো বাজেটত কোৱা হৈছে। কিন্তু মডেল স্কুলবিলাকৰ শিক্ষকসকলক অন্য স্কুলবিলাকৰ সমহাৰত দৰমহা দিয়া নাই বা অন্যান্য সুবিধাখিনিও দিয়া হোৱা নাই। এইটো তেওঁলোকৰ এটা আক্ষেপ, এই বিষয়টো চৰকাৰে বিবেচনা কৰিব লাগে আমি দাবী জনাইছোঁ।

শিশু শ্ৰমিক শূণ্য কৰিবলৈ **১১৬** কোটি টকা এইবাৰ বাজেটত ধৰা হৈছে, সেইটো আদৰণীয়। কিন্তু শিশু শ্ৰমিকৰ কাৰণে এটা বাস্তৱসন্মত পদক্ষেপ বিচাৰিছোঁ।

জলসিঞ্চল বিভাগটো মই ভাৱো আটাইতকৈ এটা বিফল বিভাগ আমাৰ Estimate Committee ৰ সভাপতি শ্ৰী প্ৰশান্ত ফুকন ডাঙৰীয়াই এদিন পবিত্ৰ সদনত কৈছিল যে জলসিঞ্চন বিভাগত এক লিটাৰ পানী দিবলৈ বৰ্তমান ৭৫ হাজাৰ টকা খৰছ হয়। গতিকে এই বিভাগটোত টকা ধাৰ্য্য কৰাৰ আগতে অলপ review কৰাৰ দৰকাৰ আছে, নহ'লে কৃষি বিভাগৰ মাৰ্চ কৰি দিলেও ভাল হয়। এই বিষয়তো মই বিত্তমন্ত্ৰী মহোদয়াক দৃষ্টিগোচৰ কৰিলো।

তাৰ লগে লগে MSME জৰিয়তে আমাৰ যিবিলাক লঘু বা ক্ষুদ্ৰ উদ্যোগ উন্নত কৰাৰ কথা কোৱা হৈছিল, সেই কথাখিনি মই ভাৱো অলপ ভালকৈ চাৰিজাৰি চাই গুৰুত্ব দিব লাগে।

ইথানল উৎপাদনৰ কথাটোত মই দেখিছো, এই বিষয়টোত গুৰুত্ব দিব লাগে। local raw materials ৰ ক্ষেত্ৰত আমাৰ থলুৱা উদ্যোগক বাজেটত encourage কৰা হোৱা নাই। এইবাৰ বাজেটত ইথানল উৎপাদনৰ ক্ষেত্ৰত যিমান গুৰুত্ব দিয়া হৈছে, raw materials ৰ ক্ষেত্ৰত আমাৰ থলুৱা উদ্যোগক সিমান গুৰুত্ব দিয়া হোৱা নাই।

Handloom & Textile sector ত এইবাৰ বাজেট বক্তব্যত স্বীকাৰ কৰা হৈছে যে Handloom & Textile sector ত শিপিনী সকলে market linkage পোৱা নাই, যাৰ কাৰণে তেওঁলোকৰ লোকচান হৈ আছে। এই বাজেট শিপিনীসকলৰ কাৰণে market linkage ৰ কোনো প্ৰতিশ্ৰুতি দেখা নাপালো। গতিকে মাননীয় উপাধ্যক্ষ মহোদয় এই বিষয়টো আপোনাৰ জৰিয়তে বিত্ত মন্ত্ৰী মহোদয়াক দৃষ্টিগোচৰ কৰিলো যাতে শিপিনীসকলৰ market linkage ৰ কাৰণে বাজেটত কিবা এটা provision দিয়া হয়।

তাৰ লগে লগে এই পবিত্ৰ সদন আজিও ইয়াত উচ্চাৰিত হৈছিল Grow more Food আঁচনি যিটো বৃটিছৰ সময়ত লোৱা হৈছিল। এই আঁচনিৰ জৰিয়তে যিমান পতিত মাটি সমান কৰি খান্দি অসমত আজি যিমান কৃষি ভূমি আছে, তাৰ আধাতকৈ বেছি তেতিয়া কৃষি উপযোগী কৰা হৈছিল। যিটো অসমৰ Agri Academy ত বৰ্তমানলৈ ভাল এটা ভূমিকা বা অনুদান পাই আছো।

আজি আমি কিছুমান সঁচা কথা ক'বই লাগিব, যিটো কথা সুকান্ত ভট্টাচাৰ্য বলেছিল ——
দৃঢ় সত্যের দিতে হবে খাঁটি দাম,
হে স্বদেশ, ফের সেই কথা জানলাম।
জানোনা তো কেউ পৃথিবী উঠছে কেঁপে
ধরেছে মিথ্যা সত্যের টুঁটি চেপে ,
কখনো কেউ কি ভূমিকম্পের আগে
হাতে শাঁখ নেয়, হঠাৎ সবাই জাগে?
যারা আজ এত মিথ্যার দায়ভাগী,

আজকে তাদের ঘৃণার কামান দাগি।
ইতিহাস, জানি নীরব সাক্ষী তুমি,
আমরা চেয়েছি স্বাধীন স্বদেশভূমি।
কুয়াশা কাটছে, কাটবে আজ কি কাল,
ধুয়ে ধুয়ে যাবে কুৎসার জঞ্জাল,
ততদিন প্রাণ দেব শত্রুর হাতে
মুক্তির ফুল ফুটবে সে সংঘাতে।
ইতিহাসঙ্গ নেই অমরত্বের লোভ,
আজ রেখে যাই আজকের বিক্ষোভ।। -

মাননীয় উপাধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে আৰু কেইটামান কথা বিত্ত মন্ত্ৰী মহোদয়াৰ দৃষ্টিগোচৰ কৰিব খুজিছোঁ। এই যিখন বাজেট দিয়া হৈছে, এই বাজেটত অন্তঃগাথনি উন্নয়নৰ কাৰণে তিনিখন মেডিকেল কলেজৰ প্ৰস্তাৱ আছে আৰু কিছুমান প্ৰস্তাৱ শৈক্ষিক ক্ষেত্ৰতো আছে। আমি সেইখিনি ভাল পাইছো। কিন্তু দেখা নাপালো, মানে কিছুমান অঞ্চলত, আজি যেনেকৈ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কোচঁ-ৰাজবংশীৰ সন্মিলনৰ এটা অনুষ্ঠানত তেখেতে কৈ আহিছিল যে ধুবুৰী জিলাত এখন বিশ্ববিদ্যালয় দিয়া হ'ব আৰু সেই বৃহত্তৰ অঞ্চলত Engineering College নাই। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যিটো প্ৰতিশ্ৰুতি দি আহিছিল, সেইটো যোৱা বাৰ বাজটতো নাছিল, এইবাৰো নাই। সেই অঞ্চলৰ মানুহে আশা কৰিছিল যে এই বাজেটত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ধুবুৰী জিলাত দিয়া প্ৰতিশ্ৰুতি আহিব। কিন্তু সেই কথাটো অন্তৰ্ভুক্ত নহ'ল। ঠিক সেইদৰে আমি দেখা পাইছো যে কিছুমান এলেকাত য'ত ৰাইজৰ বহু দিনৰ দাবী আছিল যে সেই কথাবিলাকো বাজেটত উত্থাপন নহ'ল। গতিকে আমি ভাৱো আন্তঃগাথনি উন্নয়নৰ ক্ষেত্ৰত আৰু অলপ গুৰুত্ব দিব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয় Minority Welfare Department ৰ কাৰণে ইয়াত **১৮৪.৭১** কোটি টকা ধৰা হৈছে। আমি হিচাপ কৰিছোঁ বিভাগীয় দৰমহা দি যি টকা বাচিব, অসমত minority ৰ **৬** টা জনগোষ্ঠী আছে, সেই মানুহৰ per capita এজনৰ তাত **১১** টকাকৈ পৰিব। এই কথা বিলাক যদি বাস্তৱসন্মত নহয়, এনেকৈ যদি ধৰা হয়, তাৰ কি ফল হ'ব সেইবিলাক আমি বুজিব পৰা নাই। এতিয়া আমাৰ যিটো ভৈয়াম জনজাতিৰ কাৰণে **৯৪৩.১৯** কোটি টকা ধৰা হৈছে আৰু অলপ বেছি ধৰিব লাগিছিল। তাতে দেখিছো যে per head Rs. 3300.00 পৰে উন্নয়নৰ কাৰণে। গতিকে অলপ scientific way ললে ভাল হয়।

আৰু এটা কথা মই কব বিচাৰিছো মাননীয় উপাধ্যক্ষ মহোদয়, যে আন্তঃগাঁথনি উন্নয়ন আৰু সমগ্ৰীক ভাৱে অন্তৰ্গত সকলো জাতি জনগোষ্ঠীক একেলগে সন্মিলিত ভাৱে অসমক team assam হিচাপে লৈ বৃহত্তৰ অসমীয়া জাতি হিচাপে লৈ সকলোকে আপোন হিচাপে লৈ অসমখনক আগুৱাই লৈ যোৱাৰ প্ৰতিশ্ৰুতি আমি এই বাজেটত আশা কৰিছিলো। সেই মতে আমি দেখা নাপালোঁ। কিন্তু এটা কথা কৈ যাম আৰু সেই কথাটো হিৰেন ভট্টচাৰ্য্য ডাঙৰীয়াৰ ভাষাত কৈ যাম -

মোৰ দেশৰ বাবে মই জীয়াই আছো।
এই দেশৰ বাবে মই
জীয়াই থাকিবলৈ মৰণপন কৰিছো

ৰণুৱা, বণুৱা হালোৱা
এই সকলোৰে মাজত মই আছো
মোৰ দেশৰ বাবে
অনৈক্যৰ মাজত ঐক্য হৈ
বিৰোধৰ মাজত সংহতিৰ সম্ভাৱনা হৈ মই আছো
জীৱনে মৰণে, শয়নে সপোনে
মোৰ দেশৰ আহ্বান মই শুনিছোঁ
শত্ৰু মিত্ৰ সকলোকে মই চিনিছো
মোৰ দেশৰ বাবে মই জীয়াই আছো।

এই কথাবিলাক আমাৰ দেশৰ প্ৰত্যেকজন মানুহৰ।

মই পৰহি মোৰ বক্তব্যত গীতাৰ শ্লোকৰে কৈছিলো যে, প্ৰতি গৰাকীৰ আত্মাৰ যিটো অবিনশ্বৰতা আমি অসমত ৩৫০ কোটি আত্মা বুলি ভাবিব লাগিব। ইয়াত যদি আমি বৈষম্য ব্যৱধান কৰো, ইয়াতে আমি যদি বৈষম্য কৰি ৰাজনৈতিক মুনাফা লুটিব খোজো, ৩৫০ কোটি মানুহক যদি আত্মা বুলি নাভাৱো, তেতিয়া হ'লে অসমখনক কেতিয়াও আগুৱাই লৈ যাব নোৱাৰিম।

মাননীয় উপাধ্যক্ষ মহোদয় মই আপোনাৰ জৰিয়তে কব বিচাৰিছো যে ......

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। The House is adjourned for till 9.30 AM on 21st March, 2022.